বিশ্বমুখী

# যুগবাৰ্তা

বাৰ্তালোচনী

RNI No: ASSASS01376

❑ BISHWAMUKHI JUGABARTA ❑ 4TH YEAR ❑ 1ST ISSUE ❑ FRIDAY ❑ 17TH JANUARY, 2020

চতুৰ্থ বৰ্ষ ❍ প্ৰথম সংখ্যা ❍ শুক্ৰবাৰ ❍ ২ মাঘ ❍ ১৯৪১ শক ❍ চিনামৰা, যোৰহাট ❍ অৰিহণা ঃ ১০ টকা



সমূহ পঢ়ুৱৈলৈ ভোগালী বিহুৰ শুভকামনা জনালো

## মুখ্য উপদেষ্টাৰ কলম

### কিতাপ পঢ়াৰ আন্দোলনৰ আৱশ্যকতা

❑ আনন্দ শইকীয়া



১৯৭৯ চনত অসমত দুবছৰীয়া বিদেশী বিতাৰণ আন্দোলনৰ পৰিসমাপ্তি ঘটিছিল। ১৯৭৯ চনৰপৰা ২০১৯ চনলৈকে বিগত চল্লিশ বছৰত বিদেশী বিতাৰণৰ সমস্যা কিমানদূৰ সমাধান হ'ল সেই বিষয়ে ইয়াত বিতং আলোচনা কৰাৰপৰা বিৰত থাকিলো। পুনৰ বিদেশীক লৈ অসম আজি অগ্নিগৰ্ভ। নিজৰ ভাষা-সংস্কৃতি ৰক্ষা কৰিবৰ বাবে সকলো ওলাই আহিব - সেয়া ধুৰূপ। যিকি নহওক, বিগত চল্লিশ বছৰত চলি থকা বিতাৰণৰ বাহিৰেও অসমত বৃহৎ নদীবান্ধ বিৰোধী আন্দোলন, ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ আন্দোলন, কৃষক-শ্ৰমিকৰ আন্দোলন, বিদ্যালয় প্ৰাদেশিকীকৰণৰ আন্দোলন আদি আন্দোলন চলি আছে। অসমীয়া জাতিটো উন্নয়নৰ ক্ষেত্ৰত বিশেষকৈ জাতিটো বাচি থকাৰ ক্ষেত্ৰত উল্লেখিত ১৫ পৃষ্ঠালৈ...

## সংস্কৃতিৰ বাহক জাপি

❑ ডিম্পী বৰা

অসমীয়া সংস্কৃতিৰ এক অমুল্য সম্পদ জাপি। প্ৰথম অৱস্থাত মানুহে ৰ'দ, বৰষুণৰ পৰা নিজৰ মুৰটো ৰক্ষা পাবৰ কাৰণে টকৌ গছৰ পাতেৰে বাঁহৰ জাপি সাজি উলিয়াইছিল।

আহোমসকলে অসমত জাপিৰ প্ৰচলন কৰিছিল। অসমত প্ৰচলিত হোৱা জাপিয়ে পদুমীয়া জাপিৰূপে গঢ় লৈছিল। ভাৰতীয় শিল্পকলাত পদুম ফুলৰ বিশেষ মৰ্য্যাদা আছে। এই পদুম ফুল উৎসৱ পাৰ্বনৰ লগত নিবিড়ভাৱে জড়িত থাকে। সেয়ে ইয়াৰ প্ৰচলনে অসমত শিল্পকলালৈ এটি নতুনৰূপৰ গঢ় লৈ আনিছিল।

জাতি, ধৰ্ম নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোকে অসমত জাপিৰ ব্যৱহাৰ কৰিছিল। হালোৱা-বনুৱা, ডা-ডাঙৰীয়া আদি লোকে জাপি লৈ গৌৰৱান্বিত হৈছিল। জাপিয়ে অসমীয়া মানুহৰ মাজত অভিজাতৰ জোঁৱাৰ আনিছিল। জাপিৰ প্ৰকাৰ দুই ধৰণৰ- ২ পৃষ্ঠালৈ...

## অসমৰ সেউজশিল্প চাহ বাগিছাৰ গৌৰৱ

❑ হাৰিচুজ জামাল

অসম হ'ল ভাৰতবৰ্ষৰ পূৰ্ব দিশত সূৰ্য উঠাৰ এখন ৰাজ্য। এই ৰাজ্যত সুজলা সুফলা শ্যামলা ভূমিক দুগুণে শ্যামলা কৰিছে চাহ বাগিচা সমূহে। কোৱা বাহুল্য যে অসমৰ চিনাকি বিশ্ব দৰবাৰ তথা ভাৰতবৰ্ষত চাহ খেতিৰ বাবেই। বিশ্বৰ এক জনপ্ৰিয় পানীয় হিচাবে পৰিগণিত চাহৰ উৎপাদন বিশ্বৰ ভিতৰতে ভাৰতৰ স্থান দ্বিতীয়। ভাৰতৰ মুঠ উৎপাদনৰ প্ৰায় ৫২ শতাংশ চাহ অসমত উৎপাদন হয়। বিশ্বৰ প্ৰায় সকলো দেশৰ মানুহেই কম বেছি পৰিমাণে চাহ পান কৰে আৰু ই বহু ৰোগ প্ৰতিৰোধ ঔষধি গুণ থকা বুলি ইতিমধ্যে স্বীকৃতি হৈছে। অসমৰ চাহৰ জনপ্ৰিয়তা, চাহৰ মানদণ্ড উৎকৃষ্ট বিশ্বৰ বজাৰত যে সমাদৃত আৰু চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি ইয়াক ৰাষ্ট্ৰীয় পানীয় হিচাবে স্বীকৃতি পোৱাৰ যোগ্য বুলি প্ৰাক্তন ৰাষ্ট্ৰপতি ড° এ.পি.জে আব্দুল কালামে টোকলাই চাহ গৱেষণা প্ৰতিষ্ঠানত অনুষ্ঠিত হোৱা এক কনভেনশ্বনত মত পোষণ কৰিছিল। ইতিমধ্যে চাহক ৰাজ্যিক পানীয় হিচাবে অসমৰ মুখ্যমন্ত্ৰীয়ে যোৱা ২০১১ চনৰ ২২ নৱেম্বৰ তাৰিখে ঘোষণা কৰিছে।

অসমৰ চাহ বাগিছা সমূহে যে অকল উৎকৃষ্ট মান বিশিষ্ট চাহেই উৎপাদন কৰিছে এনে নহয় চাহ বাগিচাত নিয়োজিত শ্ৰমিক কৰ্মচাৰী তথা স্বত্বাধিকাৰীৰ বহু সংখ্যকে ১২ পৃষ্ঠালৈ...

## আহোম সাম্ৰাজ্যৰ বেলি মাৰযোৱা যোৰহাট

❑ জগত বৰা

আহোমৰ ছশ বছৰীয়া শাসনৰ শেষ ৰাজধানী যোৰহাট। ঐতিহ্যমণ্ডিত, শিক্ষা-সংস্কৃতিৰে সমুজ্জ্বল যোৰহাট। যোৰহাট মহানগৰে ইতিমধ্যে দুশ বছৰ অতিক্ৰম কৰিলে। সেয়ে হেৰোৱা অতীতৰ আঁত বিচাৰি যোৰহাটবাসীয়ে 1994 চনত দুশ বছৰীয়া জয়ন্তীও উদ্‌যাপন কৰিলে। মহাকালৰ বুকুত জাহ যাব খোজা সোণসেৰীয়া ইতিহাস খান্দি প্ৰাণ-প্ৰাচুৰ্য্য দান কৰিলে। ই যোৰহাটবাসীৰ বাবে এক গৌৰৱৰ বিষয়। ৰজাভঙা ৰাজধানী যোৰহাটৰ ইতিহাস খোঁচৰিলে পোৱা যায় আহোম সাম্ৰাজ্যৰ বহু কথা।

স্বৰ্গদেউ চুকফাই অসমত আহোম সাম্ৰাজ্য প্ৰতিষ্ঠা কৰি ৰংপুৰত ৰাজধানী পাতিছিল। ৰংপুৰৰ পৰাই ছশ বছৰীয়া আহোমৰ গৌৰৱপূৰ্ণ ইতিহাস আৰম্ভ হৈছিল। ৰংপুৰ এতিয়াও আহোম সাম্ৰাজ্যৰ মাইলৰ খুঁটি। কিন্তু পৰম দুৰ্ভাগ্য যে আহোমৰ ছশ বছৰীয়া ৰাজত্বৰ শেষৰ পিনে ৰাজ্যত নানান বেমেজালিয়ে দেখা দিয়ে। দুৰ্বল আৰু অকৰ্মণ্য স্বৰ্গদেউসকলৰ দুৰ্বলতাৰ সুযোগ লৈ ৰাজ্যত বহুতো অপশক্তিয়ে গা-কৰি উঠিছিল। তাৰ ভিতৰত মোৱামৰীয়া বা মায়ামৰীয়া বিদ্ৰোহে আহোম সাম্ৰাজ্যৰ ৰাজহাড় ভাঙি পেলায়। স্বৰ্গদেৱে এই অপশক্তিক ৰোধ কৰিবৰ বাবে যথেষ্ট শক্তি অপচয় কৰিব লগা হৈছিল। মোৱামৰীয়াসকলে আহোম সাম্ৰাজ্য লণ্ডভণ্ড কৰি পেলাইছিল। মোৱামৰীয়া শক্তিৰ লগত ফেৰ মাৰিব নোৱাৰি গৌৰীনাথ সিংহই সেই সময়ত ভাৰতৰ অন্য প্ৰান্তত প্ৰভাৱশালী হৈ পৰা ব্ৰিটিছ ৰাজৰ সহায় বিচাৰে। সেই সময়ত বংগত শাসন কৰি থকা ব্ৰিটিছ বিষয়া কেপ্টেইন ৱেলছেও অসমত নিজৰ প্ৰভুত্ব বিস্তাৰৰ বাবে গৌৰীনাথ সিংহক সহায় কৰিবলৈ 1794 চনত আধুনিক অস্ত্ৰ-শস্ত্ৰৰে সু-সজ্জিত হৈ ৰাজধানী ৭ পৃষ্ঠালৈ...

## বিশ্ব এথলেটিকচ্ চেম্পিয়নশ্বিপ ২০১৯

❑ তাপস কুমাৰ বৰুৱা

যোৱা 27 চেপ্তেম্বৰত আৰম্ভ হৈ 6 অক্টোবৰত সফলতাৰে সামৰণি পৰিল সপ্তদশ বিশ্ব এথলেটিকচ চেম্পিয়নশ্বিপৰ। কাটাৰৰ ৰাজধানী চহৰ ডহাত অনুষ্ঠিত এই প্ৰতিযোগিতাখনত বিশ্বৰত 206 খন দেশৰ মুঠ 1, 772 জন খেলুৱৈয়ে অংশ গ্ৰহণ কৰিছিল। প্ৰতিযোগিতাখনত পদক অৰ্জ্জনকাৰী শীৰ্ষৰ তিনিখন দেশ (বন্ধনীৰ ভিতৰত স্বৰ্ণ, ৰজত, ব্ৰঞ্জ আৰু মুঠ পদক সংখ্যাসহ) হৈছে, 1। আমেৰিকা যুক্তৰাষ্ট্ৰ: (14, 11, 4 Ô 29), 2। কেনিয়া: (5, 2, 4 Ô 11) আৰু 3। জামাইকা: (3, 5, 4 Ô 12)। আনহাতে, সৰ্বকালৰ সৰ্বাধিক পদক লাভ কৰা শীৰ্ষৰ পাঁচখন দেশ হৈছে, 1। আমেৰিকা যুক্তৰাষ্ট্ৰ: (155, 107, 90, Ô 352), 2। জাৰ্মানী (1976, 1980, 1983 আৰু 1987 বৰ্ষৰ প্ৰতিযোগিতাত পূৱ জাৰ্মানীয়ে লাভ কৰা পদকসমূহসহ): (60, 61, 62 Ô 183), 3। ৰাচিয়া (ৰাজনৈতিক কাৰণত ৰাচিয়াক আন্তৰ্জাতিক ক্ৰীড়াৰ পৰা আঁতৰাই ৰখাৰ বাবে দেশখনৰ ইচ্ছুক খেলুৱৈসকলক 'অথৰাইজড নিউট্ৰেল এথলিটচ' নামৰ দলৰ হৈ 2017 বৰ্ষৰ প্ৰতিযোগিতাত লাভ কৰা পদকসমূহসহ): (46, 56, 49 Ô 151), 4। কেনিয়া: (55, 48, 37 Ô 140) আৰু 5। গ্ৰেট ব্ৰিটেইন: (28, 33, 38 Ô 99)।

বিশ্বৰ এথলেটিকচ ক্ৰীড়াৰ শীৰ্ষৰ পৰিচালন সংস্থা ৱৰ্ল্ড এথলেটিচ (পূৰ্বৰ ইণ্টাৰনেশ্বনেল এচ'চিয়েছন অব্ এথলেটিকচ ১৫ পৃষ্ঠালৈ...

## ৰাজকোঁৱৰৰ প্ৰতিধ্বনি

❑ অঞ্জুমনি বৰুৱা

ঐতিহাসিক ঐতিহ্যৰে ঐতিহ্যমণ্ডিত
পশ্চিম প্ৰান্তৰ শিৱসাগৰত
বানে ধোৱা অঞ্চলখ্যাত
কোঁৱৰপুৰৰ অৱস্থিতি
আজিও জিলিকি আছে
নিজৰ গৰিমা ৰাশি।

ধনে-ধানে, শস্যে-মৎস্যে
সুজলা সুফলা সেউজী ধৰণী
নিজ স্থিতিত অটল আজি
অনাবিল শোভা প্ৰকাশি।

ঐতিহ্যৰ পম খেদি
চাওঁ আজি ৰিণি-ৰিণি
কোনে বাৰু দিলে আহি
কোঁৱৰপুৰৰ শোভাখিনি।

প্ৰবাদ-প্ৰতীম পুৰুষ
চাওলুং চুকাফাই
লগত আনিলে হেনো দুজন গোঁহাই-
বুঢ়াগোঁহাই আৰু বৰগোঁহাই
তৃতীয়জন মন্ত্ৰী বৰপাত্ৰ গোঁহাই
আহি ফৈদৰ ঘোষণাৰে
বসতি কৰেহি আহি
বৰ্তমানৰ কোঁৱৰপুৰে।

'কুৱৈ' গাঁৱৰেই হ'ল
আজিৰ কোঁৱৰপুৰখনি
জনশ্ৰুতিয়ে দিলে আহি
সত্যতাৰ পোহাৰ মেলি।

শিৱসিংহৰ ৰাজত্বকালত
কোঁৱৰসৱৰ আগমনি,
মনৰ কৰণিত আজিও
ৰাখিছো সাঁচি অতীতৰ কোঁৱৰসৱৰ
মিঠা মধুৰ সোঁৱৰণি।

আহিবনে ? ৰাজকোঁৱৰ,
দি যাব পদাংকন
পদধ্বনিত মুখৰিত হ'ব
এদিন কোঁৱৰপুৰৰ জনগণ।

বিৱৰ্তনৰ জখলাইদি
আগবাঢ়ি কোঁৱৰপুৰে
গঢ়িলে মিলন সেতু
প্ৰীতি আৰু সমন্বয়ৰ।

আজান পীৰৰ আজানৰ সুৰে
মুখৰিত হ'ল আজি
ত্ৰিৱেণী সংগম স্থলী
দিখৌ-দিচাং-ব্ৰহ্মপুত্ৰ।

একতাৰ ডোলে বান্ধি
উচ্চাৰিত সমন্বিতে
ঐতিহ্যৰ জয়ধ্বনি কোঁৱৰপুৰৰ প্ৰতিজনে।

আহিব নেকি ?
আজি -কোঁৱৰপুৰৰ অভ্যন্তৰে
অতীতৰ সোঁৱৰণী কোঁৱৰসৱৰ হস্তীলানি।

আছো আমি ক্ষণ গণি
উপাচাৰৰ সম্ভাৰ আনি
ৰাজকোঁৱৰৰ নুপূৰৰ শুনিম সঁচা পদধ্বনি।

৩ পৃষ্ঠাৰ পৰা

## ব্ৰাহ্মীশাক আৰু . . .

উপসৰ্গৰ মাত্ৰা ক্ৰমান্বয়ে বৃদ্ধি পোৱাৰ ফলত ক্ৰমান্বয়ে মৃত্যুৰ মুখলৈ আগবঢ়াই নিয়ে। এই ৰোগৰ কোনো চিকিৎসা অৰ্থাৎ নিৰাময়ৰ উপায় নাই যদিও ইয়াৰ উপসৰ্গৰ সমস্যাবোৰৰ উপশমৰ ব্যৱস্থা আছে আৰু চিকিৎসাৰ দ্বাৰা ইয়াক নিৰাময় কৰিব নোৱাৰিলেও ইয়াৰ বৃদ্ধিৰ গতিবেগ কমাব পাৰি।

এই ৰোগ হৈছে বুলিনো কেনেকৈ জানিম? প্ৰথমে ৰোগীয়ে সামান্যভাৱে পাহৰিবলৈ আৰম্ভ কৰি পিছলৈ সদায় নিজে কৰি থকা কাম যেনে কাপোৰ পিন্ধা, জোতা পিন্ধা আদি কৰিব নোৱাৰা হয়, সময় বা ঠাইৰ জ্ঞান নোহোৱা হয়, কথা কওঁতে শব্দৰ অভাৱত খোকোজা লাগে, পাহৰি যোৱাৰ কাৰণে বস্তুবোৰ সঠিক ঠাইত থ'ব নোৱাৰে আৰু নিজে কিবা এটা সিদ্ধান্ত ল'ব নোৱাৰা হয়, পৰনিৰ্ভৰশীল হৈ পৰে দৈনন্দিন জীৱন যাত্ৰাৰ কাৰণেও।

এই ৰোগৰ কাৰণে প্ৰত্যক্ষভাৱে ৰোগীৰ মৃত্যু নহয়, কিন্তু মস্তিষ্কৰ স্নায়ুৰ অধিক ক্ষতি হোৱাৰ কাৰণে ৰোগীয়ে নিজকে চম্ভালিব নোৱাৰা হয়, দৈনন্দিন জীৱন যাত্ৰা ব্যাহত হয়, নিজে অকলে চলা ফিৰা কৰিব নোৱাৰা হয়, আনকি গিলিব আৰু খাব নোৱাৰাও হয় আৰু এনেকৈয়ে মৃত্যু পথৰ পথিক হয়। ৰোগ এটা হৈছে বুলি ৰোগীয়ে নিজে গম নাপায়, তেওঁ নাজানে যে তেওঁ অসুস্থ। তেওঁৰ মতে সকলো ঠিকেই আছে। একেবাৰে স্বাভাৱিক। কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ এক গৱেষণা মতে প্ৰতি তিনিজনৰ ভিতৰত এজনৰ ৰোগ প্ৰতিৰোধ কৰিব পাৰি। শাৰীৰিক ব্যায়াম নকৰিলে, ধূমপান কৰিলে, বিষাদগ্ৰস্ততাত ভুগিলে এই ৰোগৰ সম্ভাৱনা বেছি। দেউতাকৰ তুলনাত মাকৰ পৰা সন্তানলৈ এই ৰোগ সংক্ৰমিত হোৱাৰ সম্ভাৱনা বেছি। যেনেকৈ নিয়মিত ব্যায়ামে এই ৰোগৰ সম্ভাৱনা পঞ্চাশ শতাংশ কমাই দিয়ে, তেনেকৈ সেউজীয়া শাক-পাচলি, বাদাম, উৱহী জাতীয় পাচলি, মাছ, জলফাই তেল আদিয়েও এই ৰোগ হোৱাত বাধা দিয়ে। ৬৫ বছৰ পিছত আৰু মহিলাৰ এই ৰোগ হোৱাৰ সম্ভাৱনা বেছি। সেয়ে এনে বয়সত সততে সপ্ৰতিভ হৈ শাৰীৰিক ব্যায়াম কৰি সক্ষম হৈ থাকিলে আৰু উচিত খাদ্যাভাস কৰিলে স্মৃতিভংশ ৰোগক বহু পৰিমাণে আঁতৰাই ৰাখিব পাৰি।

১ পৃষ্ঠাৰ পৰা

## সংস্কৃতিৰ বাহক জাপি. . .

উকা জাপি আৰু ফুলাম জাপি। ব্যৱহাৰিক দিশৰ পৰা জাপিক পানী জাপি, গৰখীয়া জাপি আৰু হালোৱা জাপি বুলি কোৱা হয়। বনুৱাসকলে লোৱা জাপিসমূহ বাঁহ আৰু টকৌ পাতেৰে সজোৱা হয়। ফুলাম জাপিক ৰঙা, নীলা, সেউজীয়া ৰঙেৰে কাপোৰ, মাইকা আৰু চুমকীৰে সজাই সৌন্দৰ্য্যশালী কৰি তোলে।

আহোম ৰাজত্ব কালত মৰ্য্যাদা অনুসৰি ডা-ডাঙৰীয়াসকলে বিভিন্ন ধৰণৰ জাপি মূৰত লোৱাৰ নিয়ম আছিল। সেই সময়ত জাপি আছিল পদমৰ্য্যাদা অনুসৰি পোৱা এক মূল্যৱান সম্পদ। বৰ্ত্তমান সময়ত আধুনিকভাৱে সভ্য হোৱা লোকৰ সমাজত জাপিৰ ঠাইত বিভিন্ন ধৰণৰ ছাতিয়ে স্থান লাভ কৰিলে যদিও জাপিয়ে এতিয়াও অসমৰ প্ৰত্যেক অসমীয়াৰ চ'ৰাঘৰৰ বেৰত শোভাবৰ্দ্ধন কৰি আহিছে। বৰ্ত্তমান সময়ত ৰঙালী বিহুৰ প্ৰতিখন মঞ্চতে নাচনীসকলে জাপি নৃত্য কৰি অসমীয়াৰ বুকুত জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে। এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই নিৰ্মাণ কৰা সৰ্বপ্ৰথম অসমীয়া চলচিত্ৰ 'জয়মতী'তো জাপিৰ সুন্দৰ ব্যৱহাৰ কৰিছিল। গাঁৱৰ খেতিয়কসকলে এতিয়াও ৰ'দ-বৰষুণত জাপি লৈ হাল বাইছে আৰু জাপিয়ে প্ৰকৃত অসমীয়াৰ পৰিচয় বহন কৰি আহিছে। অসমীয়া সমাজৰ চিৰকালৰ লগত এই জাপি কৃষি কৰ্মৰ লগত নিবিড়ভাৱে জড়িত থাকে। 'সৰুদৈয়া' জাপিয়ে আজিৰ দিনত সকলো মহিলাৰ মূৰত স্থান নাপালেও গ্ৰাম্যাঞ্চলৰ মহিলাসকলৰ উৎসাহলৈ লক্ষ্য কৰিলে এনে লাগে ভৱিষ্যতেও যেন জাপি অসমীয়া সমাজৰ পৰা হেৰাই নাযায়।

# শাস্তি

❑ নগেন গগৈ

"এচাৰিৰ আগত বিদ্যা" শুনি আহিছো কোনে ক'ত লিখিলে ক'ব নোৱাৰিম। আমি পঢ়া দিনত মনত আছে নেওঁতা মুখস্থ দিব নোৱাৰিলে টিকাত এচাৰিৰ কোব, নদীসমূহৰ নাম মুখস্থ দিব নোৱাৰিলে এফুট মাটি চেলেকা বা কলাফুলত বেতৰ কোব। তেনেবোৰ শাস্তিৰ ভয়, শংকাৰ বাবে হয়তো বহুজন গুণী-জ্ঞানী হৈছিল ইয়াক স্বীকাৰ কৰিবই লাগিব। কিন্তু আজি মনলৈ আহিছে তেনে শাস্তিৰ ভয় আৰু শংকাত সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয় ত্যাগ কৰিছিল। শিশুক শাস্তি দিয়াৰ কাৰণে বিভিন্ন মানৱবিজ্ঞানী আৰু শিক্ষাবিদে বিভিন্ন মত প্ৰকাশ কৰিছে যে শিশুক কঠোৰ শাস্তি সমাজৰ দ্বাৰা অস্বীকৃত নহয়। আনহাতে ভাৰতৰ 2008 চনৰ শিক্ষা অধিকাৰ আইনে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক শাৰীৰীক শাস্তি নিষিদ্ধ কৰিছে। এই আইন বহু শিক্ষক-শিক্ষয়িত্ৰীয়ে মানি লৈছে যদিও বহু শিক্ষক-শিক্ষয়িত্ৰীয়ে মানি ল'ব পৰা নাই। বিশেষকৈ আমি বহু সময়ত বাতৰিত পঢ়িবলৈ পাইছো যে একাংশ বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলে নীতি-নিয়ম নমনাৰ বাবে, শ্ৰেণীত উৎপাত কৰিলে, গৃহ কাৰ্য কৰি নামিলে বা মুখস্থ দিব নোৱাৰিলে শাৰীৰীক শাস্তি দিয়ে। আনকি শিক্ষকে বেতেৰে নিষ্ঠুৰভাৱে কোবাই, চৰ মাৰি, লঠিয়াই শিক্ষাৰ্থীৰ শৰীৰৰ অংগত আঘাট কৰা, কাণত জোৰেৰে মৰা, ডাষ্টাৰেৰে মূৰত মৰা ইত্যাদি। শাস্তিৰ ইতিবাচক দিশৰ পৰিৱৰ্তে নেতিবাচক দিশ বহুত আছে। ফলত ই শিশুৰ অনিষ্টহে বেছি কৰে।

সকলো ছাত্ৰ-ছাত্ৰীয়ে কম বেচি পৰিমাণে নানান শাস্তিৰ সন্মুখীন হয় কাৰণ তেওঁলোকৰ প্ৰণচঞ্চল মনেৰে সকলো অনুশাসন আয়ত্ব কৰিব নোৱাৰে বা নীতি নিয়মৰ বিষয়ে অজ্ঞান হৈ থাকে। সেয়েহে, শিক্ষক-শিক্ষয়িত্ৰীসকলে প্ৰথমে মনোবিজ্ঞানৰ অধ্যয়ন আৰু অনুধাৰণ কৰিব লাগে।

শিক্ষক-শিক্ষয়িত্ৰীসকলে এটা কথা লক্ষ্য কৰাটো অতি প্ৰয়োজন যে ছাত্ৰ বা ছাত্ৰী গৰাকী কেনে পৰিৱেশৰ পৰা আহিছে। হয়তো ছাত্ৰ-ছাত্ৰীগৰাকী দৰিদ্ৰতাত ভোগা ঘৰখনত পঢ়াৰ পৰিৱেশ নথকাত ছাত্ৰ-ছাত্ৰীয়ে যেনে ধৰণৰ পঢ়াৰ পাৰদৰ্শিতা দেখুৱাব লাগে তেনে পাৰদৰ্শিতা দেখুৱাব পৰা নাই বা ছোৱালী হিচাপে ঘৰুৱা কাম কৰিব লগা হোৱাৰ বাবে পঢ়াৰ সময় উলিয়াব পৰা নাই। তেনে শিক্ষাৰ্থীৰ ক্ষেত্ৰত এচাৰিৰ আগত বিদ্যাই শিক্ষাৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰিব কাৰণ এচাৰিৰ ভয়ত হয়তো বিদ্যালয় এৰিবলৈ বাধ্য হ'ব। সেয়েহে, শিক্ষক-শিক্ষয়িত্ৰীসকলে শিশুক পঢ়িবলৈ বা গননা কৰিবলৈ শিকালেই নহ'ব। ছাত্ৰ-ছাত্ৰীক মৰমে-স্নেহেৰে তেওঁলোকৰ বিষয়ে জানিবলৈ চেষ্টা কৰিব লাগিব। কাৰণ শিক্ষকৰ উমাল সান্নিধ্যত শিকোৱা ছাত্ৰ-ছাত্ৰীয়ে উজলি উঠিব পাৰে। সেয়েহে শিক্ষক-শিক্ষয়িত্ৰীয়ে ছাত্ৰ-ছাত্ৰীক চাবলৈ শিকিব লাগে। আমাৰ শিক্ষকসমাজে ছাত্ৰ-ছাত্ৰীক দেখেনে? শিক্ষকে পঢ়িব পাৰেনে ছাত্ৰ-ছাত্ৰীৰ মনস্তত্ব? গুটি ৰুলেই নগজে, গুটি গজিবলৈ পানী লাগে. উত্তাপ লাগে, লাগে উৰ্বৰতা। একেদৰে মন বাকৰিও গুটি ৰুবলৈ উত্তাপ লাগে, পানী লাগে, লাগে উৰ্বৰতা। এতিয়া ঘৰুৱা আৰু সামাজিক পৰিৱেশ মন বাকৰি শুকান কৰি ৰাখিছে, নাই উত্তাপ, নাই উৰ্বৰতা। শিলাময় মন বাকৰিত কিবা এটা ৰুবলৈ গৈ হাবাথুৰি খাব লাগে। গুটি যিয়ে ৰুব খোজে তেওঁ জানিব লাগে মাটিৰ উৰ্বৰতা, মাটিডৰাত সূৰ্যৰ পোহৰ পৰেনে? তেনেদৰে শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীৰ মনৰ কথা নজনাকৈয়ে এচাৰিৰ আগত বিদ্যা নামৰ সূত্ৰ প্ৰয়োগ কৰাৰ পৰিৱৰ্তে মৰমেৰে পিতৃ-মাতৃৰ হৈ নিজৰ শিশুক ব্যৱহাৰ কৰাৰ দৰে ব্যৱহাৰ কৰিলে নিশ্চয় ছাত্ৰ-ছাত্ৰীৰ উপকাৰ হ'ব। এইখিনিতে আমাৰ জংঘল ব্লক হাই স্কুলৰ এগৰাকী শিক্ষয়িত্ৰী কৃষ্ণজিনা বৰপাত্ৰগোহাঁইয়ে ছাত্ৰ-ছাত্ৰীক কৰা ব্যৱহাৰৰ বিষয়ে কিছু কথা ক'ব খুজিছো। এদিন বৰষুণৰ বতৰত ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ এজনে মধ্যাহ্ন ভোজন কৰিবলৈ যাওঁতে পিচলি পৰি যোৱাত পেণ্ট-চাৰ্ট তিতি গ'ল। ছাত্ৰজনৰ তেনে অৱস্থা হোৱাৰ বাবে শিক্ষক জিৰনি কোঠালৈ আহি ভয় আৰু শংসয়ৰ মাজেৰে ঘটনা বিৱৰি ছুটী বিছাৰিছিল। লগে লগে শিক্ষয়িত্ৰী কৃষ্ণজিনা বৰপাত্ৰগোহাঁইয়ে খুউব মৰমেৰে অ' তুমি পৰিলা নেকি? আজিৰ পৰা লৰা-ঢপৰা নকৰিবা। লগে লগে শিক্ষয়িত্ৰীগৰাকীয়ে ঠিয় হৈ ছাত্ৰজনৰ পেণ্টটো মোহাৰি দি মধ্যাহ্ন ভোজন কৰিহে ঘৰলৈ যাবা বুলি ক'লে। লগে লগে ছাত্ৰজনৰ চকু সেমেকি উঠিল আৰু শিক্ষয়িত্ৰীগৰাকীক আজিৰ পৰা মধ্যাহ্ন ভোজন কৰিবলৈ যাওঁতে লৰা-ঢপৰা নকৰো বুলি ক'লে। বহু শিক্ষকে হয়তো ছাত্ৰজনক লৰা-ঢপৰাকৈ মধ্যাহ্ন ভোজন কৰিবলৈ যোৱাৰ বাবে ডাবি-ধমকি দিলেহেতেন বা ছুটী মঞ্জুৰ নকৰিলেহেতেন। তাৰ পৰিৱৰ্তে শিক্ষয়িত্ৰীগৰাকীৰ ব্যৱহাৰে ছাত্ৰজনৰ মন বাকৰিত এনে এটি সুন্দৰ বীজ ৰোপ- কৰিলে যাৰ ফলশ্ৰুতিত এদিন বিতোপন উদ্যান হয়তো পাব। যদিহে ছাত্ৰজনক দুৰ্ব্যৱহাৰ কৰিলেহেতেন তেনে হয়তো কৃষিভূমিত অপতৃণ গজাদি ছাত্ৰজনৰ মনত এটা নেচিবাচক দিশ হ'লহেতেন। সেয়েহে শিক্ষাগুৰুসকলে ছাত্ৰ-ছাত্ৰীয়ে কৰা সৰু সৰু ভুলতে অনুশাসনৰ নামত যদি শাস্তি প্ৰদান কৰে তেনেতে তেওঁলোকৰ চিৰসেউজ মনটোক অপতৃণই ঘেৰি ধৰিব। সেয়েহে শিক্ষক-শিক্ষয়িত্ৰীসকলে এচাৰি, স্কেলৰ কোবৰ পৰিৱৰ্তে নিজে স্কিলফুল (পূৰ্ণ দক্ষতা) হৈ থাকিব লাগে।

শিক্ষাৰ প্ৰকৃত উদ্দেশ্য শিশুৰ মানৱীয় গুণবোৰ বিকশাই ছাত্ৰ-ছাত্ৰীক সামাজিক সম্পদ হিচাপে গঢ়ি তুলিব লাগিব। সেই মানৱীয় গুণবোৰ শাস্তিৰে কৰিব নোৱাৰি। শিক্ষক হ'ল ছাত্ৰ-ছাত্ৰীৰ ভৰসা, সমাজৰ ভৰসা। শিক্ষকৰ মুখলৈ ছাত্ৰ-ছাত্ৰীয়ে চাই থাকে। চাই থাকে অভিভাৱকসকলে আৰু সমাজখনে। তেনে স্থলত শিক্ষকজন বিদ্যালয়ত, ঘৰত, বাহিৰত, বজাৰত, বিভিন্ন অনুষ্ঠানত শিক্ষক হৈ থাকি (স্কিলফুল) স্নেহেৰে শিক্ষাদান কৰ্মত ব্ৰতী থাকিলে শাস্তিৰ প্ৰয়োজন নহয়।

# ব্ৰাহ্মীশাক আৰু আইনষ্টাইন

❑ ৰবীন মজুমদাৰ

মঞ্চৰ পৰা ঘোষকে নামটো ঘোষণা কৰি আছে এবাৰ, দুবাৰকৈ তিনিবাৰ। পিছে যাৰ নাম ঘোষণা কৰি আছে, তেওঁ নিৰ্বিকাৰ, বৰং কাষত বহি থকা কেইজনেহে উচ্‌পিচাই আছে।

ঃ হেৰা, তোমাক মাতি আছে নহয় মঞ্চলৈ, শুনা নাই নেকি? নিৰুপায় হৈ কাষৰ গৰাকীয়ে গাঁত হেঁচুকি দি সুধিবলৈ বাধ্য হ'ল।

ঃ মোক? মোক মাতিছে নেকি?

অ' তোমাকেই, তোমাৰ নাম জানো জাহ্নৱী শইকীয়া নহয়?

ঃ অ' ময়েতো জাহ্নৱী। ইস্ ৰাম কি যে হ'ব! মানুহবোৰে বা কি বুলি ভাবিছে!

এইবুলি কৈয়েই যেন ফোনত কিবা কথাত ব্যস্ত আছিল তাকে দেখুৱাবলৈ কাণৰ ওচৰত মোবাইলটো ধৰি মঞ্চৰ ফালে আগুৱাই গ'ল আৰু মঞ্চ পোৱাৰ আগতেই ম'বাইলটো বেগত সুমুৱাই থ'লে।

অনুষ্ঠানৰ শেষত জাহ্নৱী শইকীয়াই আহি সৌঁৰবাই দিয়া বান্ধৱীক নিজৰ সমস্যাৰ কথা ক'লে। আজিকালি বোলে তেওঁ কথা পাহৰিবলৈ লৈছে। ঘৰত বস্তু এটা থৈ পিছত ক'ত থৈছে মনত পেলাব নোৱাৰে। মানুহৰ নামো কেতিয়াবা পাহৰি যায় আৰু আজি বান্ধৱীগৰাকীয়ে তেওঁকে মাতি আছে বুলি কৈ নিদিয়া হ'লে কি যে লাজ লগা কথা হ'লহেঁতেন! তেওঁ কি যে কৰিব ভাবি পোৱা নাই!

ঃ আজিকালি বহুতৰে এনেকুৱা হয় বোলে। যিমানহে ভেজাল খানা খাই আছোঁ, দূষিত বায়ু উশাহ-নিশাহত লৈ আছোঁ, সেইবোৰেই কিজানি ইয়াৰ কাৰণ। তুমি এটা কাম কৰা, ব্ৰাহ্মী শাকৰ জোল নিয়মীয়াকৈ খাবলৈ লোৱা, দেখিবা তোমাৰ স্মৃতিশক্তি আকৌ ঘূৰি আহিছে। তুমি কছাৰীঘাটতে ব্ৰাহ্মী শাকৰ সঁচ পাবা, তাৰ পৰা পট এটা কিনি আনিলেই হ'ল ঘৰতে হৈ থাকিব, যেতিয়াই মন যায় খাব পাৰিবা।

যেই কথা সেই কাম। মিছেছ জাহ্নৱী শইকীয়াই পিছদিনাই কছাৰীঘাটৰ পৰা ধুনীয়া ব্ৰাহ্মী শাকৰ পট এটা কিনি আনিলে আৰু নিয়মীয়াভাৱে পানী-দুনী দিবলৈ পাহৰি যাব পাৰে বুলি সদায় চকুৰ আগত থকাকৈ পাকঘৰৰ খিৰিকীৰ ওচৰতে ৰাখিলে। পিছে সিমানলৈকেহে! বান্ধৱীৰ উপদেশ মতে লৰালৰিকৈ কিনি আনিলে, দুদিনমান সময়মতে পানী দিলে, পাচলি কুটা কটাৰীৰ আগেৰে দুই-এবাৰ খুঁচৰিও দিলে, তাৰ পিছত পাহৰি থাকিল, পাহৰিল যি পাহৰিলেই। ভালেমান দিনৰ পিছত এদিন দেওবাৰে সময় পাই পাকঘৰ চাফাইৰ কামত লাগিল আৰু খিৰিকীৰ গ্লাছ চাফা কৰি থাকোঁতে মাটি শুকাই কৰকৰীয়া মৰা পটটো দেখি নিজেই আচৰিত হ'ল ফুল-পাত একো নোহোৱা পটটো ইয়ালৈ কেনেকৈ আহিল বুলি! বহুত ভাবি চিন্তি মনত পেলাব নোৱাৰি গিৰীয়েকৰ শৰণ ল'লে-

ঃ কেলেই তোমাৰ বান্ধৱীৰ পৰামৰ্শ মতে যে ব্ৰেইন এক্টিভ কৰিবলৈ কাছাৰীঘাটৰ পৰা ব্ৰাহ্মী নে কি শাকৰ পুলি আনিছিলা, তাৰে অৱশিষ্ট এই শুকান ঠাৰিকেইটা।

ঃ ইস্ ৰাম, মই এনেকৈনো পাহৰিব লাগেনে? তুমিতো মনত মনত পেলাই দিব পাৰা।

ঃ মনত পৰিলেতো দিওঁৱেই। এতিয়া তুমি সোধাতহে বহু ভাবি-চিন্তি মনত পেলালোঁ।

বিশ্ববিদ্যালয়ত পঢ়ি থাকোঁতে এবাৰ থেছিছৰ গাইড অধ্যাপকজনে নিজৰ বিবাহ বাৰ্ষিকী উদ্‌যাপন অনুষ্ঠানলৈ মাতিলে। নিজৰ ঘৰতে আয়োজন কৰিছিল। আমি তিনিজন একে বিভাগৰ বন্ধু লগ হৈ নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ গ'লোঁ। যোৱাৰ লগে লগে ছাৰে আথে-বেথে ভিতৰলৈ মাতি নি বহুৱালে আৰু পৰিবাৰক মাতি আনি আমাৰ লগত চিনাকি কৰাই দিলে।

ঃ কাম ডাৰ্লিং, মিট মাই ষ্টুডেণ্ট দিলীপ, ভাল কবিতা লিখে।

এনেতে আৰু এজন অভ্যাগত আহি ওলোৱাত আগবাঢ়ি গৈ ৰেলকাম মিঃ দুৱৰা বুলি সম্ভাষণ জনালে আৰু পৰিবাৰৰ লগত চিনাকি কৰাই দিলে।

ঃ কাম, ছুইটী, মিট মাই ফ্ৰেণ্ড, মিঃ বিপুলানন্দ দুৱৰা।' এ' তোমালোকৰ পৰিচয় পৰ্ব সম্পূৰ্ণ হোৱাই নাই নহয়। এইবুলি আধৰুৱা পৰিচয় পৰ্ব পুনৰ আৰম্ভ কৰিলে।

ঃ হনী, এয়া মোৰ বাকী দুজন ষ্টুডেণ্ট প্ৰবাল আৰু প্ৰবীণ, ভাল ফুটবলাৰ।

প্ৰথমতে ডাৰ্লিং, তাৰ পিছত ছুইটী আৰু শেষত হনী...জীৱনৰ ভাটি বয়সত বাইদেউলৈ ছাৰৰ মৰমৰ চোক দেখি আমাৰ তিনিওৰে মুখৰ মাত হৰিল।

পিছদিনা ক্লাছত বাকীবোৰ যোৱাৰ পিছত আমি তিনিজনে সেমেনা-সেমেনিকৈ 'ছাৰ কথা এটা সোধোঁ, বেয়া পাব নেকি বুলি প্ৰবালে আৰম্ভ কৰিলে। ফুটবলাৰ বাবে তাৰ সাহসটো আমাতকৈ অলপ হ'লেও বেছি।

ঃ কিবা সুধিবা? অ' সেই কাৰণে তোমালোক তিনিজন ৰৈ গ'লা, সোধা, সোধা।

ছাৰে পৰিৱেশটো ইমান সহজ কৰি দিলে যে একেবাৰে নিসংকোচে প্ৰবালে সুধিলে- 'মানে ছাৰ, কালি ছাৰ আৰু বাইদেউৰ মাজৰ ইমান মধুৰ সম্পৰ্ক, এই বয়সতো যে বৰ্তি আছে তাকে দেখি বৰ ভাল লাগিল।

ঃ মানে?

ঃ এই যে ছাৰে বাইদেউক এবাৰ ডাৰ্লিং, এবাৰ ছুইটী আৰু শেষত হনী বুলি মাতি আমাৰ লগত চিনাকি কৰাই দিলে।

ঃ অ সেইটো কথা, হাঃ হাঃ হাঃ। সেয়া একো বিশেষ কথা নহয়। মই সেই সময়ত তেওঁৰ নামটো পাহৰি গ'লোঁহে, এতিয়া তোমালোকৰ আগততো সেই বুলি ক'ব নোৱাৰোঁ। গতিকে আমি ইজনে সিজনৰ মুখলৈ চাই বুৰ্বকৰ হাঁহি এটা মৰাৰ বাহিৰে অন্য কৰণীয় নাছিল।

নোবেল বঁটাপ্ৰাপক বিজ্ঞানী এলবাৰ্ট আইনষ্টাইনৰ নাম নুশুনা কোনো শিক্ষিত মানুহ নোলাববই কিজানি। তেওঁ অনৱৰত বিজ্ঞানৰ জটিল সূত্ৰ, চিন্তা-ভাৱনাৰ জগতত বিচৰণ কৰি থাকোঁতে দৈনন্দিন জীৱন যাত্ৰাৰ সাধাৰণ কথাবোৰ প্ৰায়ে পাহৰি গৈছিল আৰু তাকে লৈ বহুত আমোদজনক কাহিনী মুখে মুখে আজিও চলি আহিছে। এবাৰ তেওঁ দিনটোৰ কামৰ শেষত টেক্সিৰে ঘৰলৈ আহোঁতে ঘৰৰ ঠিকনা পাহৰি থাকিল। এতিয়া টেক্সিৱালাক ক'ত নমাই দিবলৈ ক'ব? লাগিল চিন্তা, কোনো পাৰ পোৱা নাই। কিমান ডাঙৰ ডাঙৰ বৈজ্ঞানিক সূত্ৰ উদ্ভাৱন কৰা, জটিল সমস্যা সমাধান কৰা বিজ্ঞানীজন ঘৰৰ ঠিকনাটো পাহৰি পৰিল মহা বিপাঙত। বুধিয়ক মানুহ, মনত হঠাতে এটা বুধি খেলালে।

ঃ হেৰা, তুমি বাৰু বিজ্ঞানী আইনষ্টাইনৰ নাম শুনিছানে? তেওঁ টেক্সী ড্ৰাইভাৰক সুধিলে।

ঃ উৰা, কেলেই নুশুনিম, ইমান জগত বিখ্যাত বিজ্ঞানী।

ঃ হয়, হয় বৰ ডাঙৰ বিজ্ঞানী। পিছে তেওঁ ক'ত থাকে তুমিতো নাজানা?

ঃ উৰা, কেলেই নাজানিম, খুব ভালদৰে চিনি পাওঁ তেওঁৰ ঘৰ।

ঃ তেনেহ'লে এটা কাম কৰা, তুমি মোক তেওঁৰ ঘৰৰ আগতে নমাই দিবা।

ঃ অ', আপুনি তাৰমানে তেওঁক লগ পাবলৈ যাব? ঠিক আছে মই পৌচাই দিম।

ঃ ঠিক লগ ধৰিবলৈ নহয়, আচলতে ময়েই আইনষ্টাইন-মই তোমাক পৰীক্ষা কৰি চাইছিলোঁহে'!

তেওঁযে ঘৰৰ ঠিকনা পাহৰিলে সেইটোতো আৰু প্ৰকাশ কৰিব নোৱাৰে!

এবাৰ স্থানীয় ৰে'লত ঘৰলৈ উভতিছিল আইনষ্টাইন। পৰীক্ষকে টিকট পৰীক্ষা কৰিবলৈ আহি তেওঁৰ কাষ পালে। পিছে তেওঁ এতিয়া টিকটটো বিচাৰি নাপায়, কোটৰ পকেট, পেণ্টৰ পকেট, হাতত থকা বেগ-ক'তো টিকটটো নাই। টিটি হৈ ৰৈ আছে টিকটৰ বাবে, লাজত তেওঁৰ কপালত ঘাম বিৰিঙিব ধৰিলে, নাকৰ আগ, কাণ ৰঙা পৰিল।

ঃ নাই ছাৰ, আপুনি টিকট নেদেখুৱালেও হ'ব, আপোনাৰ দৰে এজন মহান বিজ্ঞানীয়ে টিকট নকৰাকৈ ৰে'লত উঠিবনে?

ঃ এৰাহে, মই টিকট ঠিকেই লৈছিলোঁ, এতিয়া লগাৰ সময়ত ক'ত যে সোমাল।

ঃ নাই নাই, আপুনি ব্যস্ত হ'ব নালাগে, আৰামকৈ বহি লওক' এইবুলি পৰীক্ষকজন আগবাঢ়ি গ'ল আন যাত্ৰীৰ টিকট বিচাৰি। কিন্তু আইনষ্টাইনে হেৰুওৱা টিকট বিচাৰিয়েই থাকিল। কেনেবাকে বহা ছিটৰ তলত পৰিব পাৰে বুলি ছিটৰ তলত খেপিয়াই চালে। টিকটটো তেনেকৈ বিচাৰি থকা দেখি টিকট পৰীক্ষকজন আকৌ উভতি আহিল তেওঁৰ ওচৰলৈ।

ঃ মই কৈছোঁ নহয় ছাৰ, আপুনি টিকট বিচাৰি ইমান হাবাথুৰি খাব নালাগে, মই জানো নহয় আপুনি টিকট নোহোৱাকৈ ভ্ৰমণ নকৰে বুলি।

সমস্যা সেইটো নহয়হে। তোমাক টিকটটো যে নালাগে সেয়াতো মই বুজিছোঁ। কিন্তু টিকটটো নহ'লে মই কোনটো ষ্টেচনত নামিব লাগিব সেইটো কেনেকৈ জানিম?

আইনষ্টাইনৰ কথা শুনি টিকট পৰীক্ষকৰ মুখৰ মাত হৰিল।

আচলতে বয়স হ'লে মানুহে কথা পাহৰাটো একো অস্বাভাৱিক কথা নহয়। বিশেষকৈ তিনিকুৰি বছৰ পাৰ হ'লেই লিংগভেদে বহু মানুহৰ কথা পাহৰা সমস্যা হ'ব পাৰে। কেতিয়াবা ই বংশগতও হ'ব পাৰে। মহান বিজ্ঞানী আইনষ্টাইনৰ কিমান বয়সৰ পৰা এনে পাহৰা অভ্যাস আৰম্ভ হৈছিল ক'তো উল্লেখ নাই, হয়তো তেওঁৰ 'পাহৰি যোৱা'ৰ কাহিনীবোৰ বেছি মুখৰোচক হোৱা বাবে বয়সৰ কথাই প্ৰাধান্য নাপালে বুলি ভাবিব পাৰি।

এই স্মৃতিভ্ৰংশ বা বয়সত পাহৰি যোৱা ৰোগটো যাক ইংৰাজীত 'আলঝেইমাৰ' বুলি জনা যায়, সেয়া সাধাৰণতে ৬৫ বছৰৰ ডেওনা পাৰ হ'লে বা কেতিয়াবা আৰু কিছু পলমকৈ এই ৰোগ আৰম্ভ হয়। তথ্য অনুযায়ী আমেৰিকা যুক্তৰাষ্ট্ৰত ২ লাখ লোক ৬৫ বছৰৰ দুৱাৰদলি পোৱাৰ আগতেই এই ৰোগত আক্ৰান্ত হয়, যাক Early onset Alzheimer's বুলি কোৱা হয়।

বয়স বঢ়াৰ লগে লগে মানৱ শৰীৰৰ অংগ-প্ৰত্যংগৰ কিছুমান স্বাভাৱিক পৰিৱৰ্তন হয়, যেনে গাৰ ছাল সোঁতোৰা পৰে, ক্ষীণ হয়, গাঁঠিবোৰৰ জঠৰতা আহে, চকুৰে কম দেখে। কিন্তু এই স্মৃতিভ্ৰংশ ৰোগ মস্তিষ্কৰ বয়স বঢ়াৰ স্বাভাৱিক প্ৰক্ৰিয়া নহয় আৰু বয়স বঢ়াৰ লগে লগে ৰোগৰ লক্ষণৰ মাত্ৰা বাঢ়ি গৈ থাকে

Dr. Alois Alzheimer নামৰ এজন জাৰ্মান মনোৰোগ আৰু স্নায়ুৰোগ বিশেষজ্ঞই ১৯০১ চনৰ পৰা এক বিশেষ ধৰণৰ মস্তিষ্কৰ ৰোগত ভোগা Augusta detev নামৰ মহিলা ৰোগীক চিকিৎসা কৰি আছিল। ১৯০৬ চনত তেওঁৰ মৃত্যু হোৱাত ৰোগৰ চিকিৎসা তথা উপসৰ্গ সম্পৰ্কীয় সকলো কথা এখন চিকিৎসা সম্পৰ্কীয় সভাত সবিস্তাৰে বৰ্ণনা কৰিছিল আৰু তেতিয়াৰ পৰাই এই বিশেষ ৰোগৰ নাম দিয়া হয় আলঝেইমাৰ ৰোগ বা Alzheimer অৰ্থাৎ স্মৃতিভ্ৰংশ। সামান্যভাৱে পাহৰা সমস্যাৰে এই ৰোগৰ আৰম্ভণি হয় যদিও পিছলৈ ৰোগীয়ে স্বাভাৱিকভাৱে বাৰ্তালাপ কৰা বা পৰিৱেশৰ লগত নিজকে খাপ খুৱাই ল'ব নোৱাৰা হয়গৈ। আগৰ পুৰণি কথা মনত থাকিলেও নতুনকৈ শিকা কথা বা কামবোৰ পাহৰি যায়।

স্মৃতিভ্ৰংশ ৰোগ মৃত্যুৰ কাৰণ হিচাপে ষষ্ঠ স্থানত আছে। প্ৰত্যক্ষভাৱে ই ৰোগীৰ মৃত্যু নঘটাই যদিও ইয়াৰ *২ পৃষ্ঠালৈ...*

# সম্পাদকীয়

## মহাবিদ্যালয়ৰ গৌৰৱ

এখন মহাবিদ্যালয় প্ৰতিষ্ঠাৰ ত্ৰিশ বছৰৰ পাছতো প্ৰতিষ্ঠাপক অধ্যক্ষ আৰু প্ৰতিষ্ঠাপক সভাপতি দুয়োজনকে সমান আন্তৰিকতাৰে কাম কৰি থকা দেখাটো মহাবিদ্যালয়খনৰ বাবে গৌৰৱময় বিষয়। সভাপতিগৰাকীৰ বয়স প্ৰায় নব্বৈৰ ওচৰ আৰু অধ্যক্ষগৰাকীৰ বয়স আশীৰ উৰ্ধৰ। মহাবিদ্যালয়ৰ আৰম্ভণিৰ ক্ষণতকৈও দুগুণ উৎসাহেৰে কাম কৰি আছে দুয়োজনে। বয়সত নহ'লেও কৰ্মত তৰুণ যুৱক। সভাপতিগৰাকী এসময়ত অসমৰ জাতীয়তাবাদী চিন্তাৰ নেতৃস্থানীয় ব্যক্তি গান্ধীবাদী আদৰ্শৰ প্ৰতিষ্ঠাপক ব্যক্তি সু-সাহিত্যিক মোহন চন্দ্ৰ মহন্তৰ পুত্ৰ শ্ৰীযুত দূৰ্লভ চন্দ্ৰ মহন্ত ছাৰ, অধ্যক্ষ এসময়ৰ চৰকাৰী গাঁওবুঢ়া, সমাজ সংগঠক নিতাৰাম গাঁওবুঢ়াৰ কনিষ্ঠ পুত্ৰ শ্ৰীযুত আনন্দ শইকীয়া ছাৰ। স্বদেশ-স্বজাতিৰ উন্নতিৰ হকে চিন্তা কৰি দক্ষিণ যোৰহাটৰ চিনামৰাত প্ৰতিষ্ঠা কৰিছিল জ্ঞানৰ মন্দিৰ চিনামৰা মহাবিদ্যালয়। অনেক প্ৰত্যাহ্বানকো সাহসেৰে মুখামুখী হৈ মহাবিদ্যালয়খন চৰকাৰীকৰণৰ পৰ্যায়লৈ নিলেগৈ। কিন্তু দায়িত্ব সিমানতে অন্ত নপৰিল। অধ্যক্ষজনে চিন্তা কৰে মহাবিদ্যালয়খন শিক্ষাদানৰ উপৰিও ৰাইজৰ ওচৰলৈ নিব লাগিব, সমানে গৱেষণাৰ দিশটোও আগুৱাই নিব লাগিব। সেই উদ্দেশ্যে এহাতে গৱেষণাগাৰ প্ৰতিষ্ঠা কৰিছে আৰু আনহাতে ৰাস-ভাওনা, দিহানাম, সজাগতামূলক সভা, যুগবাৰ্তাৰ দৰে কাকত প্ৰকাশ আদিত পৃষ্ঠপোষকতা দিছে। বহুতৰ মাজত এটা মাত্ৰ উদাহৰণ মহাবিদ্যালয়ত অনুষ্ঠিত ভাওনাৰ দৃশ্যাংশ প্ৰতিযোগিতাৰ পুৰস্কাৰৰ বাবে ২০১৯ আৰু ২০২০ বৰ্ষত নিজৰ পেন্সনৰ পইচাৰে একোটা গুৰুত্বপূৰ্ণ পুৰস্কাৰ আগবঢ়াইছে। সভাপতিজন থাকে গুৱাহাটীত। মহাবিদ্যালয়ৰ সকলো কামৰ তথা অগ্ৰগতিৰ খবৰ ৰাখে তেওঁ। সিমানেই নহয় মহাবিদ্যালয়ত গৱেষণাগাৰ প্ৰতিষ্ঠাত প্ৰেৰণা দিছে, অৰ্থ-সাহাৰ্য দিছে। ভাৰতবৰ্ষত মহাবিদ্যালয়খন প্ৰতিষ্ঠাৰ বাবে তেখেতে যত্ন কৰি আছে। সৰ্বভাৰতীয় পৰ্যায়ৰ এটা গৱেষণামূলক বঁটাৰ বাবে বছৰি ২৫০০০ টকা আগবঢ়াই মহাবিদ্যালয়খনক সৰ্বভাৰতীয় পৰ্যায়ত পৰিচয় কৰাই দিব বিচাৰে। অসমত আগশাৰীৰ বহু মহাবিদ্যালয়-বিশ্ববিদ্যালয় আছে। কিন্তু তেখেতৰ চকু চিনামৰা মহাবিদ্যালয়ৰ ওপৰত। নিজে ৰোপণ কৰা গছপুলিটিৰ সৌৰভ জগতত বিয়পাব লাগিব। অৱসৰপ্ৰাপ্ত অধিবক্তাজনৰ গাঁঠিৰ ধন ব্যয় কৰিছে, ব্যয় কৰি আছে মহাবিদ্যালয়ৰ উন্নতিৰ বাবে। কেৱল সিমানেই নহয়, অসমৰ আগশাৰীৰ পণ্ডিত কুলেন্দু পাঠক, পৰমানন্দ মজুমদাৰ, শিৱনাথ বৰ্মন আদি পণ্ডিতসকলক মহাবিদ্যালয়খনলৈ অনাৰ ব্যৱস্থা কৰি গুৱাহাটীত মহাবিদ্যালয়খনৰ নাম জিলিকাই আছে। গুৱাহাটীত গ্ৰন্থ সংগ্ৰহ কৰি চিনামৰা মহাবিদ্যালয়লৈ দিয়ে, নতুন শৈক্ষিক বিষয় ওলালেই মহাবিদ্যালয়ৰ যোগেদি বিকাশৰ চিন্তা কৰে। তেখেতৰ চিন্তা সকলো দিশতে মোৰ চিনামৰা মহাবিদ্যালয় প্ৰথম হ'ব লাগিব। এয়াই শ্ৰীযুত আনন্দ শইকীয়া ছাৰ, এয়াই শ্ৰীযুত দূৰ্লভ মহন্ত ছাৰ। মহাবিদ্যালয়খনৰ বাবে গৌৰৱৰ স্থল, মহাবিদ্যালয়খনৰ বাবে ৰোল ম'ডেল। আমি মনত ৰখা উচিত ইতিহাসে তেওঁলোকক ধৰি ৰাখিলেই নহ'ব, বাস্তৱতো যথোচিত মূল্য দিব লাগিব, স্বীকাৰ কৰি ল'ব লাগিব, আদৰ্শ অনুসৰণ কৰিব লাগিব।

## ভাৰতত বিজ্ঞানৰ অৱনতি

❑ ড. গিৰীশ বৰুৱা

প্ৰাচীন কালৰ ভাৰতত বিজ্ঞান আৰু গণিতে যথেষ্ট বিকাশ লাভ কৰিছিল। কেইজনমান প্ৰাচীন ভাৰতীয় গণিতজ্ঞ হ'ল বৌধ্যায়ন, আৰ্যভট্ট, ব্ৰহ্মগুপ্ত, ভাস্কৰাচাৰ্য, মহাবীৰাচাৰ্য ইত্যাদি। আকৌ বিজ্ঞানৰ ক্ষেত্ৰত প্ৰখ্যাত হোৱা বিজ্ঞানী কেইজনমান হ'ল কণাদ, বৰাহমিহিৰ, নাৰ্গাজুন ইত্যাদি। চিকিৎসাশাস্ত্ৰতো কেইবাজনো চিকিৎসা বিজ্ঞানী প্ৰখ্যাত হয়, যেনে - চৰক, সুশ্ৰুত ইত্যাদি।

গণিতত যে প্ৰাচীন ভাৰত বৰ আগবঢ়া আছিল এই কথা প্ৰখ্যাত বিজ্ঞানী আইনষ্টাইনে এনেকৈ কৈ থৈ গৈছেঃ "গণনা কেনেকৈ কৰিব লাগে এই কথা আমাক প্ৰাচীন ভাৰতীয়সকলে শিকালে। এই আৰম্ভণি নোহোৱা হ'লে আধুনিক জগতৰ বহুতো বৈজ্ঞানিক আৱিষ্কাৰ সম্ভৱ নহ'লহেতেন।" শূন্যৰ ধাৰণা প্ৰথমতে আৰ্যভট্টই দিছিল। তেওঁ এই শূন্যৰ ব্যৱহাৰৰ দ্বাৰা যোগ, বিয়োগ আদি অংক সমাধান কৰিছিল। দশমিকৰ উদ্ভাৱনো ভাৰততেই হৈছিল। সেইদৰে কাব্যৰ ছন্দৰ বিচাৰো ভাৰতৰ অতি পুৰণি। পিংগলৰ ছন্দশাস্ত্ৰ এতিয়ালৈকে আৱিষ্কৃত ইয়াৰ ওপৰত প্ৰথম পুথি। পিংগল এজন বৈদিক পণ্ডিত আছিল। জয়দেব নামৰ বিজ্ঞানী এজনে সমীকৰণৰ ধাৰণা দিয়ে। পিছত তেওঁৰ এই সমীকৰণৰ ধাৰণাক ভাস্কৰে উন্নতি সাধন কৰে। ওপৰত উল্লেখ কৰা বৈশেষিক দৰ্শনৰ প্ৰণেতা কণাদে পৰমাণুৰ ধাৰণা দিছিল। তেওঁৰ মতে অণু বা পৰমাণুক ধ্বংস কৰিব নোৱাৰি। এঁৱেই দ্ব্যণুক, ত্ৰ্যণুক আদিৰ ধাৰণা দিয়ে। এইবোৰ বিভিন্ন হাৰত অণুৰ সংযোজনৰ নাম। ওপৰত উল্লেখ কৰা আৰ্যভট্টই পৃথিৱী যে ঘূৰণীয়া এই ধাৰণাটো দিছিল। তেওঁ গ্ৰহণৰ বিষয়েও অধ্যয়ন কৰে।

অতীজ ভাৰতত বেমাৰ ভাল কৰিবলৈ যন্ত্ৰৰ ব্যৱহাৰেৰে অস্ত্ৰ-চিকিৎসাও (Operation) কৰা হৈছিল। বহুত বিধ এনে অস্ত্ৰৰ নাম উল্লেখিত হৈছে। যেনে জবমুখী শলক। এই অস্ত্ৰ চকুৰ চিকিৎসাত ব্যৱহৃত হৈছিল। এইদৰে প্ৰাচীন ভাৰতত আয়ুৰ্বেদৰ বিকাশ সাংঘাতিক ধৰণে হৈছিল। জ্যোতিৰ্বিজ্ঞানৰ ক্ষেত্ৰতো ভাৰত বহুত আগবঢ়া আছিল।

এতিয়া প্ৰশ্ন হ'ল বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাত ইমান আগবঢ়া সত্বেও মাজ ভাগত ইয়াৰ উন্নতিত বাধা পৰিল কিয় ? আমাৰ আজিৰ প্ৰবন্ধত এই বিষয়ৰ ওপৰতে প্ৰধানকৈ আলোচনা কৰিম।

মই ভাবোঁ বৈজ্ঞানিক চিন্তাত যতি পৰাৰ প্ৰধান কাৰণটো হ'ল বেদান্তৰ আবিৰ্ভাৱ। বেদান্তৰ দুটা ভাগ হ'ল জ্ঞানবাদী বেদান্ত আৰু ভক্তিবাদী বেদান্ত। গীতাত আৰম্ভ হোৱা জ্ঞানযোগক শংকৰাচাৰ্যই জ্ঞানবাদলৈ ৰূপান্তৰিত কৰিলে। জ্ঞানযোগ হ'ল জ্ঞান এক উপায় যাক লক্ষ্যত উপনীত হ'বৰ বাবে উপায় হিচাপে প্ৰয়োগ কৰা হয়। জ্ঞানযোগে কৰ্ম আদিক প্ৰত্যাখ্যান কৰা নাই, কিন্তু জ্ঞানবাদে কৰিছে। জ্ঞানবাদে জৈমিনিৰ কৰ্ম মীমাংসাক দূৰতে বিদূৰ কৰিলে। এই মতবাদে ক'লে যে জ্ঞানেই একমাত্ৰ কাৰণ যি মানুহক লক্ষ্য পূৰণলৈ লৈ যায়। অন্যহাতে ৰামানুজে বেদান্তক ভক্তিবাদলৈ লৈ যায়। তেওঁও ভক্তিৰ ধাৰণাক গীতাৰ পৰাই লৈছে ; কিন্তু গীতাৰ ভক্তিযোগক তেওঁ ভক্তিবাদলৈ ৰূপান্তৰিত কৰি পেলালে। জ্ঞানবাদৰ দৰে ভক্তিবাদেও কৰ্মক হেয় প্ৰতিপন্ন কৰিলে।

ভাৰতবৰ্ষত বিজ্ঞানৰ জয়যাত্ৰা ব্যাহত হ'ল এই ভক্তিবাদৰ বাবেই। ভক্তিবাদে ভাৰতত এনেদৰে শিপালে যে বিজ্ঞানে উধাবই নোৱাৰিলে। গতিকে প্ৰাচীন ভাৰতৰ বিজ্ঞানৰ জয়যাত্ৰা মধ্যযুগত থমকি ৰ'ল। এই মধ্যযুগবোৰ পৃথিৱীৰ সকলো ঠাইতে ১২ পৃষ্ঠালৈ...

## স্বাধীনোত্তৰ অসমত উচ্চশিক্ষা

❑ ডিম্পী লাহন

*বিদ্যা দদাতি বিনয়ং বিনয়দ্ যাতি পাত্ৰতাম্।*
*প্ৰাত্ৰত্বাৎ ধনমাপোন্নতি ধনাৎ ধৰ্ম ততো সুখমল্ল।।*

(বিদ্যাই মানুহক বিনয়ী হ'বলৈ শিকায়, বিনয়ৰ পৰাই যোগ্যতাৰ জন্ম হয়, যোগ্যতাই অৰ্থ উপাৰ্জনত সহায় কৰে, ধনেই ধৰ্ম আৰু অসুখৰো মূল।) -নীতিমালা

ভাৰতবৰ্ষৰ এগৰাকী স্বনামধন্য মণিষী স্বামী বিবেকানন্দৰ ভাষাৰেই প্ৰৱন্ধৰ পাতনি মেলিব খোজা হৈছে। তেখেতৰ সমকালীন তথা আধুনিক শিক্ষাজগতৰ যিখন ছবি, সেইখন ছবিয়ে আজিও প্ৰকটিত হৈ থকাত চিন্তাবিদগৰাকীৰ মন্তব্যই প্ৰাসংগিতা হেৰুৱা নাই বুলি মই ভাৱো। এনেদৰে তেওঁ আধুনিক শিক্ষা ব্যৱস্থাৰ সম্পৰ্কত অসন্তুষ্ট হৈ মন্তব্য প্ৰকাশ কৰিছিল- "Getting by heart the thoughts of others in a foreign language and stuffing your brain with them and taking some university degrees, you consider your self educated. Is this education? Either a clerkship or being lawyer, or at the most of a deputy registrate, which is another from of clerkship isn't that all? What good will it do you or the country at large? Open your eyes and see what a piteous cry for food is rising the land of Bharata, Praverbial for its food. Will your education fulfill this eant?" [Swami Vevekananda: complete words, Vol, VIII page 182, Mayanvati Memorial Edition, 1962]"

শ্ৰুতিকটু হ'লেও কথা ক'বই লাগিব, আধুনিক শিক্ষা ব্যৱস্থা সম্পৰ্কত অদ্যাপি মেক'লে চাহাবৰ শিক্ষানীতিয়ে বিভিন্ন ৰূপত আত্মপ্ৰকাশ কৰি আহিছে নতুন বটলত পুৰণা মদৰ লেখীয়াকৈ। প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ শিক্ষাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে কেইবাটাও শিক্ষা আয়োগ গঠন কৰি দিছিল। এই শিক্ষা আয়োগসমূহে শিক্ষা ব্যৱস্থাক আধুনিক ৰূপত গঢ় দিবলৈ অনেক পৰামৰ্শ আগবঢ়াবলৈ আহিছে যদিও শিক্ষাৰ যি লক্ষ্য আৰু উদ্দেশ্য সি অৰ্থপূৰ্ণ ৰূপত বিকাশ লাভ কৰিবলৈ সক্ষম হোৱা নাই। আনকি বঞ্চিত ফল প্ৰদানতো কৃতকাৰ্য হ'ব পৰা নাই।

1964–66 চনৰ ভি এচ কোঠাৰী আয়োগৰ পৰামৰ্শ চৰকাৰে কাৰ্য্যকাৰী নকৰাকৈ ৰাজনৈতিক দৃষ্টিভংগীৰে 1986 চনত ভাৰত চৰকাৰে নতুন শিক্ষানীতি (National Policy on Education)ৰ জড়িয়তে শিক্ষক সাৰ্বজনীনন কৰাৰ পদক্ষেপ লৈছিল সঁচা, কিন্তু সিও কোনোপধে অৰ্থবহ হৈ নুঠিল। বৰং কোটি কোটি টকা খৰচ কৰি এচামক মুনাফা লুটিবলৈ সুবিধাহে দিয়া হ'ল। ডি পি ই পি (DPEP) আঁচনি, সৰ্বশিক্ষা মিছন আদিৰ জৰিয়তে প্ৰকৃতাৰ্থত ছাত্ৰ-ছাত্ৰী, শিক্ষক-অভিভাৱক কিমান উপকৃত হৈছে, চৰকাৰে ইয়াক সণ্চালনি কৰাৰ পৰা কৌশলগত কাৰণতে আঁতৰি আহে। উল্লেখযোগ্য যে পাঠ্যপুথিৰ মানদণ্ড হ্ৰাস হোৱাৰ লগতে পৰীক্ষা ব্যৱস্থাৰ শিথিলকৰণৰ বাবেও ছাত্ৰ-ছাত্ৰী মেধাৰ মান নিম্নগামী হৈছে।

শিক্ষাৰ ক্ষেত্ৰখনক কেন্দ্ৰ কৰি মাধ্যমিকেন্দ্ৰিক বিতৰ্ক এটা সূত্ৰপাত হৈ থকা পৰিলক্ষিত হয়। আচলতে শিক্ষা গ্ৰহণ প্ৰক্ৰিয়াত মাধ্যম কেতিয়াও অন্তৰায় হ'ব নোৱাৰে। অন্যহাতে স্বাধীনোত্তৰ অসমত উচ্চশিক্ষাৰ মানদণ্ড উন্নত নহয় বুলি যিটো অভিযোগ শুনিবলৈ পোৱা যায় তাৰ সত্যতাক সহজে নুই কৰিব নোৱাৰি। অন্যান্য পিছপৰা জাতি, অনুসূচিত জাতি-জনজাতিৰ বাবে উচ্চশিক্ষাৰ ক্ষেত্ৰখনত থকা সংৰক্ষণ ব্যৱস্থাই কিমান দূৰ এই নিৰ্দ্দিষ্ট জাতিসমূহৰ বিকাশ বাস্তৱায়িত কৰিছে সেইটো সন্দেহজনক। ব্যয়বহুল উচ্চশিক্ষা, মানদণ্ড (qualified) শিক্ষকৰ অভাৱ আদিবোৰো অসমৰ উচ্চশিক্ষাৰ একো একোটা প্ৰধান সমস্যা। অসমত চাৰি বছৰৰ পৰা ছয়বছৰ বয়সতেই এটা শিশুৱে শিক্ষানুষ্ঠানৰ চৌহদ গৰকিবলৈ সক্ষম হয়। কিছুমান ব্যক্তিগত মাধ্যমৰ শিক্ষানুষ্ঠান এই ক্ষেত্ৰত এখাপ চৰা। তাৰ পাছত আৰম্ভ হয় এক বিৰতিবিহীন যাত্ৰাৰ কোনো নিকট সমাপ্তি নাই। কিছু ৬ পৃষ্ঠালৈ...

# ইটালীয় আধুনিক কবিতাৰ সূত্ৰধাৰ ইউজেনিৱ মন্তেল

❑ ৰুবুল মাইবেলা

ইটালিৰ সাহিত্য তথা উন্নতমানৰ ভাষাটোৰ উৎস বিচাৰিব গ'লে আমি লাভ কৰা মূল দিশটো হ'ল তুছকান ডায়েলেক্ট। এয়া মূলত দান্তে, পেত্ৰাক আৰু বোক্কাছিৱৰ দ্বাৰা সৃষ্ট ভাষা। পৰবৰ্তীকালত সাহিত্যৰ নতুন বিষয়ৰ সন্ধানত যেতিয়া দাৰিদ্ৰ আৰু সমসাময়িক জীৱনযাপনৰ পৰিধিৰ মাজত লেখকসকলে বিচাৰি নব্য নতুন কিবাএটা চেচিয়া গিৱভেনি ভাৰ্গাৰৰ দৰে লেখকে নতুন বিষয়ৰ উপযোগী ভাষা আবিষ্কাৰত ব্ৰতী হয়। উনৈশ শতিকাৰ শেষত প্ৰখ্যাত ˉ লেখকসকলৰ সমানে লেখিকাসকলেও আত্মপ্ৰকাশ কৰাৰ চেষ্টা কৰে। এই সময়খিনিতে বিজ্ঞানী আৰু দাৰ্শনিক গেলিলিও, নাট্যকাৰ কাৰ্লো গোলদানি, গীতিকবি গিৱাকামো লিৱপাৰ্দি, ৰোমাণ্টিক ঔপন্যাসিক এলেছান্দ্ৰো মানজোনি আৰু কবি গিৱাছু কাৰ্দুছি আদিয়ে নিজা কৰ্ষণ থলিত উন্নতমানৰ উপাদানত ব্যস্ত হৈ পৰিছিল।

প্ৰথম প্ৰজন্মৰ মহিলা লেখকসলকলৰ মাজত ছাৰ্দিনিয়ান লেখক গ্ৰাজিয়া দেলেজাৰ নাম উল্লেখ কৰিব পৰা যায়। ১৯২৬ বৰ্ষত এই গৰাকী লেখিকাই বিশ্ব সন্মানীয় সন্মান সাহিত্যত ন'বেল বঁটা লাভ কৰে। বিংশ শতিকাৰ অতি প্ৰভাবশালী লেখিকাসকলৰ মাজত আন পৰিচিত নাম হ'ল এলছা মাৰান্তে। এই শতিকাৰ লেখক-লেখিকাসকলৰ বিষয়-বস্তুৰ বৈচিত্ৰ্য আৰু ব্যাপকতাই তেওঁলোকৰ সৃষ্টিকৰ্মক উজলাই তুলিছিল। এই শতিকাৰ শেষৰ ফালে গেব্ৰিয়েল ডিৱানানজিৱৰ সজীব দেশপ্ৰেম দেলেদাৰ অস্তিত্ববাদী চেতনাক জগাই তুলিছিল আৰু এই সময়তে উগ্ৰো ৱজেত্তিয়ে ইটালীয় জীৱনৰ স্থানীয় বিষয়সমূহৰ ওপৰত আলোকপাত কৰে। ফেছিষ্ট শাসনৰ সময়ত ইটালীৰ বহু লেখকে নিজকে আত্মগোপন কৰিব লগা হৈছিল। লগতে ইয়াৰ সমান্তৰালভাবে লেখাৰ অনুপ্ৰেৰণা লাভ কৰিছিল। এই সময়তে ইলিৱ ভিত্তোৰিনিৰ দৰে লেখকৰ দ্বাৰা বাস্তববাদৰ পুনৰ্জাগৰণৰ আগতে ফেছিষ্ট সময়ৰ বিষ বাষ্প বুকুৰ মাজত লৈ ইগনাজিৱ ছিলোনে, কাৰ্লো লেভি, ইটালিৰ এছভেডো আৰু লুইগি পিৰানদেলোৱে মনোসমীক্ষণ সাহিত্যৰীতিৰ সূচনা কৰিছিল। আলবাৰ্তো মোৰাভিয়াই তেওঁৰ লেখনিত উচ্চমধ্য বিত্তৰ দুৰ্নীতিপৰায়ণতাৰ কথা তুলি ধৰি বহু খ্যাতি অৰ্জন কৰিছিল আৰু 'ইৰোটিক নেৰেটিভৰ'বাবে ব্যাপকভাবে আলোচিত হয়।

৬০দশকৰ সামগ্ৰিক সাহিত্য ৰাষ্ট্ৰীয় দুৰ্নীতিৰ বিৰুদ্ধে সোচ্ছাৰ হৈ উঠে আৰু এই সময়তে ইটালীৰ কবিতাই প্ৰাণ প্ৰতিষ্ঠা লাভ কৰিছিল বুলিও ক'ব পৰা যায়। এই সময় কবি, সমালোচত, বোলছবি নিৰ্মাতা পিৱেৰ পাছোলিনি অন্যতম সৃষ্টিশীল ব্যক্তিত্ব হিচাপে ক্ৰিয়াশীল আছিল। এই সময়খিনিত নান্দনিক ঐশ্বৰ্যৰ সন্ধানত মানৱ মহত্বৰ উচ্চতম জখলাডালৰ পাবলৈ লেখকসকলে কবিতাকে বিশেষ সম্বলৰূপে গ্ৰহণ কৰিছিল। কথা শিল্পক যেন কলা মেঘে আগুৰি আছিল। এনে সময়তে মন্তেল আৰু ছালভাতোৱে কুৱাছিৱাদোয়ে কবিতা চৰ্চাৰ মাজেৰে ন'বেলৰ দৰে বঁটা আজুৰি আনিবলৈ সক্ষম হয়। ২০শতিকাৰ শেষ প্ৰান্তৰ সাহিত্যত ইটালীৰ কালভিনো, উমবাৰ্তো ইকো, প্ৰিমো লেভি আদি লেখকে দেশৰ বাহিৰতো নিজা সৃষ্টিশীলতাৰ বাবে সামাদৃত হৈছিল। ৮০ দশকটো ইটালীয় সাহিত্যৰ বাবে উল্লেখযোগ্য যে প্ৰায় দুই দশককাল গভীৰ অন্ধকাৰৰ থকাৰ পিছত এই সময়খিনিত দেশপ্ৰেমমূলক আৰু ঐতিহাসিক উপন্যাসকৰ নৱজাগৰণৰ সূচনা হয়। ইটালীৰ লেখক কেলভিনো মন্তেলৰ 'লা বাফেৰা ই ৱালট্ৰোক(১৯৫৬) দ্বিতীয় বিশ্বযুদ্ধোত্তৰ সময়ৰ শ্ৰেষ্ঠ সাহিত্য কৰ্ম বুলি আলোচিত হয়। মন্তেল আছিল মূলত সংগীতৰ ছাত্ৰ, তেওঁৰ লেখনিৰ মাজত আধুনিক ইতিহাস, দৰ্শন, ভালপোৱা আৰু মানবিক অস্তিত্বৰ সংকটে গভীৰ ৰূপত ৰেখাপাত কৰিছিল।

১৯৯৬ চনৰ ১২ অক্টোবৰ ইটালীৰ জোনোৱাত জন্মগ্ৰহণ কৰা কবি গৰাকীৰ পিতৃ আছিল আমদানী ব্যৱসায়ৰ সৈতে জড়িত এজন ব্যক্তি। পৰিয়ালৰ পাঁচটা সন্তানৰ ভিতৰত তৃতীয় সন্তান মন্তেল আছিল ৰোগীয়া স্বাস্থ্যৰ গৰাকী । যাৰ বাবে আনুষ্ঠানিক শিক্ষা গ্ৰহণৰ পৰা আঁৰত থাকিব লগা হৈছিল লেখক গৰাকী।



মন্তেলে তেঁও জীৱনৰ অধিক সময় গ্ৰীষ্মকাল অতিবাহিত কৰিছিল পিতৃৰ গৃহ 'লিগুৰিৱান বিভিৱেৰা'ত আৰু বিষয়ে পৰবৰ্তীকালত তেওঁৰ কবিতাত এই অঞ্চলৰ ৰুক্ষ ভূ-দৃশ্যৰ চিত্ৰ কবিতাক ভাহি উঠিছিল। এগৰাকী 'অপেৰা গায়ক' হিচাপে নিজকে প্ৰতিষ্ঠা কৰিব বিচৰা মন্তেলৰ সাহিত্যৰ প্ৰতি আছিল এক বিশেষ ধৰণৰ হাবিয়াস। বিশেষকৈ ইটালী ধ্ৰু পদী সাহিত্য, ফৰাছীৰ ফিক্সন, আৰ্থাৰ শোফেনহাৱাৰ, বেনদিত্ত ক্ৰোচ, হেনৰি বাৰ্গছৰ দৰ্শনৰ প্ৰতি আছিল মন্তেলৰ অনুৰাগ। প্ৰথম বিশ্বযুদ্ধৰ সময়ত তেওঁ অষ্টিয়ান ফ্ৰণ্টত ইনফোণ্টি বিষয়া হিচাপে দায়িত্ব পালন কৰিছিল। যুদ্ধৰ শেষত উভতি আহি পুনৰ সংগীত চৰ্চাত মনোনিবেশ নিৱেশ কৰিছিল। ১৯২৩ চনত তেওঁৰ সংগীত শিক্ষকৰ আকস্মিক বিয়োগে যেন সংগীতবিষয়ক চিন্তাভাবনাৰ সমাপ্তি ঘটায়। সাহিত্যৰ জগততখনত ইয়াৰ পিছৰে পৰা মন্তেলে নিজকে জড়িত কৰাৰ প্ৰয়াস আৰম্ভ কৰে।

১৯২৭ চনত মন্তেলে ফ্লোৰেন্সলৈ যাত্ৰা কৰে আৰু ইয়াৰ এটা প্ৰকাশন সংস্থাত কিছু দিনৰ বাবে নিয়োজিত হয়। ১৯২৮ চনত গেবিনেত্ত ভিছেক্স ৰিছাৰ্চ লাইব্ৰেৰীত পৰিছালক হিচাপে নিয়োগ লাভ কৰে। তেওঁ প্ৰথমখন কবিতাৰ সংকলন 'কেটলফিছ বোনছ'(১৯২৫) মুছোলিনৰ ক্ষমতাৰোহনৰ দুই বছৰৰ পিছত প্ৰকাশ হয়। এই সংকলনৰ বহু কেইটা কবিতাত লিগুৰিৱাৰ দৃশ্যাৱলীৰ সমাবেশ ঘটিছে। এই সংকলনত যুদ্ধোত্তৰ সময়ৰ তীক্ষ্ন নৈৰাশ্যৰ চিত্ৰ দেখা যায়। লিগুৰিৱান উপকূলৰ জনশূন্য আৰু পাহাৰীয় বাস্তবতাক প্ৰতীক হিচাপেলৈ নিজা অনুভূতিৰ প্ৰকাশ ঘটাইছে। মন্তেলৰ কবিতা কৰ্ষণৰ প্ৰথম পৰ্যায়ত এলিয়টৰ দ্যা ৱেষ্ট লেণ্ডৰ প্ৰভাৱ লক্ষণীয়। কবিতাত শুকান, বন্ধ্যা, শত্ৰুময় জনপ্ৰান্তৰ দুখময় ছবি অংকন কৰাৰ চেষ্টা কৰিছিল এগৰাকী নিখুট শব্দৰে ছন্দৰ মালা গাঠা শিল্পী হিচাপে। মন্তেলৰ পিছৰ কবিতা সংকলন- দ্যা হাউচ অৱ দ্যা কাষ্টমছ অফিছাৰ এণ্ড আদাৰ পোয়েমছ'(১৯৩২), দ্যা অকেছনছ(১৯৩৯) আৰু লেণ্ডছ এণ্ড(১৯৪৩) উল্লেখযোগ্য। সমালোচকসকলে এই কবিতাসমূহক তুলনামূলকভাবে জটিল আৰু অন্তৰ্দৰ্শনমূলক বুলি মতপ্ৰকাশ কৰিছে। দ্যা অকেছনছ কবিতা সংকলটো কেটলফিছ বোনছতকৈ অধিক নাটকীয়, সুসংহত আৰু মেট্ৰোপলিটন। ইয়াত সন্নিবিষ্ট হৈছে মন্তেলৰ ক্ষুদ্ৰ ক্ষুদ্ৰ কবিতা 'মোটেটছ' ক্লিজিয়াকলৈ লেখা, যি ইটালীৰ মূল কাব্যিক ঐতিহ্য কোৰ্টলি লাভৰ ধাৰাবাহিকতাত ৰচিত। ১৯৫৬ চনত প্ৰকাশ ঘটে মন্তেলৰ ব্যক্তিগত উষ্ণতাত জৰ্জৰিত কবিতা গ্ৰন্থ 'দ্যা ষ্টৰ্ম এণ্ড আদাৰ পোয়েমছ।' এই কবিতাসমূহৰ মাজত কবি হিচাপে মন্তেলৰ বিশেষ দক্ষতাৰ পৰিচয় পোৱা যায়, যি ইয়াৰ আগৰ কবিতা সংকলনসমূহত পোৱা নাযায়। দ্বিতীয় বিশ্বযুদ্ধ আৰু যুদ্ধোত্তৰ সময়ৰ উদ্বিগ্নতা, নানাধৰণৰ ভণ্ডা-পতা আৰু মানুহক পৈশাসিক লোলুপ স্বভাবৰ চিত্ৰাবলি ''and a shadowy Satan will disembark on the bank of the Thames, the Hudson, the Seine, shaking his bitumen wings half-worn by the effort to tell you : the time has come.'

তদুপৰি ছেতুৰা (১৯৬২),হাৰমনি এণ্ড পেষ্টেলছ (১৯৬২),এল'ইনোছেনজা দেল কলপেভল (১৯৬৬) আৰু জেনিয়া (১৯৬৬)আদি শেষৰ ফালৰ উল্লেখযোগ্য কবিতা সংকলন। এই কবিতাসমূহত প্ৰেমৰ প্ৰভাব অধিক দেখা যায়। পত্নীৰ স্মৃতিৰ প্ৰতি শ্ৰদ্ধা নিবেদনাৰ্থে বহুতো প্ৰেমৰ কবিতা ৰচনা কৰে। উল্লেখ্য যে মন্তেলে দ্ৰুছিলা তাঞ্জি নামৰ এগৰাকী বিধবা মহিলাক ভালপায় বিয়া কৰিছিল। ১৯৩০ চনৰ শেষৰ ফালে মহিলাগৰাকীয়ে স্বামীৰ বিচ্ছেদ ঘটে,কিন্তু ১৯৫৮ চনত স্বামীৰ মৃত্যু নোহোৱা পৰ্যন্ত মন্তলৰ লগত বিবাহৰ পাশত আৱদ্ধ হোৱা নাছিল। উক্ত দম্পতিৰ কোনো সন্তান নাছিল। জেনিয়াৰ কবিতাবোৰত দেখা যায় বিবাহ আৰু প্ৰেম বিষয়ক আলোচনা। মন্তেলৰ পত্নীৰ ঘৰত মতা নাম আছিল মোছকা বা মাছি। ১৯৬৩ চনত পত্নীৰ মৃত্যু হোৱাত তেওঁ কবিতা সংকলনৰ শীৰ্ষ কবিতাটো লেখিছিল- : 'They say my poetry/ is a poetry of unbelonging/ But if it was yours it was someone's/ your/ who are no longer form but essence। দ্যা অকেছনছৰ প্ৰেমৰ কবিতাবোৰ মূলত 'ক্লিজিয়াক' কেন্দ্ৰ কৰি ৰচিত। এই ক্লিজিয়া হ'ল ইৰমা বেণ্ডিছ. যি দন্ত বিষয়ক এজন ইহুদি আমেৰিকান পণ্ডিত, যাৰ লগত মন্তেলৰ সাক্ষাৎ ঘটে১৯৩০ চনত। কবিতাৰ মাজত আমি তেওঁক লগ পাওঁ কেতিয়াবা বিয়াত্ৰিছ, কেতিয়াবা লৰা হিচাপে।

কবিতাত জটিলতা, নৈৰাশ্য আৰু দুৰ্বোধ্যতাৰ বাবে মন্তেলক 'গিছেপি উনগাৰেত্তি আৰু ছালভাতোৰ কুৱাছিমোদোৰ লগত তুলনা কৰা হয়। ৩০-৪০দশকত তেওঁক হাৰমেটিক শ্ৰেণীৰ কবি বুলি কোৱা হৈছিল। ইটালিৰ হাৰমেটিক কবিসকল মূলত ফৰাছীৰ প্ৰতীকধৰ্মী কবি বোদলেৱাৰ, মালাৰ্মে,জাৰ্বো আৰু ভেৰ্লেনৰ দ্বাৰা প্ৰভাবিত আছিল। হাৰমেটিজম হ'ল-দুবোধ্য আৰু জটিল কবিতা,য'ত প্ৰতীক আৰু চিত্ৰকল্পৰ সমন্বয় ঘটে আৰু শব্দসমূহৰ মাজত আবেগীয় স্ৰোতবাহী শক্তি। তেওঁৰ কবিতাৰ দুৰ্বোধ্যতাত মূলত দুটা বিষয়ে ক্ৰিয়া কৰে। এটা হাৰমেটিক শ্ৰেণীৰ কবি হোৱা , আনটো হ'ল গতানুগতিক ছন্দ পৰিতত্যাগ কৰা, যাৰ প্ৰতি অনুৰক্ত দেশ বিদেশৰ বৃহত্তৰ পাঠকসমাজ। মন্তেলে অৱশ্যে তেওঁৰ শেষৰ ফালৰ কবিতাত নিজৰ ভাবনাবোৰ সচৰাচৰ আৰু অতি সাধাৰণ ভাষাত প্ৰকাশ কৰিছিল। ইয়াৰ পূৰ্বে কবিতাৰ দুৰ্বোধ্যতাৰ মাজত বিচাৰি পোৱা গৈছিল এক প্ৰকাৰৰ সংগীত,যিটো তেওঁৰ কবিতাৰ অন্যতম বৈশিষ্ট্য। মন্তেলে এবাৰ কৈছিল-'The poet does not know, often he will never know whom he really writes for'। এই কথা জগতৰ প্ৰতি কবিৰ ক্ষেত্ৰতে সত্য। কবিতাক তেওঁ প্ৰকৃততে কবিতা হিচাপে চিনাকি দিয়াবলৈ চেষ্টা কৰিছিল। এই ক্ষেত্ৰত কোনো ধৰণৰ আপোচ কৰা নাছিল। তেওঁ দান্তে আৰু পেত্ৰাকৰ যমজ ঐতিহ্যক চেৰাই যোৱা নাই আৰু সেই ধাৰাক আত্মস্থ কৰি তাক বহন কৰিছে নতুন সৃষ্টিৰ মাজেৰে।

কবিতাৰ মাজেৰে মন্তেলে ফেচীবাদী ব্যৱস্থাৰ বিৰুদ্ধে গৰজি উঠিছিল। তথাপি এজৰা পাউণ্ডৰ ফেচীবাদৰ প্ৰতি সহানভূতি থকাৰ পিছতো তেওঁৰ পাণ্ডিত্য আৰু কাব্যিক প্ৰতিভাৰ চৰম অনুৰক্ত আছিল মন্তেল। ফেচিষ্ট দলত যোগদান অপৰাগতা প্ৰকাশ কৰাৰ বাবে ১৯৩৮ চনত কালচাৰেল পদৰ পৰা অব্যাহতি দিয়া হয়। আননালাগে দেশখনৰ এগৰাকী অগ্ৰগণী কবি হোৱাৰ পিছতো মুছোলিনিৰ ফেচিষ্ট চৰকাৰে সিক্ষা অকাডেমীত, স্কুল-কলেজৰ পাঠ্যক্ৰমত অন্তভুক্ত কৰা নাছিল মন্তেলৰ কবিতা। এইসময়খিনি প্ৰায় মন্তেল হৈ পৰিছিল অকশৰীয়া আৰু ৰাজহুৱা জীৱনৰ পৰা নিজকে আতৰত ৰাখি ব্যস্ত হৈ পৰিছিল অনুবাদ সাহিত্যৰ জগতখনত। শেক্সপিয়েৰ, টি এছ এলিয়ট,হাৰমেন মেলভিন, ইউজিন আৰু নীল আদি ইউৰোপ- আমেৰিকান লেখকসকলৰ লিখনিবোৰ ইটালীভাষালৈ অনুবাদ আৰম্ভ কৰিছিল।

*১০ পৃষ্ঠালৈ...*

৪ পৃষ্ঠাৰ পৰা

# স্বাধীনোত্তৰ অসমত উচ্চশিক্ষা . . .

সংখ্যক উচ্চ মাধ্যমিক, উচ্চতৰ মাধ্যমিক, পিছত বৃত্তিমুখী, কাৰিকৰি পাঠ্যক্ৰমত অধ্যয়ন কৰে আৰু খুব কম সংখ্যকে অন্যান্য আত্মসংস্থাপনৰ পথ বাছি লয়। কিন্তু গৰিষ্ঠ সংখ্যকে স্নাতক, স্নাতকোত্তৰ পৰ্য্যয় অতিক্ৰম কৰিও সংস্থাপনহীন হৈ বয়। পৰীক্ষাৰ মেৰপেচত আবদ্ধ এক দীঘলীয়া প্ৰতিযোগিতাৰ অন্তত এক অনিশ্চিত ভৱিষ্যত। এক অসহায় অৱস্থা। উচ্চশিক্ষা লাভ কৰিও অসমৰ এক বৃহৎ সংখ্যক শিক্ষাৰ্থীৰ এনে অৱস্থা হয়। যদিও ইয়াৰ বাবে আমাৰ শিক্ষা ব্যৱস্থাটো বহুত পৰিমাণে দায়ী কিন্তু আমাৰ ছাত্ৰ-ছাত্ৰীসকলক এই বিষয়ত সজাগ আৰু সচেতন হোৱা উচিত। অসমৰ উচ্চশিক্ষাত বৰ্তমান ডিগ্ৰীটো কেৱল এটা স্বীকৃতিহে। তাৰ সমান্তৰালভাৱে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে নিজকে অন্য কিছুমান দিশতো পাৰ্গত কৰি তোলাৰ প্ৰয়োজন যাতে বৰ্তমানৰ প্ৰতিযোগিতাৰ পৃথিৱীখনত প্ৰতিষ্ঠা লাভ কৰিব পাৰে। আমাক এক কৰ্ম-সংস্কৃতিৰ প্ৰয়োজন। সি যি কি নহওক শিক্ষিত নিবনুৱাৰ সমস্যা সমাধানৰ বাবে অতি সোনকালে অসম তথা ভাৰতবৰ্ষৰ শৈক্ষিক ব্যৱস্থাটোৰ এক সংস্কাৰ সাধনৰ প্ৰয়োজন। যাতে যি হাৰত শিক্ষা ব্যৱস্থাটোৱে মানৱ সম্পদৰ অপচয় সাধন কৰি আহিছে সেই অপচয় বিকাশলৈ পৰিৱৰ্তিত হৈ দেশ তথা ৰাজ্যখনৰ সামগ্ৰিক বিকাশ সম্ভৱপৰ হৈ উঠে।

হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পাছত উচ্চতৰ মাধ্যমিক, উচ্চতৰ মাধ্যমিকৰ পাছত স্নাতক আৰু স্নাতকৰ পাছত স্নাতকোত্তৰ পঢ়িবই লাগিব বুলিও কোনো নীতি-নিয়ম নাই। কিন্তু এই সুযোগটো ছাত্ৰ-ছাত্ৰীসকলৰ বাবে উপলব্ধ হোৱাৰ প্ৰয়োজন। কাৰণ অসমত অন্যান্য কাৰিকৰি শিক্ষানুষ্ঠানৰ অৱস্থিতি অত্যন্ত কম। এখন দেশৰ 18 ৰ পৰা 23 বছৰ বয়সৰ যুৱক-যুৱতীসকল কিমান শতাংশই উচ্চ শিক্ষা গ্ৰহণ কৰে তাৰ ওপৰত ভিত্তি কৰি Gross Enrollment Ratio (GER) অৰ্থাৎ মুঠ নামভৰ্তিৰ অনুপাত নিৰ্ণয় কৰা হয়।

স্বাধীনোত্তৰ অসমৰ শিক্ষা ব্যৱস্থা সমস্যাৰ সম্পৰ্কত সামগ্ৰিকভাৱে আলোচনা কৰাৰ পূৰ্বে অসমৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনৰ সন্দৰ্ভত আলোচনাৰ প্ৰয়োজনীয়তা আছে। বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত অসমৰ উচ্চশিক্ষাৰ ক্ষেত্ৰখনত বিগত দশকটোত কিছুমান নতুন সমস্যাৰ অন্তৰ্ভূক্তিয়ে অসমৰ সমগ্ৰ শিক্ষা ব্যৱস্থাটোক এক ভয়াবহ সংকটৰ দিশে লৈ গৈছে। সম্প্ৰতি 'নামভৰ্তিৰ সমস্যাটো অসমৰ উচ্চশিক্ষাৰ এটা অন্যতম সমস্যা। বিভিন্ন সমীক্ষাত প্ৰকাশ পাইছে যে প্ৰতি বছৰে অসমত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ সংখ্যাৰ অনুপাতে সকলোৱে নামভৰ্তি কৰিব পৰাকৈ অসমত উচ্চ শিক্ষানুষ্ঠান নাই, যি এক বুজন সংখ্যক ছাত্ৰ-ছাত্ৰীক এক অনিশ্চিত ভৱিষ্যতৰ দিশে ঠেলি দিছে। ফলত এক গুৰুতৰ শৈক্ষিক আৰু সামাজিক সমস্যাৰ উৎপত্তি হৈছে। স্নাতকোত্তৰ শ্ৰেণীত নামভৰ্তিকৰণৰ বিষয়টো ইয়াতকৈ গুৰুতৰ হিচাপে চিহ্নিত হৈছে। বিশ্ববিদ্যালয়সমূহৰ অন্তৰ্গত কলেজসমূহৰ পৰা স্নাতক ডিগ্ৰীধাৰী হৈ প্ৰতি বছৰে যিমান সংখ্যক ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হয় সেইসকলৰ ভিতৰত প্ৰথম বিভাগ লাভ কৰা সকলৰ বাবেও পৰ্যাপ্ত আসন সংশ্লিষ্ট বিশ্ববিদ্যালয়সমূহত উপলব্ধ নহয়।

ইয়াৰ দ্বাৰা এটা কথা স্পষ্ট হয় যে আন্তৰ্জাতিক পৰ্যায়ত ভাৰতৰেই উচ্চ শিক্ষা ক্ষেত্ৰখনৰ অৱস্থিতি তথৈবচ। অসমৰ অৱস্থান বহু নিলগত। Planning Commission of Indiaৰ India Human Development Report (2011) অনুসৰি অসম হ'ল ভাৰতবৰ্ষৰ অৰ্থনৈতিকভাৱে অতি পিছপৰা ৰাজ্যসমূহৰ এখন। স্বাধীনোত্তৰ অসমত উচ্চ শিক্ষাই বহু পৰিৱৰ্তনৰ মাজেদি বৰ্তমানৰ অৱস্থা পাইছেহি আৰু যোৱা দশকত এই পৰিৱৰ্তনৰ হাৰ আগতকৈও বেছি আছিল। 25 বছৰতকৈ কম বয়সৰ 600 নিযুত জনসমষ্টিৰ আমাৰ দেশৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনে যুৱ প্ৰজন্মক সামৰি ল'বৰ বাবে বৰ্তমান সময়ত আৰু বহু প্ৰসাৰ তথা পৰিৱৰ্তন কৰিব লাগিব। দেশৰ আৰ্থিক অৱস্থাৰ উন্নতিৰ লগে লগে মধ্যবিত্ত শ্ৰেণীৰ জনসংখ্যা বৃদ্ধি হৈছে আৰু সেই অনুপাতে উচ্চ শিক্ষাৰ চাহিদা বাঢ়িবলৈ আৰম্ভ কৰিছে। 2020 চনলৈ আমাৰ দেশত স্নাতক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰী পৃথিৱীৰ ভিতৰত বেছি আৰু স্নাতকধাৰীৰ সংখ্যা পৃথিৱীৰ ভিতৰত দ্বিতীয় হ'ব বুলি বৃটিছ কাউন্সিলৰ এক প্ৰতিবেদনত প্ৰকাশ কৰা হৈছে। উচ্চ শিক্ষা এখন ৰাজ্য বা দেশৰ সঞ্জীৱনী শক্তি আৰু 21 শতিকাৰ জ্ঞানভিত্তিক সমাজৰ এক অবিচ্ছেদ্য আহিলা। বৰ্দ্ধিত জনসংখ্যা আৰু উচ্চ শিক্ষাৰ পাঠ্যক্ৰমৰ বিভিন্নতা, প্ৰশাসনিক ব্যৱস্থা আৰু ভৌগলিক পৰিসৰৰ প্ৰতি লক্ষ্য ৰাখি উচ্চ শিক্ষাৰ এক তথ্য-ভেটি (ডেটাবেছ) নিৰ্মাণ অপৰিহাৰ্য হৈ পৰিছে। বৰ্ত্তমান ডেটাবেছ আওপুৰণি আৰু পৰ্যাপ্ত নোহোৱাটো সৰ্বজনবিদিত। বৰ্তমানৰ উচ্চ শিক্ষাৰ ডেটাবেছৰ তথ্য সংগ্ৰহ পদ্ধতি আৰু ব্যাপ্তি অসম্পূৰ্ণ, নিয়ন্ত্ৰণহীন আৰু সময়তকৈ পিছ পৰা। একাদশ পঞ্চ বাৰ্ষিক যোজনাৰ শেষৰ ফালে ভাৰতীয় উচ্চ শিক্ষাৰ মুঠ হাৰ (Gross Enrollment Ratio) প্ৰায় 15í আৰু চৰকাৰে 2020 চনলৈ GER 30í লৈ বৃদ্ধি কৰিবলৈ ধাৰ্য কৰিছে। ইয়াতে এইটো উল্লেখ কৰা উচিত যে  হৈছে বিদ্যালয়ৰ পৰ্যায়ৰ শিক্ষা শেষ কৰি উচ্চ শিক্ষাত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীৰ শতকৰা হাৰ। GER বঢ়াবলৈ চৰকাৰে বিভিন্ন উদ্যোগ হাতত লৈছে যাৰ বাবে উচ্চ শিক্ষাৰ ডেটাবেছ (শিক্ষানুষ্ঠান, ছাত্ৰ-ছাত্ৰী, শিক্ষকৰ সংখ্যা আদিৰ) সৈতে এখন প্ৰকৃত ছবি নীতি নিৰ্মাতাসকলক প্ৰয়োজন হ'ব। ব্যক্তিগতখণ্ডৰ উচ্চশিক্ষা অনুষ্ঠানসমূহ বৰ্তমান স্নাতক পৰ্যায়ৰ শিক্ষাৰ এক উল্লেখনীয় অংশীদাৰ আৰু ক্ৰমাগত বৰ্দ্ধিত দিশত। ব্যক্তিগতখণ্ডৰ উচ্চ শিক্ষা অনুষ্ঠানসমূহে বিশেষকৈ বৃত্তিগত (Professional) আৰু বানিজ্যিক প্ৰশাসন (Business Management) শিক্ষাতহে প্ৰসাৰ লাভ কৰিছে যদিও ইয়াৰ বৰ্তমান পৰিধি বাঢ়িছে। আৰু বহু ব্যক্তিগতখণ্ডৰ উচ্চ শিক্ষানুষ্ঠান অনাগত দিনত প্ৰতিষ্ঠা হ'ব আৰু অসমৰ উচ্চ শিক্ষাক এক উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰিব পাৰি। অৱশ্যে ব্যক্তিগতখণ্ডৰ উচ্চ শিক্ষানুষ্ঠানসমূহৰ মানদণ্ড, মাছুল আৰু প্ৰশাসনীয় বিষয়সমূহৰ নিয়ন্ত্ৰণ অপৰিহাৰ্য। যদি 2020 চনলৈ GER 30í লৈকে বঢ়াব লাগে তেন্তে উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত অভূতপূৰ্ব সাল-সলনি পৰিলক্ষিত হোৱাতো নিশ্চিত। এই সাল-সলনিত অৰ্থনৈতিক আৰু জনসংখ্যাৰ পৰিৱৰ্তনে ভূমিকা ল'ব। যোৱা দশকত যদিও অসমৰ উচ্চ শিক্ষাই এক বিশেষ উন্নতি লাভ কৰিছে এতিয়াও আমাৰ সন্মুখত বহু প্ৰত্যাহ্বান আছে যাৰ ভিতৰত চাৰিটা অতি গুৰুত্বপূৰ্ণ।

প্ৰথমটো হৈছে যোগান আৰু চাহিদাৰ মাজৰ বিসংগতি। ইয়াৰ অৰ্থ হ'ল আমাৰ দেশত উচ্চ শিক্ষাৰ প্ৰচুৰ চাহিদা অপূৰণীয় হৈ আছে। 2020 চনলৈ GER 30í লৈ 40 নিযুত ছাত্ৰ-ছাত্ৰীক পঢ়াৰ সুবিধা দিব লাগিব, তথা অহা 6 বছৰত উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত 14 নিযুত আসন বৃদ্ধি কৰিব লাগিব। যিটো অসম্ভৱ নহ'লেও অত্যন্ত কঠিন কাম।

দ্বিতীয় প্ৰত্যাহ্বান হৈছে আমাৰ উচ্চ শিক্ষাৰ শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ নিম্ন পৰ্যায়ৰ গুণগত মানদণ্ড। উচ্চ শিক্ষাৰ ক্ষেত্ৰখন চিৰকলীয়া সমস্যাসমূহ যেনে: উপযুক্ত শিক্ষকৰ অভাৱ, আওপুৰণি পাঠ্যক্ৰম, দায়িত্বহীনতা, অনিশ্চয়তা, গৱেষণা আৰু শিক্ষণৰ বিচ্ছিন্নতা আদিয়ে এনেদৰে আৱৰি আছে যে ইয়াৰ পৰিৱৰ্তন অতি কষ্টকৰ।

তৃতীয় প্ৰত্যাহ্বান হৈছে- গৱেষণা আৰু উদ্ভাৱনীয়তাৰ সীমাবদ্ধতা। PhDৰ নামভৰ্তিৰ হাৰ কম হোৱাৰ বাবে অসমত গৱেষকৰ সংখ্যা সীমিত। আনহাতে Interdiciplinary and multidisciplinary গৱেষণাৰ সা-সুবিধা কম। তাৰোপৰি উদ্যোগ জগতৰ লগত সংগতি ৰাখি কৰা ব্যৱহাৰিক গৱেশণা আৰু ইয়াৰ বানিজ্যিকীকৰণ আমাৰ ৰাজ্যত খুবেই কম পৰিমাণে হৈছে। দেশৰ উন্নতিৰ বাবে গৱেষণা আৰু উদ্যোগৰ মাজত এক সুদৃঢ় সম্পৰ্ক থকা অৰ্থনীতিৰ দিশৰ পৰা অত্যন্ত গুৰুত্বপূৰ্ণ।

ভৌগোলিক আৰু জনসাংখ্যিক দিশৰ পৰা অসমান বৃদ্ধি আৰু অসমানুপাতিক সবজলভ্যতা উচ্চ শিক্ষাৰ চতুৰ্থ প্ৰত্যাহ্বান।

অপ্ৰিয় সত য়ে অসমৰ তত্ত্বসৰ্বস্ব শিক্ষা ব্যৱস্থাই মানৱ সম্পদৰ বিকাশ সাধন কৰাতকৈ মানৱ সম্পদৰ অপচয় সাধন কৰা পৰিলক্ষিত হৈছে। ফলত আমি শিক্ষিত নিবনুৱা নামৰ এচাম মানৱ সম্পদ লাভ কৰিছো। ইয়াৰ অন্তৰালত বহুতো সমস্যা আছে যিবোৰে অসমৰ পটভূমিত উচ্চ শিক্ষা প্ৰকৃত লক্ষ্যত উপনীত হোৱাত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে। অসমৰ নিবনুৱা সমস্যা ইতিমধ্যে অসমৰ এটা অত্যন্ত ভয়াবহ আৰু জ্বলন্ত সমস্যা হিচাপে পৰিগণিত হৈছে। অতি দুৰ্ভাগ্যজনকভাৱে বিশ্ববিদ্যালয়ৰ ডিগ্ৰী লৈও এচাম শিক্ষাৰ্থী তথাকথিত শিক্ষিত নিবনুৱাৰ তালিকাখন শুৱনি কৰিব লগা হৈছে। ইয়াৰ মূল কাৰণ হ'ল অসমৰ উচ্চ শিক্ষা ব্যৱস্থাত প্ৰায়োগিক শিক্ষাৰ পাঠ্যক্ৰমৰ অভাৱ। প্ৰায়োগিক শিক্ষাৰ পাঠ্যক্ৰমৰ এই অনুপস্থিতিক অসমৰ শিক্ষা ব্যৱস্থাৰ চৰম দুৰ্বলতা তথা নেতিবাচক দিশ বুলি অভিহিত কৰিব পাৰি। দুৰ্ভাগ্যজনকভাৱে তত্ত্বসৰ্বস্ব অসমৰ উচ্চশিক্ষাত ভাল ফলাফল লাভ কৰিবলৈ এক প্ৰকাৰৰ যুদ্ধত অলতীৰ্ণ হৈ সংগ্ৰাম কৰি থাকোতে ছাত্ৰ-ছাত্ৰীসকলে বাস্তৱ পৃথিৱীখনৰ পৰা আঁতৰি থাকিবলৈ বাধ্য হয়। কিছুমান কামৰ কৰ্মপদ্ধতি আৰু কৌশল শিকি নোথোৱাৰ বাবে বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে স্ব-নিয়োজনৰ প্ৰচুৰ সমভাৱনা থকা সহজলভ্য ক্ষেত্ৰ একোখনো হেৰুৱাই পেলায়। অৱধাৰিতভাৱে অসমৰ শিক্ষা ব্যৱস্থাৰ ফচল হিচাপে নিবনুৱা সমস্যাৰ সৃষ্টিৰ ক্ষেত্ৰত আমাৰ দেশ তথা আমাৰ ৰাজ্যৰশিক্ষানীতি বহু পৰিমাণে দায়ী। আমাৰ দেশে স্বাধীনতাৰ যাঠি বছৰৰ পিছতো এক সুদৃঢ় জাতীয় শিক্ষামীতি গ্ৰহণ কৰিব পৰা নাই। ফলশ্ৰুতিত সমস্যা সাম্প্ৰতিক অসমৰ অন্যতম ভয়াৱহ সমস্যা হিচাপে ধৰা দিছে যি অসমৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰতো বিপুল সম্ভাৱনাৰ অপমৃত্যু ঘটাইছে।

অসমৰ উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ যি জুৰুলা অৱস্থা তাৰ ফলস্বৰূপে 'নাক'ৰ তথ্যত হতাশাজনক ছবিহে প্ৰকাশিত হৈছে। প্ৰয়োজন অনুপাতে উচ্চ শিক্ষানুষ্ঠানৰ অভাৱৰ বাবে প্ৰতি বছৰে বৃহৎ সংখ্যক উচ্চ শিক্ষা প্ৰত্যাশী শিক্ষাৰ্থীৰ বহিঃৰাজ্যলৈ বহিৰ্গমণ ঘটাৰ লগতে বহুতৰউচ্চ শিক্ষাৰ অভীস্পা মনতে মৰহি যায়। অসমৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনবৰ দুৰ্বল হোৱাৰ বাবে প্ৰয়োজন অনুপাতে উচ্চ শিক্ষিত ব্যক্তি গঢ়াত ৰাজ্যখন সফল হ'ব পৰা নাই। আনহাতে, 'নাক'ৰ দ্বাৰা স্বীকৃতি লাভ কৰা মহাবিদ্যালয়ৰ ক্ষেত্ৰত এই ছবিখন অধিক দুখ লগা। বিভিন্ন পৰ্যায়ৰ উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ পৰিসংখ্যা লক্ষ্য কৰিলেই এই কথা পৰিস্কাৰ হয়। অসমত বৰ্তমান মহাবিদ্যালয় 513 খন। ইয়াৰে 343 খন স্নাতক পৰ্যায়ৰ মহাবিদ্যালয়। ইয়াৰে আকৌ 8 খন চৰকাৰী, 292 খন প্ৰাদেশীকৃত আৰু 23 খন ব্যক্তিগত মহাবিদ্যালয়। আনহাতে, এই সংখ্যাৰ ভিতৰত 1 খন চৰকাৰী স্নাতক পৰ্যায়ৰ মহাবিদ্যালয়, 120 খন প্ৰাদেশীকৃত স্নাতক মহাবিদ্যালয় 'নাক'ৰ দ্বাৰা স্বীকৃত। চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ অভিযান্ত্ৰিক মহাবিদ্যালয় 11 খন। পৰিতাপৰ কথা হ'ল এখনো অভিযান্ত্ৰিক মহাবিদ্যালয়ে 'নাক'ৰ স্বীকৃতি লাভ কৰা নাই। অসমৰ 21 খনৰ এখনো 'নাক'ৰ স্বীকৃত নহয়। চৰকাৰী-বেচৰকাৰী 21 খন আইন মহাবিদ্যালয়ৰ 1 খনহে 'নাক'ৰ দ্বাৰা স্বীকৃত। ব্যক্তিগতখণ্ডৰ 1 খন বি এড মহাবিদ্যালয় 'নাক'ৰ স্বীকৃত। অসমৰ 1 খন কেন্দ্ৰীয় আৰু 2 খন ৰাজ্যিক বিশ্ববিদ্যালয় 'নাক'ৰ এ' গ্ৰেড লাভ কৰিছে। এ'ÙÂ, এ'ÙÂÙÂ এখনো মহাবিদ্যালয় নাই। 13 খন মহাবিদ্যালয়ে এ' গ্ৰেড লাভ কৰিছে। মাত্ৰ 16 খন উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানে এ' গ্ৰে লাভ কৰিছে। এই হতাশজনক প্ৰসিস্থতিৰ পৰিৱৰ্তন কৰা প্ৰয়োজন।

কিন্তু নতুন শিক্ষানীতিৰ প্ৰভাৱে হয়তো অসমৰ উচ্চশিক্ষাৰ স্থান সলনি কৰিব। ইতিমধ্যেই ড⁰ কস্তুৰী ৰংগনৰ অধ্যক্ষতাৰ কমিটিয়ে নতুন খচৰা ৰাষ্ট্ৰীয় শিক্ষা নীতি- 2019, মানৱ সম্পদ উন্নয়ন বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী ৰমেশ পোখৰিয়াল নিশাংকৰ হাতত অৰ্পণ কৰে। নতুন শিক্ষানীতিত পূৰ্বৰ 12ÙÂ2 বৰ্ষৰ বিলুপ্তি ঘটাই প্ৰৱৰ্ত্তন কৰা হ'ব 5ÙÂ3ÙÂ3ÙÂ4 শিক্ষা বৰ্ষ। উচ্চ মাধ্যমিকৰ মাধ্যমিকৰ সৈতে একত্ৰিত কৰা হ'ব। নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ মুঠ

১ পৃষ্ঠাৰ পৰা

# আহোম সাম্ৰাজ্যৰ বেলি মাৰযোৱা যোৰহাট . . .

ৰংপুৰত উপস্থিত হ'লহি। মোৱামৰীয়াক দমন কৰি গৌৰীনাথ সিংহক নিজৰ হেৰোৱা ৰাজ্য অৰ্পণ কৰি কেপ্টেইন ৱেলছ পুনৰ বংগলৈ গ'লগৈ।

ৰং-ঋপেৰে ভৰপূৰ ৰংপুৰ মোৱামৰীয়াই চেদেলি-ভেদেলি কৰি যোৱাত স্বৰ্গদেৱে ৰংপুৰৰ পৰা ৰাজধানী স্থানান্তৰ কৰিবলৈ প্ৰধানমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁইক নিৰ্দেশ দিয়ে। বুঢ়াগোহাঁয়েও উপযুক্ত স্থান বিচাৰি 1794 চনৰ জুলাই-আগষ্ট মাহত যোৰহাটলৈ ৰাজধানী তুলি আনে। এই ঘটনাৰ প্ৰায় 7 বছৰ আগতে বুঢ়াগোহাঁয়ে দিচৈ (বৰ্তমান ভোগদৈ)ৰ দুইকাষে দুটা কোঠ মাৰি মোৱামৰীয়াক ভেটিছিল। দিচৈকোষত এটা কোঠ আছিল আৰু আনটো আছিল নাওবৈচাৰ ওচৰত। এই 'কোঠ' শব্দৰ পৰাই মুখ বাগৰি কালক্ৰমত 'কোষ' শব্দ হ'ল। এই দুই কোঠৰ বাবে সেই সময়ত এই ঠাইখনক 'যোৰ কোঠ' বুলিছিল। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে সেই সময়ত দিচৈৰ পাৰৰ পথৰ দাঁতিত মাছ বেচা-কিনাৰ বাবে এখন হাট আছিল। এই হাটখন চলাইছিল পৰ্বতীয়া ফুকনে। বৰ্তমান মাছৰ হাট নামৰ ঠাইখন তাৰেই সম্প্ৰসাৰণ মাথোঁ। সেই সময়ত দিচৈৰ দক্ষিণ পাৰে এখন তালাচী চকী আছিল আৰু এই চকীৰ কাষতেও এখন হাট বহিছিল। চকীৰ কাষতেই বহা বাবে হাটখনক 'চকীহাট' বুলিছিল। এই হাটখন ৰাইডঙ্গীয়া ফুকনে চলাইছিল বুলি মণিৰাম দেৱানৰ লেখাত উল্লেখ আছে। এই দুখন হাট যোৰপাতি থকাৰ বাবে ঠাইখনৰ নাম 'যোৰহাট' হ'ল বুলি আজিও সকলোৱে মানি ল'ব খোজে। সময়ৰ সোঁতত এই ঠাইখনৰ আৰ্থ-সামাজিক, শিক্ষা-সাংস্কৃতিকে ধৰি জনসংখ্যা বৃদ্ধিৰ ফলত প্ৰসিদ্ধ হৈ পৰিছিল। আজিৰ এই যোৰহাট নগৰে 1994 চনত দুশ বছৰ অতিক্ৰম কৰিলে। শিক্ষা-সংস্কৃতিৰে আগবঢ়া জনসাধাৰণেও কেইজনমান ব্যক্তিৰ নিৰলস প্ৰচেষ্টাত মহাকালৰ বুকুত নিঃশিচহ্ন হৈ যাব খোজা দুশ বছৰীয়া ইতিহাস উদঘাটন কৰি যোৰহাটবাসীক সজীৱ কৰি তুলিবৰ বাবে সেয়েহে মহাপয়োভৰে দুশ বছৰীয়া জয়ন্তী উদ্‌যাপন কৰিলে।

পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে যোৰহাটলৈ ৰাজধানী তুলি আনিছিল যদিও নগৰ পতাৰ কাম কিন্তু স্বৰ্গদেউ কমলেশ্বৰ সিংহৰ দিনৰ পৰাহে আৰম্ভ হৈছিল। ইয়াৰ আগলৈকে অকল 'যোৰহাট' নামটোহে উল্লেখ পোৱা যায়; 'নগৰ'ৰ কথা উল্লেখ নাই। তেতিয়া যোৰহাট নগৰো সিমান ডাঙৰ নাছিল। যোৰহাটৰ চাৰিসীমা দীঘলে আঠ মাইল আৰু বহলে ছমাইল আছিল। এই চাৰিসীমা পশ্চিমে ধলি নদী আৰু দক্ষিণে চেউনি আলিলৈকে সীমা থকা যোৰহাটত তেতিয়া দক্ষিণ যোৰহাট অঞ্চল অন্তৰ্ভুক্ত হোৱা নাছিল। কমলেশ্বৰ সিংহৰ দিনতহে গড়আলি নিৰ্মাণ কৰি দক্ষিণ যোৰহাটক অন্তৰ্ভুক্ত কৰিছিল। যোৰহাট নগৰৰ মাজেদি পাৰ হৈ যোৱা চেউনি আলিটো সজাৰ আগতে কাছাৰী ঘৰ আৰু ভোগদৈৰ মাজৰ ঠাইকণ খেতি পথাৰৰ আছিল বুলি জনা যায়। তেতিয়া এই পথাৰৰ নাম আছিল 'বচা পথাৰ'। বচা পথাৰৰ ধান সকলো পথাৰতকৈ বাছকবনীয়া আছিল। সেই সময়ত স্বৰ্গদেউসকলে সকলো পথাৰৰ ধানৰ চাউলেৰে ভাত খোৱা নাছিল। স্বৰ্গদেউসকলে এই বচা পথাৰৰ লগতে ৰহঢলা পথাৰ আৰু জকাই পথাৰৰ ধানৰ চাউলেৰে ভাত খাইছিল বুলি জনা যায়। বৰ্তমান যোৰহাট নগৰৰ মাজমজিয়াত থকা 'বিষ্ণুৰাম বৰুৱা হস্পিতাল' থকা ঠাইখনেই তাহানিৰ 'বচা পথাৰ' আছিল। সেই ঠাইতে পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে 'যোৰ কোঠ'ৰ পৰা উজাই আহি 'নবাহৰ' সজাই 'ন-নগৰ' নাম দি স্বৰ্গদেউৰ পাটঘৰ, হোলোংঘৰ, বৰচ'ৰা আদি সজাইছিল। তাৰ ভগ্নাৱশেষ অৱশ্যে এতিয়াও দেখিবলৈ পোৱা যায়। বিষ্ণুৰাম বৰুৱা হস্পিতালৰ চেউনি আলি ফালৰ চক বজাৰৰ কাষৰ চুকটোত এতিয়াও ইটাৰে নিৰ্মিত জহি-খহি গছ-বন গজি থকা এখন দুৱাৰ দেখিবলৈ পোৱা যায়। ফুটপাথৰ ওপৰত ঘুমটি দোকান সাজোতে দোকানীয়ে কিছু অংশ ক্ষয় কৰিছে আৰু এই দোকানবোৰে জনসাধাৰণৰ চকুৰ পৰা আঁতৰাই ৰাখিছে। পুৰাতাত্ত্বিক বিভাগেও আৰু প্ৰশাসনেও সংৰক্ষণৰ চকু দিয়া দেখা নগ'ল। দুশ বছৰীয়া জয়ন্তীৰ দীৰ্ঘম্যাদি কাৰ্য্যকালত সংৰক্ষণৰ ব্যৱস্থা কৰিব বুলি উনুকিয়াই থ'লোঁ। এই কীৰ্তিচিহ্নবোৰ সংৰক্ষণ কৰিব পৰা হ'লে দুশ বছৰীয়া ঐতিহাসিক যোৰহাটৰ আৰু উজ্জ্বলতা বাঢ়িলহেঁতেন। পৰ্য্যটনৰো আকৰ্ষণীয় বস্তু হ'লহেঁতেন।(বৰ্তমান অৱশ্যে নামমাত্ৰ এখন তোৰণ নিৰ্মাণ কৰে যদিও ই পূৰ্বৰ আৰ্হিৰ গুণ অটুত নাথাকিল।

জগন্নাথ বৰুৱা কলেজতেই বৰপাত্ৰৰ কুটীৰ আছিল। সেই অনুসৰি জগন্নাথ বৰুৱা কলেজৰ মূল ভৱনৰ নাম বৰপাত্ৰ কুটীৰ ৰাখিছে। স্বৰ্গদেউৰ ৰাজকাৰেং থকা বিষ্ণুৰাম বৰুৱা চিকিৎসালয়ৰ আশে-পাশেই তামূলী ফুকন আৰু বেজবৰুৱাৰ বাসগৃহ থকাৰ উমান পোৱা যায়। কোনো কোনোৰ মতে শংকৰদেৱ চেমিনাৰীৰ সম্মুখত থকা পুখুৰীৰ পাৰত তামূলী ফুকনৰ বাসগৃহ আছিল।

পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে যদিও বচা পথাৰত 'ন-নগৰ' সজাইছিল কিন্তু এই নগৰৰ স্থায়ী সীমা ক'লৈকে আছিল তাৰ সঠিক হিচাপ পোৱা নাযায়। বেণুধৰ শৰ্মাৰ লেখাত অলপ উল্লেখ আছে যদিও সেয়া যথেষ্ট নহয়। তেতিয়া যাতায়াত-যোগাযোগৰ ক্ষেত্ৰত চেউনি আলি, ন-আলি, কমাৰবন্ধা আলিৰ কথাহে উল্লেখ কৰিব পাৰি।

চন্দ্ৰকান্ত সিংহৰ মাতৃ নুমলী ৰাজমাৱে নতুনকৈ পতা যোৰহাট নগৰত বৰ্তমান 'ৰাজমাও পুখুৰী' নামেৰে নামাংকৃত পুখুৰীটো খন্দাইছিল। তেতিয়া অৱশ্যে এই পুখুৰীটোৰ নাম আছিল 'বিষ্ণুসাগৰ'। কিয়নো ইয়াৰ পাৰতে 'বুঢ়ী গোসাঁনী'ৰ 'দেৱাল' সজায় 'বুঢ়ী গোসাঁনী'ৰ প্ৰতিমা প্ৰতিষ্ঠা কৰে। বুঢ়ী গোসাঁনীৰ এই সোণৰ প্ৰতিমাখন জয়ন্তীয়া ৰজাই দান কৰিছিল। বুঢ়ী গোসাঁনী নামৰো অৰ্থ আছে, বুঢ়ী নদীৰ পাৰত এই প্ৰতিমা প্ৰথমে স্থাপন কৰিছিল বাবে দেৱালৰ নাম 'বুঢ়ী গোসাঁনী দেৱাল'। বিষ্ণুসাগৰৰ পাৰত স্থাপন কৰা এই বুঢ়ী গোসাঁনী দেৱালৰ বাবে ৰাধাকান্ত ফুকনে ব্ৰিটিছ চৰকাৰক খাটি-লুটি 1913 চনত গড়আলিৰ কাষৰ বৰ্তমানৰ স্থানত পুনৰ স্থাপন কৰে।

কমলেশ্বৰ সিংহৰ দিনত আগৰ 'যোৰহাট' গুচি 'যোৰহাট নগৰ' হ'ল যদিও কিন্তু নগৰ হিচাপে সিমান উন্নতি হোৱা নাছিল। ইয়াৰ মূল কাৰণ ৰাজবিষয়া-মন্ত্ৰীৰ মাজত দেখা দিয়া গৃহ কন্দল। অন্যহাতে মানৰ আক্ৰমণেও উন্নতিত হেঙাৰ হৈ থিয় দিছিল।

ব্ৰিটিছৰ শাসনে ভাৰতীয় মানুহক অতীষ্ঠ কৰিলেও ব্ৰিটিছৰ দিনতেই ভাৰত তথা অসমৰো যথেষ্ট উন্নতি হ'ল। যোৰহাটৰ ক্ষেত্ৰতো ইয়াৰ অৱদান কম নহয়। ব্ৰিটিছ শাসনৰ পৰাহে যোৰহাট প্ৰকৃত নগৰমুখী হ'ল। ব্ৰোডি চাহাবে (1839] শিৱসাগৰ জিলাৰ (বৰ্তমান যোৰহাট জিলা শিৱসাগৰ জিলাত অন্তৰ্ভুক্ত) শাসনকৰ্তা হিচাপে যোগ দি এই দুই নগৰৰ উন্নতিৰ কথা চিন্তা কৰিছিল।

1876 চনৰ 'বেংগল মিউনিচিপেল আইন' প্ৰয়োগ কৰাৰ আগতে যোৰহাট নগৰত 'নগৰ উন্নয়ন সভা' পাতি এই সভাই খোৱাপানী, হাট-বজাৰকে ধৰি দুই-এটা সৰু সৰু কাম কৰিছিল। ইয়াৰ পাছত 'ইউনিয় ব'ৰ্ড' গঠন হোৱাত আৰু অলপ উন্নতিৰ পথ সুগম হ'ল বুলি জনা যায়। নগৰৰ দোকান-বজাৰৰ বাবে ৰাস্তা-পদূলিৰ সিমান উন্নতি হোৱা নাছিল। ইউনিয়ন ব'ৰ্ডে ৰাস্তাবোৰত শিলগুটি পেলাই মেটলিং কৰিছিল। লাহে লাহে পকীঘৰ, কাছাৰীঘৰ, ৰেলগাড়ী আদি চলাত যোৰহটীয়া ৰাইজে নগৰীয়া জীৱনৰ সুবিধা পাবলৈ ধৰিলে।

1914 চনত যোৰহাটত কাছাৰী ঘৰ নিৰ্মাণ হয়। এই কাছাৰী ঘৰ বৰ্তমান বাল্যভৱন বিদ্যালয় থকা ঠাইত আছিল বুলি জনা যায়। 1883 চনত যোৰহাটত পোন প্ৰথমে চৰকাৰী হাইস্কুল প্ৰতিষ্ঠা হয়। দ্বিতীয়খন বিদ্যালয় (বেচৰকাৰী) প্ৰতিষ্ঠা কৰে গোবিন্দ বেজবৰুৱাই।

যোৰহাট নগৰৰ উন্নতিৰ ক্ষেত্ৰত জগন্নাথ বৰুৱাৰ উদ্যোগত গঢ়ি উঠা সাৰ্বজনীন সভাৰ অৱিহণাও কম নহয়। সাৰ্বজনীন সভাই সোনকালে ৰেলপথ সাজিবলৈ যোৰহাটলৈ লৰ্ড কাৰ্জন আহোঁতে স্মাৰকপত্ৰ দাখিল কৰিছিল। 1909 চনত যেতিয়া যোৰহাটত পৌৰসভা গঠন হ'ল সেই সময়ত মহকুমাধিপতি আছিল এন ই পেৰী। তেওঁ এজন বৰ উদ্যোগী ব্যক্তি আছিল। তেওঁ নগৰখনৰ শোভাবৰ্দ্ধনৰ লগতে বায়ু প্ৰদূষণৰ কথা চিন্তা কৰি ৰাস্তাৰ দাঁতিত ঠায়ে ঠায়ে গছ-গছনি ৰুইছিল। নগৰখন পৰিষ্কাৰ কৰি ৰাখিবলৈ আৰু পোহৰৰ ব্যৱস্থা কৰিছিল। 1912 চনত যোৰহাট সদৰ স্থাপন হোৱাত এ-প্লেফেয়াৰৰ সহযোগত পেৰী চাহাবে নগৰৰ আৰু এখোপ উন্নতিৰ কথা চিন্তা কৰিবলৈ সুবিধা পালে। বৰ্তমানৰ কাছাৰী খেলপথাৰ তেৱেঁই নিৰ্মাণ কৰিছিল। আনকি ৰাস্তাৰ দাঁতিত থকা লেম্প পোষ্টৰ ঠাইত বিজুলী বাতিৰ ব্যৱস্থা কৰিছিল। বিজুলীৰ পোহৰে আহোম সাম্ৰাজ্য শেষ ৰাজধানীৰ আৰু দুগুণ উজ্জ্বলতা বঢ়ালে। উল্লেখযোগ্য যে এই বিজুলী ব্যৱস্থা শ্বিলঙৰ পাছতেই যোৰহাটত হৈছিল। তিনিকোণীয়া পুখুৰী খন্দাই খোৱাপানীৰ সু-বন্দোৱস্তি কৰিছিল। শুনা যায় এই পুখুৰী খন্দা মাটি আনি যোৰহাটত ষ্টেডিয়ামৰ চাৰিওফালে গড় নিৰ্মাণ কৰিছিল।

1884 চনত যোৰহাটত ৰেলপথ নিৰ্মাণ হয়। ৰেলপথ নিৰ্মাণে যোৰহাটৰ যাতায়াত -যোগযোগ ব্যৱস্থাৰ আমোল পৰিৱৰ্তন ঘটালে। ব্ৰিটিছে যোৰহাট ষ্টেছনৰ পৰা পটিয়া-বড়িগাঁৱৰ মাজেৰে নিমাতিলৈ আৰু চেনিমৰা জংছনৰ পৰা মৰিয়নিলৈ Jorhat Provincial Railway(JPR) সজাইছিল। পোন প্ৰথমে ধলি নদীৰ পৰা তিতাবৰলৈ ৰেলপথ নিৰ্মাণ কৰিছিল। সেই সময়ত যোৰহাট-নিমাতিৰ মাজত চলা ৰেলে যোৰহাটবাসীৰ যাতায়াতৰ ক্ষেত্ৰত সহায় কৰিছিল যদিও মূলতঃ ব্ৰিটিছসকলে বাগানৰ বনুৱা আৰু নিজ দেশৰ পৰা জাহাজেৰে অহা বস্তু-বাহানি আনিবলৈ সুবিধা কৰি লৈছিল। যোৰহাট-নিমাতিৰ মাজত চলাচল কৰা ৰেল বৰ্তমান বন্ধ হ'ল যদিও ৰেলপথৰ অৱশিষ্ট এতিয়াও আছে। ব্ৰিটিছসকল অহাৰ আগলৈকে যোৰহাটৰ বাট-পথবোৰ কেঁচা আছিল। ব্ৰিটিছে আমোদ-প্ৰমোদৰ বাবে খেল মাটিত জিমখানা ক্লাব প্ৰতিষ্ঠা কৰি ন-আলিৰ পৰা খেলমাটি ক্লাবলৈকে পথ পকী কৰিছিল। এইছোৱাই আছিল যোৰহাটৰ প্ৰথম পকী পথ।

যোৰহাটত সভা-সমিতি পাতিবলৈ বা মুকলিমূৰীয়াকৈ গোট খাবলৈ সেই সময়ত কোনো ৰাজহুৱা হলঘৰ বা ষ্টেজ নথকাত পিতৃৰ স্মৃতি যুগমীয়া কৰি যোৰহাটবাসীৰ উপকাৰত অহাকৈ 1913 চনত ৰায় বাহাদুৰ শিৱ প্ৰসাদ বৰুৱাই 'বিষ্ণুৰাম বৰুৱা হল' নিৰ্মাণ কৰিছিল। হলটোত প্ৰায় তিনিশখন চকী আছে। শুনা যায় জিলা পুথিভঁৰাল নিৰ্মাণ হোৱাৰ আগতে এই হলটোতেই যোৰহাটৰ প্ৰথমটো ৰাজহুৱা হল আছিল। কিন্তু দ্বিতীয় মহাসমৰৰ সময়ত সৈন্যবাহিনীয়ে চাউনি পতাত পুথিভঁৰালটো স্থানান্তৰ কৰা হয়। কোনো কোনোৰ মতে বৰ্তমানৰ বাৰ লাইব্ৰেৰিলৈ স্থানান্তৰ কৰা হয়। পিছে তাৰ এতিয়া কোনো চিন-চাব নাই। দুৰ্ভাগ্য যে 1913 চনতেই স্থাপিত, 106 বছৰীয়া ঐতিহ্যমণ্ডিত ভৱনটোৰ বৰ্তমান অৱস্থা একেবাৰেই শোচনীয়। এটা সময় আছিল 'বিষ্ণুৰাম বৰুৱা ভৱন'ৰ নাম নুশুনা মানুহ হয়তো অসমতেই নাছিল। নগৰৰ মাজমজিয়াত সুন্দৰকৈ জোঙা মূধচেৰে সজা টিঙৰ ঘৰটোৱে আজিও যোৰহাট নগৰক গৌৰৱান্বিত কৰি ৰাখিছে। দুখৰ কথা যে যোৱা 106 বছৰ সগৌৰৱেৰে যোৰহাটবাসীক সেৱা আগবঢ়োৱা এই ঐতিহ্যমণ্ডিত ভৱনটোৱে শতায়ু গৰকাৰ পাছতো ঐতিহ্যৰ মূল নুবুজা যোৰহাটৰ প্ৰশাসন আৰু ৰাইজে সন্মান জনোৱাটো বাদেই চুণ-তেল অকনো ঘঁহি নতুনত্ব দান কৰিব নোবাৰিলে। সন্মান নজনালে ৰায়বাহাদুৰ বিষ্ণুৰাম বৰুৱাক আৰু ৰায়বাহাদুৰ শিৱপ্ৰসাদ বৰুৱাৰ বদান্যতাক। কেৱল ই খীৰটি গাই দৰে হৈ আছে যোৰহাট প্ৰশাসনৰ।

যোৰহাটৰ অতীত গৌৰৱ সঁচাকৈ মনোৰম। এইখন যোৰহাট নগৰতেই স্বাধীনতা সংগ্ৰামৰ প্ৰথম শ্বহীদ মণিৰাম দেৱানক 1858 চনৰ 26 ফেব্ৰুৱাৰিত টোকোলাই নদীৰ পাৰত ব্ৰিটিছক খেদিবলৈ ষড়যন্ত্ৰ কৰা বুলি অভিযোগ আনি ফাঁচী দিছিল। এইখন যোৰহাটতেই পিয়লী বৰুৱা আৰু কমলা মিৰিকো ফাঁচী দিছিল। সংৰক্ষণৰ অভাৱত এই ফাঁচী কাঠৰো চিন-চাব নাই। যোৰহাটতেই পোনপ্ৰথমে 1930 চনত তুলশী নাৰায়ণ শৰ্মাৰ নেতৃত্বত কেইজনমান চিন্তাশীল ব্যক্তিৰ সহযোগত 'যোৰহাট কলেজ' স্থাপন কৰে। পাছত এই 'যোৰহাট কলেজ' জগন্নাথ বৰুৱা কলেজ নামেৰে নামকৰণ কৰা হয়। জগন্নাথ বৰুৱাৰ বাহৰ 'বৰপাত্ৰ' কুটীৰতেই এই কলেজ প্ৰতিষ্ঠা হয়। অসমৰ ভিতৰতে এইখনেই প্ৰথম বেচৰকাৰী কলেজ আৰু অসমৰ দ্বিতীয় কলেজ। যোৰহাট নগৰৰ পৰাই পোন প্ৰথমে অসমৰ প্ৰথম দৈনিক বাতৰি কাকত 'দৈনিক বাতৰি' ৰায়বাহাদুৰ শিৱপ্ৰসাদ বৰুৱাই প্ৰকাশ কৰিছিল ঠেঙাল ভৱনৰ পৰা।

যোৰহাট আহোমৰ শেষ ৰাজধানী আছিল যদিও আহোম স্বৰ্গদেউসকলে যোৰহাটত কোনো যাউতিযুগীয়া কীৰ্তিচিহ্ন ৰাখি যাব নোৱাৰিলে, যিটোৱে আহোম সাম্ৰাজ্যৰ যুগমীয়া সাক্ষী দিব পাৰিলেহেঁতেন। অৱশ্যে স্বৰ্গদেউ পুৰন্দৰ সিংহ আৰু কামেশ্বৰ সিংহৰ মৈদামে তাৰ সাক্ষী দিয়ে। তদুপৰি শিৱসিংহই সজোৱা 'গৰখীয়া দ'ল' আৰু কেইটামান পুখুৰী আজিও জিলিকি আছে। 1815 চনত মাছৰহাটত প্ৰধানমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ মৈদাম সজাইছিল; কিন্তু ব্ৰিটিছে এই মৈদামটো খান্দি মৃতকৰ লগত দিয়া বস্তুবোৰ উলিয়াই নিয়াত তাৰ সঠিক চিন-চাব দেখা নাযায়। এই দুই-এপদ কীৰ্তিচিহ্নই আহোম সাম্ৰাজ্যৰ শেষ ৰাজধানী থকাৰ কথা মনত পেলাই থাকিব। সকলোৱে স্বীকাৰ কৰিবই লাগিব পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে যোৰহাটলৈ ৰাজধানী স্থানান্তৰ নকৰাহ'লে হয়তো যোৰহাটে আজিৰ এই অৱস্থা নাপালেহেঁতেন।

যোৰহাট এখন জুৰণিৰ ঠাই। যোৰহাট বৰ্তমান গৰিমামণ্ডিত টোকোলাই চাহ গৱেষণা কেন্দ্ৰ, অসম কৃষিবিশ্ববিদ্যালয়, আঞ্চলিক গৱেষণাগাৰ, অভিযান্ত্ৰিক মহাবিদ্যালয়, মহিলা বিশ্বদ্যিালয়, কাজিৰঙা বিশ্ববিদ্যালয়, প্ৰিন্সছ অৱ ৱেলছ, জগন্নাথ মহাবিদ্যালয়, অসম সাহিত্য সভাৰ মুখ্য কাৰ্য্যাল,অসমৰ প্ৰথমগৰাকী অভিধানিক জাদুৰাম ডেকাবৰুৱা আৰু পণ্ডিতপ্ৰৱৰ কৃষ্ণকান্ত সন্দিৰ স্মৃতি বিজৰিত বাসভৱন আদিৰেহে। যোৰহাট মহানগৰৰ মাজমজিয়াত থকা ব্ৰিটিছ ৰাজে নিৰ্মাণ কৰা ৰঙা কাছাৰী ঘৰটোৱে অৱশ্যে আজিও সোঁৱাই দিয়ে ব্ৰিটিছ শাসনৰ কথা। নগৰৰ মাজেদি বৈ যোৱা ভোগদৈয়ে কয় বহু পৌৰাণিক কাহিনী- ইতিহাস। আমিও গৌৰৱ কৰো ঐতিহ্যমণ্ডিত ঠাই বুলি। পিছে কোৱাৰ সাহস নাই পৰিষ্কাৰ-পৰিচ্ছন্ন মহানগৰ বুলি। হ'লেও যোৰহাট মোৰ প্ৰিয় ঠাই।

*ঠিকনাঃ মৌচাক, সহযোগী সম্পাদক, যোৰহাট, ফোন- 8011418796*

## গ্ৰন্থ পৰিচিতি

❑ লব কুমাৰ দত্ত

### এখন অনুপম অভিনন্দন গ্ৰন্থ ঃ অন্বেষণৰ পল অনুপল

*-ভূষণজ্যোতি সন্দিকৈ, যাদৱ গগৈ*




এখন অতি মূল্যবান তথা পথিকৃৎ অভিনন্দন গ্ৰন্থ। নাম অন্বেষণৰ পল-অনুপল। সম্পাদনা সৰ্বশ্ৰী ভূষণজ্যোতি সন্দিকৈ আৰু যাদৱ গগৈৰ। মুঠ ৪২৪ পৃষ্ঠাৰ অসমীয়া আৰু ইংৰাজীৰ ক্ৰমে ৭০ টা আৰু ২৮ টা প্ৰবন্ধৰ সংকলনখন অসমীয়া জীৱনী সাহিত্যৰ ক্ষেত্ৰখনলৈ এক অনবদ্য অৱদান। মূল্য ৩৫০ টকা।

একোখন অভিনন্দন গ্ৰন্থত স্বাভাৱিকতে একোগৰাকী ব্যক্তিৰ জীৱন দৰ্শন প্ৰতিফলিত হয়। তাৰ লগতে প্ৰতিফলন ঘটে সেই সময়ৰ সমাজ ব্যৱস্থা, সামাজিক বাতাবৰণ, পৰিস্থিতি পৰিবেশ আৰু ব্যক্তি গৰাকীৰ জীৱনৰ ঘাত-প্ৰতিঘাতৰ মাজেৰে ভৱিষ্যৎ উত্তৰণ। সময়ত এই সকলোবোৰ লৈয়ে গুণীসকলে সেই কৰ্ম আৰু জীৱন দৰ্শন সমূহৰ মূল্যায়ণ কৰে। গুণীয়েহে গুণীৰ মূল বুজি পায়। এনে এখিনি গুণী লোকৰ প্ৰচেষ্টাত প্ৰকাশ পোৱা 'অন্বেষণৰ পল-অনুপল' গ্ৰন্থখনত বৰ্ণিত হৈছে অসমৰ এগৰাকী প্ৰসিদ্ধ ইতিহাসবিদ ড° সৃষ্টিধৰ দত্তদেৱৰ জীৱন দৰ্শন। বোকাপানী গছকি উদ্ভাসিত হোৱা প্ৰতিভা ড° সৃষ্টিধৰ দত্ত। আৰ্থিক দৈন্যতাৰ দোহাই দি জীৱনত সংগ্ৰাম নকৰা ব্যক্তি বিশেষৰ বাবে এই অভিনন্দন গ্ৰন্থখন হ'ব পাৰে অনুপ্ৰেৰণাৰ উৎস। গ্ৰন্থখনৰ প্ৰকাশৰ সাৰ্থকতা ও তাতেই প্ৰতিফলিত হৈছে। অৱশ্যে এনে এখন গ্ৰন্থৰ বিশ্লেষণ কৰিবৰ বাবে আমাৰ দৰে অল্পমতিৰ জ্ঞানৰ পৰিধি তেনেই সীমিত। তথাপিতো সম্পাদকীয় শিতানৰ আঁত ধৰিয়ে যৎকিঞ্চিৎ আমাৰ হৃদয়ৰ অনুভৱ ব্যক্ত কৰিব বিচাৰিছোঁ।

সম্পাদকদ্বয়ে পাঁচ নম্বৰ দফাটোত ড° সৃষ্টিধৰ দত্ত দেৱৰ সম্পৰ্কত উল্লেখ কৰিছে যে-'জীৱনৰ মহাৰ্ঘ সময় তিলতিলকৈ বিনিয়োগ কৰি তেওঁ জনমানসত গঢ়ি তুলিছে আত্মমূৰ্ত্তি। ছাত্ৰ অৱস্থাতেই প্ৰয়োজনত ঘৰুৱা অনাটন জোৰা মাৰিবৰ বাবে স্থানীয় দেওবৰীয়া বজাৰত তেওঁ উপবিষ্ট হৈছে পাচলি বিক্ৰেতা ৰূপত। প্ৰয়োজনত আকৌ ঘৰুৱা টিউচনৰ পইচাৰে নিজৰ পঢ়াৰ খৰছ উলিয়াইছে। দৈনিক ৪০ কিঃমিঃ আনৰ পৰা চাইকেল ধাৰলৈ লৈ অহা-যোৱা কৰি মহাবিদ্যালয়ৰ শিক্ষা আহৰণ কৰিছে। মাত্ৰ ৭৫ টকা চৰকাৰী জলপানি লৈ বিশ্ববিদ্যালয়ৰ শিক্ষা গ্ৰহণ কৰিছে। তেনেবোৰ অভিজ্ঞতাই তেওঁক জীৱন-যুঁজৰ শিক্ষা দিছে, পৰিপক্ক সৈনিক হিচাবে গঢ়ি তুলিছে, মানুহ কৰিছে; ব্যক্তিৰ পৰা ব্যক্তিত্বলৈ উত্তৰণ ঘটাইছে। জীৱন যুঁজৰ সৈনিক হিচাবে তেওঁ প্ৰমাণ কৰি দেখুৱালে যে মনৰ যদি দৃঢ়তা থাকে, লক্ষ্য যদি অব্যৰ্থ হয় বিফলতাই কেতিয়াও সফলতাৰ গতি ৰুদ্ধ কৰিব নোৱাৰে। জীৱন যুঁজৰ তেওঁ এজন বিজয়ী সৈনিকৰ জীৱন্ত প্ৰতিভূ।' অপৰিমেয় সদিচ্ছাৰে' গ্ৰন্থখনৰ প্ৰথম প্ৰৱন্ধটোতে ড° সৃষ্টিধৰ দত্তদেৱৰ আত্মজীৱনীসম লেখনিৰে অসমৰ এগৰাকী বিদগ্ধ পণ্ডিত অসম সত্ৰ মহাসভাৰ প্ৰাক্তন সভাপতি শ্ৰীশ্ৰীজকাই সত্ৰৰ সত্ৰাধিকাৰ ভদ্ৰকৃষ্ণ গোস্বামীদেৱে (বৰ্তমান প্ৰয়াত) কথা কবিতাৰ ভাৱনাৰে ব্যক্তি গৰাকীৰ ল'ৰালি কালৰ পৰা বৰ্তমান অৱস্থালৈকে একোখন জীৱন্ত ছবি পাঠকৰ সন্মুখত দাঙি ধৰিছে। এক কথাত ক'বলৈ গ'লে এইটো প্ৰবন্ধ পঢ়িলেই ড° সৃষ্টিধৰ দত্তদেৱ সম্পৰ্কে পাঠকে এক সম্যক ধাৰণা ল'ব পাৰিব। অসমৰ বৰ্তমান সময়ৰ এগৰাকী নমস্য সাহিত্যিক মিতভাষৰ স্ৰষ্টা ড° নগেন শইকীয়াদেৱে 'আন্তৰিক অভিনন্দন' প্ৰবন্ধটিত ড° সৃষ্টিধৰ দত্তদেৱৰ কৃচ্ছ্ৰ সাধনা, শিক্ষা জীৱন, কৰ্মময় জীৱন, ব্যক্তিগত জীৱনৰ ওপৰত মনোগ্ৰাহী লেখনিৰে ব্যক্তি গৰাকীৰ কৃতি আৰু ব্যক্তিত্ব প্ৰতিফলিত কৰিছে। উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকা, সাহিত্যিক প্ৰহ্লাদ চন্দ্ৰ তাছা, ড° কৰবী ডেকা হাজৰিকা, সুনীল কুমাৰ বৰঠাকুৰ, গন্ধেশ্বৰ শইকীয়া, যতীন্দ্ৰ মোহন গগৈ, উপেন চন্দ্ৰ কোঁৱৰ, ভৱকান্ত কোঁৱৰ, ভূপেন শইকীয়া, ডাঃ তোলন চন্দ্ৰ শইকীয়া, ড° ভাৰতী দত্ত, ৰাজেন্দ্ৰ নাথ গোস্বামী, দেৱবালা হাজৰিকা, ড° দীপাংকৰ গগৈকে মুখ্য কৰি প্ৰায় সত্তৰ গৰাকী বিশিষ্ট লেখক, সাহিত্যিকৰ লেখনিৰে সমৃদ্ধ গ্ৰন্থখনত ড° সৃষ্টিধৰ দত্তদেৱৰ জীৱন দৰ্শন সুন্দৰভাৱে প্ৰতিফলিত হৈছে। আনহাতে ইংৰাজী প্ৰবন্ধ শিতানটোও ভাৰতৰ কেইবাগৰাকীও খ্যাতনামা ব্যক্তি তথা অসমৰ বিশিষ্ট শিক্ষাবিদে ড° সৃষ্টিধৰ দত্তদেৱৰ জীৱনাদৰ্শ যথাৰ্থৰূপত দাঙি ধৰিছে। এই সকলোবোৰৰ নাম আৰু বহল ব্যাখ্যা দিবলৈ গ'লে সেই ব্যাখ্যাৰেই হয়তো এখন সৰু পুথি হ'বগৈ। সেয়ে আমি নাম মাত্ৰ অকণমান ৰেঙনি দিয়াৰহে প্ৰয়াস কৰিছো আমাৰ জ্ঞানৰ সীমাবদ্ধতাৰে। শেষত এনে এখন আদৰ্শ পথিকৃৎ গ্ৰন্থ উপহাৰ দিয়াৰ বাবে গ্ৰন্থখনৰ সম্পাদনা সমিতিৰ উপদেষ্টাবৃন্দ সৰ্বশ্ৰী গন্ধেশ্বৰ শইকীয়া, বিপিন্দ্ৰ নাথ কাকতি, যতীন্দ্ৰ মোহন গগৈ, দেৱেন কৃষ্ণ দাস সম্পাদকদ্বয় ভূষণ জ্যোতি সন্দিকৈ, যাদৱ গগৈ, সম্পাদনা সহযোগীত্ৰয় সুৰজিতা সন্দিকৈ গগৈ, সেউজ প্ৰতীম মহন, যুগল কোঁৱৰদেৱৰ লগতে বিশেষভাৱে প্ৰয়াত উপেন্দ্ৰ নাথ কোঁৱৰ দেৱলৈ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো। আমাৰ দৃঢ় বিশ্বাস 'অন্বেষণৰ পল-অনুপল' অভিনন্দন গ্ৰন্থ হ'লেও অসমৰ সাহিত্য ভঁৰাললৈ এক অনবদ্য অৱদান হিচাবে পৰিগণিত হৈ ৰ'ব।

### এখন অনুপম কবিতা পুথি ঃ জীৱনৰ গান (দ্বিতীয় খণ্ড)

*-ড° গোপাল চন্দ্ৰ হাজৰিকা*

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক ড° গোপাল চন্দ্ৰ হাজৰিকাৰ দ্বাৰা ৰচিত দ্বিতীয়খন কাব্যগ্ৰন্থ 'জীৱনৰ গান' পঢ়িবলৈ পালোঁ। মই কবি নহওঁ। নহওঁ সাহিত্য সমালোচকো। কিন্তু কবিতা ভালপাওঁ। অথচ আধুনিক কবিতাৰ বেচিভাগ কবিতাই মোৰ কবিতা জ্ঞানৰ সীমাবদ্ধতাৰ বাবেই বুজাত অসুবিধা হয়। তাৰ মাজতো কোনো কবিৰ একোটি কবিতাই হৃদয় চুই যায়। তেনে কবিতা সমূহ সংৰক্ষণ কৰিও ৰাখো। ড° গোপাল চন্দ্ৰ হাজৰিকাদেৱৰ 'জীৱনৰ গান' কাব্যগ্ৰন্থখন হাতত পৰাৰ লগে লগে গ্ৰন্থখনৰ নামটোৱেই আকৰ্ষণ কৰি হৃদয়ত এক দুৰ্বাৰ তাড়না অনুভৱ কৰালে। এখিলা এখিলাকৈ পাত লুটিয়ালো। স্বনামধন্য অসমীয়া সাহিত্য জগতৰ অন্যতম জ্যোতিষ্ক ড° নগেন শইকীয়া ছাৰৰ 'এজন কবিৰ জগতত খন্তেক' শিৰোনামেৰে পাতনিতে ছাৰে কবি গৰাকীৰ উপলব্ধিক সামূহিক ভাৱৰ মৰ্যদা প্ৰদান কৰিছে। চিনামৰা




মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অঞ্জন শইকীয়াই যুক্তিপূৰ্ণ ভাৱেই কৈছে যে 'অংকৰ মানুহে কবিতা লিখিলে ভাল হ'বই।' কিয়নো তথ্য, সত্য আৰু প্ৰমাণৰ ভিত্তিতে অংক শাস্ত্ৰ প্ৰতিষ্ঠিত। ড° গোপাল হাজৰিকাদেৱে 'জীৱনৰ গান' কবিতা পুথিখনত মানুহৰ জীৱনৰ অংক কবিতাৰ সমীকৰণেৰে ফঁহিয়াই দেখুৱাইছে।

কবিয়ে কাব্যগ্ৰন্থখনত প্ৰথম কবিতা 'মিতভাষৰ খনিকৰ ড° নগেন শইকীয়া' নামেৰে ড° নগেন শইকীয়া ছাৰৰ জীৱন দৰ্শনৰ ওপৰত সৃষ্টি কৰি এক অপূৰ্ব সংযোজন ঘটাইছে। এই কবিতাটিত কবিয়ে-'চন পৰি আছিল নেকি বাৰু পথাৰখন/অসমীয়া ভাষা সাহিত্যৰ অলপ দিন/নগেন শইকীয়া ছাৰে চোন গোটেইখন/চহাই-মৈয়াই/সাৰপানী দি ৰুই গ'ল, তৰু-তৃণ, ফলমূলৰ বিৰিখ/আৰু নানাৰঙী নানা গন্ধী ফুলৰ বাগিচা।' এই ফুলৰ বাগিচাত গোলাপ, তগৰ, শেৱালি, তমাল-মালতী, পাৰিজাত, যুতি জাই আদি উল্লেখেৰে কবি গৰাকীয়ে যুগস্ৰষ্টা মহাপুৰুষ শংকৰদেৱৰ অমৰ সৃষ্টি 'কীৰ্ত্তন পুথিৰ' হৰমোহনৰ তৃতীয় কীৰ্ত্তনত উল্লেখ কৰা 'শিৰীষ সেউতী/তমাল মালতী/লৱঙ্গ বাগি গুলাল/কৰবীৰ বক/কাঞ্চন চম্পক/ফুলে ভৰে ভাঙ্গে ডাল/শেৱালি নেৱালি/পলাশ পাৰলি/পাৰিজাত যুতি জাই/বকুল বন্দুলি/আছে ফুলি ফুলি/তাৰো সীমা সংখ্যা নাই। সেই ঘোষা পদ ভাগলৈ পাঠকক মনত পেলাই দিছে। ড° শইকীয়া ছাৰৰ দৰে বৰেণ্য সাহিত্যক সকলে চহাই-মৈয়াই সৃষ্টি কৰা ফল-ফুলৰ ৰঙে ৰূপে উজ্জ্বলাই তুলিছে অসমৰ আকাশ/সৌৰভে আমোল মোলাইছে অসমৰ বতাহ/পৰিধি ভাঙি উৰি গৈছে চৌদিশে বুলি গভীৰ অন্তৰ্দৃষ্টিৰে মনৰ ভাৱ প্ৰকাশ কৰিছে। এই মনৰ ভাৱ কবিৰ নিজা যদিও ইয়াত সাৰ্বজনীনৰূপ এটা প্ৰকটমান।

দ্বিতীয় কবিতা 'অসমীয়াৰ আখলৰ অপৰিহাৰ্য অংগ পাভতি আৰু হেদালি চাঙত পুৰণি দিনৰ ঘৰুৱা ৰীতি-নীতি সজ আচৰণ

## পৰিৱেশ্য কলা বিষয়ত হোৱা কৰ্মশালাৰ কেইটামান মুহূৰ্ত





## কাব্যক্ষেত্ৰ

❑ বাখৰ দত্ত

উদ্যোগৰ ক'লা ডাৱৰৰ প্ৰহাৰত আছিল . . .
এডৰা আশাহীন পথাৰ . . .
কোনোবাই হুঁচৰি এৰা,
কোনোবাই ঢৰাৰ মেলানি মগা
আছিল সেইডৰা পথাৰ
নাঙলৰ ধাৰক সি উপলুঙা কৰে,
বৈ যোৱা জলসুঁতিক সি ঘিণ কৰে,
কাৰণ কলঘৰৰ বিকট শব্দক সি ভাল পায়
কিন্তু দিগন্তৰ নীল আভা আৰু
শত ঘামৰ টোপালে শুচি কৰি
আমাৰ ঘৰখন আকৌ তাতেই পাতিলো
এগচি চাকিৰ পোহৰত
হেজাৰ জোনাকীৰ জিলমিল মিলনত
তাহানিৰ পথাৰখনো আজি উৰ্বৰ ক্ষেত্ৰ,
ৰ'বা দৃষ্টি, তুমি পিছে চিনি পাইছানে নাই
ময়েই যে 'চিনামৰা মহাবিদ্যালয় কাব্যক্ষেত্ৰ'

### জটিল ৰোগত আক্ৰান্ত সাংস্কৃতিক কৰ্মী
## আৰ্থিক সহায়ৰ আহ্বান পৰিয়ালবৰ্গৰ

যোৰহাট নগৰৰ উপকণ্ঠ বৰখতীয়া গাঁৱৰ এগৰাকী সক্ৰিয় সাংস্কৃতিক কৰ্মী জটিল ৰোগত আক্ৰান্ত হৈছে। জানিব পৰামতে গাঁওখনৰ থগেশ্বৰ বৰাৰ একমাত্ৰ পুত্ৰ উৎপল বৰা কৰ্কট ৰোগত আক্ৰান্ত হৈ গুৱাহাটীত চিকিৎসাধীন হৈ আছিল যদিও উন্নত চিকিৎসাৰ বাবে সম্প্ৰতি মুম্বাইৰ টাটা মেম'ৰিয়েল হাস্পতালত চিকিৎসাধীন হৈ আছে। কিন্তু দুখৰ বিষয়, দৰিদ্ৰ পৰিয়ালৰ যুৱকজনৰ পৰিয়াল সম্প্ৰতি আৰ্থিক দুৰৱস্থাৰ সন্মুখীন হৈছে। গাঁওখনৰ ৰাইজৰ দান-বৰঙণিৰে চিকিৎসা সেৱা লাভ কৰি আছে যদিও বহু পৰিমাণৰ অৰ্থৰ প্ৰয়োজন হৈছে। অসমৰ সত্ৰীয়া সংস্কৃতিৰ এগৰাকী সাধক আৰু ভাওনাৰ বায়ন হিচাপে বিভিন্ন ঠাইত প্ৰশংসা বুটলিবলৈ সক্ষম হোৱা উৎপলৰ চিকিৎসাৰ বাবে ৰাইজৰ পৰা আৰ্থিক সাহায্য বিচাৰিছে পৰিয়ালবৰ্গই। আগ্ৰহী ব্যক্তিয়ে ভাৰতীয় ষ্টেট বেংক, আৰ আৰ এল শাখাত থকা উৎপল বৰাৰ ৩৮৫০৮৩৮৫৭৫৪ একাউণ্টৰ দ্বাৰা আৰ্থিক সাহায্য আগবঢ়াব পাৰিব।

## চিনামৰা মহাবিদ্যালয়ৰ এনচিচি কেডেটৰ কৃতিত্ব



যোৰহাটত অনুষ্ঠিত হোৱা এন চি চি ছোৱালীসকলৰ এক সংযুক্ত প্ৰশিক্ষণ শিবিৰত চিনামৰা মহাবিদ্যালয়ৰ ছাত্ৰী এনচিচি কেডেট ঋতিষা দত্তই ফায়াৰিং প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ কৰে।

১ পৃষ্ঠাৰ পৰা

## গ্ৰন্থ পৰিচিতি. . .

বৰ্ণনাৰে পাভতি আৰু হেদালি চাংখনৰ উপযোগিতা সাৱলীলভাৱে বৰ্ণনা কৰিছে। য'ত বিধে বিধে শৰীৰৰ উপকাৰী বস্তু বুঢ়া ৰঙালাও, কুমৰা, গুড়ৰ কলহ, মাটিৰ টেকেলীত ভজা বিভিন্ন বস্তু,পিঠাগুৰি, সান্দহ, খৰিছা, কাঁহুদী, বাঁহৰ গাজ আদি হেদালি চাং খনতে থয় বুলি উল্লেখ কৰি আমাৰ অতীতৰ অসমীয়া গ্ৰাম্যাঞ্চলৰ জুহাল আৰু পাকঘৰটোৰ বৈশিষ্ট্যপূৰ্ণ এখন স্মৃতি মধুৰ চিত্ৰ দাঙি ধৰিছে। 'খৰিৰ জুঁইৰ ধোঁৱাই সেইবোৰ বস্তু বছৰটোলৈ নষ্ট নোহোৱাকৈ ৰাখে' বুলি কবিয়ে বৰ্ণনা কৰি এই পাভতি আৰু হেদালি চাং খনৰ জোৰ আজিকালিৰ ৰেক্ শ্লেব আদিয়ে নাপায় বুলি যথাৰ্থৰূপত তুলি ধৰিছে। 'দেউতা' কবিতাটিত পিতাধৰ্ম/পিতা স্বৰ্গ/পিতাহি পৰম পদ কথাষাৰৰ গভীৰ উপলব্ধি সুন্দৰ আৰু হৃদয়গ্ৰাহীকৈ প্ৰকাশ কৰিছে। পুত্ৰৰ প্ৰতি এগৰাকী পিতৃৰ অপৰিসীম কষ্ট, ত্যাগৰ বৰ্ণনাৰে কবি স্মৃতিকাতৰ হৈ পৰিছে।'ভোক সহিব পাৰিলে/চব সহিব পাৰিবিহঁক' পিতৃৰ উপদেশমূলক কবিতাৰ পংক্তিটো কেৱল কবিৰ বাবেই নহয় সমাজৰ প্ৰতিজন পুত্ৰৰ প্ৰতি এক অনুকৰণীয় নীতি শিক্ষামূলক পংক্তি। ঘৰৰ দুটা বলদ গৰু মৰমৰ বগলী আৰু মথুৰাৰ স্মৃতিয়ে কবিক গাঁওৰ পথাৰৰ স্মৃতিমধুৰ কথাবোৰ সোঁৱৰাই দিয়াৰ লগতে পোহনীয়া প্ৰাণীৰ প্ৰতিও থাকিবলগীয়া প্ৰীতি নিদৰ্শন দাঙি ধৰিছে। 'ক'ত হেৰুৱালোঁ' কবিতাটিত মাজুলীৰ সোণালী শৈশৱ ৰোমন্থনেৰে কবিয়ে কাষৰ নদী, ধাননি পথাৰ আৰু ভৰ বাৰিষাৰ হাঁহি-কান্দোনেৰে ভৰা জীৱন গাঁথাৰ শস্য-শ্যামলা সেউজীয়া প্ৰকৃতিৰ ৰূপ বৰ্ণনা দিছে। 'ফুলবাৰীৰ পাভ নৈৰ পাৰৰ পথাৰৰ/বোকা, এয়া যেন মোৰ/সৰু কলাফুলত লাগিয়ে আছে।' কবিয়ে বোকা মাটি গছকি পথাৰৰ পৰা লৰালৰিকৈ নাকে মুখে ভাত খাই বিদ্যালয়লৈ যোৱাৰ কথাই কবিৰ জীৱন সংগ্ৰামৰ কথা বাৰুকৈয়ে প্ৰকট কৰি তুলিছে। 'মহামূৰ্খ' কবিতাটিত জগতৰ অনিত্যতা প্ৰকাশেৰে কবিৰ ভাৱ প্ৰকাশ অহংকাৰী লোকৰ বাবে এক আদৰ্শ পাঠ। 'ক্ষোভ' আৰু 'আশা ভংগৰ ক্ষোভ' নামৰ কবিতা দুটিত কবিৰ অন্তৰত জাগি থকা মানুহৰ ভণ্ডামী, অতপালিৰ বিৰুদ্ধে বিবেক গৰ্জন প্ৰতিধ্বনিত হৈছে। 'চকুৰ পানী অগনিলৈ ৰূপান্তৰ কৰা/ সেই অগ্নিৰ শিখাৰে/পুৰি পেলোৱা ইহঁতৰ মুখা/উজ্বলাই তোলা চৌদিশ' ভাৱনা তাৰেই প্ৰকাশ। ক'লা চশমাৰ আঁৰত প্ৰকৃতিৰ ৰূপ বৰ্ণনাৰে মানুহৰ কৃত্ৰিমতাত অকৃত্ৰিম মৰমৰ জৰী খহি পৰাৰ এক হৃদয়স্পৰ্শী বৰ্ণনা মন কৰিবলগীয়া। 'অমৃত' কবিতাটি কবিৰ এক অনবদ্য সৃষ্টি। 'অমৃত দেখা নাই/নাজানো তাৰ আকৃতি প্ৰকৃতি/কিম্বা তাৰ বৰণ।' কিন্তু কবিয়ে বৌটিয়েকে (আগতে মাতৃক বৌটি বোলা হয়) যত্নসহ হেঁপাহেৰে বনাই খুউৱা ভাপত দিয়া ৰঙালাও, পকাতেলত সৰিয়হ ফুটাই সানি দিয়া আলু পিতিকাখনত, পইতা ভাতৰ লগতে সেই ভাতৰ পোতনিকনত, পোৰা আলুৰ পিতিকা খনতে অমৃত বিচাৰি পাইছে। এই চিত্ৰখনে বয়সস্থ পাঠক বৃন্দক অতীতলৈ উভতি যাবলৈ বাধ্য কৰিব। নৱ প্ৰজন্মক অনুসন্ধিৎসু কৰিব। 'তৃপ্তি' কবিতাটি কবিৰ প্ৰকৃতি প্ৰেমৰ এক জলন্ত নিদৰ্শন। এজোপা বৃক্ষ। বাটৰুৱাৰ নিৰ্দয় হাতত ক্ষত বিক্ষত দেহ। অথচ সেই গছজোপাই দিছে জিৰাবলৈ অকনমান নিৰ্মল ঠাই। এৰিছে নিৰ্মল বায়ু। চৰাই-চিৰিকতিৰো নিৰাপদ আশ্ৰয়স্থল এই বটবৃক্ষ। কিন্তু নিৰ্দয় মানুহৰ হৃদয়হীন অত্যাচাৰত জৰ্জৰিত গছ জোপাই টোকা নীৰৱ চকুপানী কোনেও উপলব্ধি কৰা নাই। মাত্ৰ জিৰাইছে আৰু গৈছে হাতৰ দা খনেৰে গছজোপা খবলা-খবলিকৈ কাটি। ৰাহঃ কি বিচিত্ৰ প্ৰতিদান! নিস্বাৰ্থ অৱদানৰ নিষ্ঠুৰ প্ৰতিদান দেখি কবিৰ অন্তৰ মৰ্মস্পৰ্শী ভাৱে কান্দি উঠিছে। 'শিক্ষা' নামৰ কবিতাটিত কবিয়ে অসমীয়া সমাজৰ শোকোতা খোৱাৰ অভিজ্ঞতা আৰু উপকাৰিতাৰ বিষয়ে মনোৰম বৰ্ণনা দিছে। 'বৌটিয়ে কৈছিল-দুখ, কষ্ট চব সহিব পাৰিব লাগিব। তেতিয়াহে ডাঙৰ মানুহ হ'ব পাৰিবি, বুলি দিয়া শিক্ষা কেৱল কবিৰ বাবেই নহয় ই এক সাৰ্বজনীন ভাৱে প্ৰযোজ্য হ'ব পৰা নীতি শিক্ষা। 'বাৰিষাৰ গান' কবিতাটিত অসমীয়া সমাজত পূৰ্বে চলি থকা লুপ্তপ্ৰায় ধেমেলীয়া খেলৰ গীত, উপমা আদিৰ সুন্দৰ প্ৰকাশ ঘটিছে। 'অলৌগুটি তলৌ গুটি/কচুগুটি ঘাই/যিটো হাতত গুটি আছে/ সেইটো হাততে পাই।' আকৌ 'মোৱা কেইটা পাতত দিয়া/কাৰৈ টিলা ভজা/ ঢেকীয়া শাকত, ঔ টেঙা দি/কুঁহি মাছ বন্ধা।' মুহুদী, খাৰলী, উখোৱা চাউলৰ ঘৰুৱা শব্দৰ ব্যৱহাৰে কবিতাটি প্ৰাঞ্জলভাৱে প্ৰাণৱন্ত কৰি তুলিছে। 'স্ব-কথন' কবিতাটিত নাটকীয় গুণ বিৰাজমান। ইয়েই কবিতাটিক এক অনন্য মাত্ৰা প্ৰদান কৰিছে। 'অসুখ' কবিতাটিত কবিৰ মানৱতা সুন্দৰকৈ প্ৰকট হৈছে।

মুঠ কথাত ৪১ টি কবিতাৰে 'জীৱনৰ গান' কবিতা পুথি খনিৰে ড° গোপাল হাজৰিকাদেৱে অসমীয়া সাহিত্যৰ ভঁৰাললৈ এক বহুমূলীয়া অৱদান আগবঢ়ালে। য'ত গ্ৰন্থখনৰ কবিতাবোৰত ঘৰুৱা শব্দ, গ্ৰাম্য সমাজ, গাঁৱৰ বোকা মাটিৰ গোন্ধ, দৰিদ্ৰতা, জীৱন-সংগ্ৰাম, নদ-নদী, গছ-গছনি, বন্য প্ৰাণীৰ প্ৰেম, মানৱতা, প্ৰাকৃতিক সৌন্দৰ্য আদিৰে অপূৰ্ব চিত্ৰ প্ৰস্ফুটিত হৈ কবিৰ হৃদয়ৰ বাৰ্তাবোৰে অনন্য মাত্ৰাৰে প্ৰাণ পাই উঠিছে। গ্ৰন্থখনে নিশ্চয়কৈ অসমীয়া সমাজৰ নীতি-নিয়ম, খাদ্যাখাদ্য, সাজপাৰ আদিৰ বিষয়ে নতুন চামক অতীত ইতিহাস জানিবলৈ ব্যগ্ৰ কৰি তুলিব। এনেবোৰ কাৰণতে 'জীৱনৰ গান' এখন সাৰ্থক কবিতা পুথি হিচাবে পৰিগণিত হৈ থাকিব। অৱশ্যে প্ৰেছৰ দুই এটি ক্ৰুটী নথকা নহয়। দ্বিতীয় সংস্কৰণ প্ৰকাশ পালে নিশ্চয় সৰ্বাংগ সুন্দৰভাৱে 'জীৱনৰ গান' অসমীয়া সাহিত্যৰ ভঁৰাললৈ এক অনবদ্য অৱদান হিচাবে জাতিষ্কাৰ হৈ থাকিব।

৫ পৃষ্ঠাৰ পৰা

## ইটালীয় আধুনিক কবিতাৰ . . .

এলিয়টৰ 'দ্যা ৱেষ্ট লেণ্ড' কবিতা পঢ়ি তেওঁ ইমানেই মুগ্ধ হৈছিল যে কবিতাটোক অতি আদৰৰে ইটালীয় ভাষালৈ অনুবাদ কৰিছিল। আমি মন্তেলৰ প্ৰথমাৱস্থাৰ কবিতাৰ মাজত ইলিয়টৰ কবিতাৰ প্ৰভাৱ বিশেষভাৱে লক্ষ্য কৰো। এলিয়টৰ লগত মন্তেলৰ আছিল ব্যক্তিগতভাবে সু-সৰ্ম্পক। দ্যা ক্ৰাইটেৰিয়ানত মন্তেলৰ বিষয়ে উল্লেখ আছে।

যুদ্ধৰ বিভীষিকা আঁতৰ হোৱাৰ লগে লগে মিলানলৈ তেওঁ উভতি আহে আৰু ইটালীৰ সৰ্বাধিক প্ৰচাৰিত,জনপ্ৰিয় দৈনিক কাকত corriere della sera ৰ সাহিত্যৰ পৃষ্ঠাত নিয়মীয়াকৈ লেখিবলৈ আৰম্ভ কৰে। ইটালীৰ সমসাময়িক লেখকসকলৰ গ্ৰন্থ, বাহিৰৰ আন আন লেখকসকলৰ সৃষ্টি কৰ্মৰ বিভিন্ন আলোচনা-সমালোচনা প্ৰকাশ কৰিছিল। মন্তেলৰ এই সমালোচনাই সেই সময়ৰ লেখক-পাঠকসকলক ব্যাপকভাৱে প্ৰভাৱিত কৰিছিল আৰু তেওঁ সমালোচনা সাহিত্যত এক নব্য ধাৰাৰ সৃষ্টি কৰিছিল।

১৯৬২ চনত মন্তেলৰ Satura ত কবিতাৰ ভাষাকলৈ বিভিন্ন পৰীক্ষা-নিৰীক্ষা কৰা দেখা গৈছে। সংবাদ জগতৰ নানা ধাৰণা, সংক্ষিপ্ত বাণী, পৰ্যালোচনা আৰু কিছুমান সৰু সৰু গানৰ সমাহাৰ এই কাব্যসংকলনখন। মন্তেলে গোটেই জীৱনত কবিতাকলৈ নানান পৰীক্ষা-নিৰীক্ষাত ব্যস্ত আছিল। কবিতাৰ অনন্ত যাত্ৰাত তেওঁ আছিল নিঃসঙ্গ পথিক। পৃথিৱীৰ নানান দেশৰ কবিৰ কবিতাৰ মাজত অবগাহন কৰি উদ্ধাৰ কৰিছিল বহু মূল্যৱান মনি-মুকুটা। অগতানুগতিক চিন্তাধাৰাৰ, অগতানুগতিক ব্যক্তি আছিল তেওঁ।

কোনোবা এগৰাকী সমালোচকে মন্তেলৰ কবিতাৰ বিষয়ে লেখিছে-- 'মন্তেলৰ কবিতাই দুই বাহু উন্মুক্ত কৰি পাঠকক আলিঙ্গন নকৰে। তেওঁ কবিতা সকলো সময়তে নৰ্থ-ইটালীয়ান অঞ্চলৰ প্ৰতি সকলো সময়তে বিশ্বস্ত হৈ থাকে। এয়া ৰিভিয়াৰাৰ ৰৌদ্ৰস্নানকাৰীৰ সেই পেৰাডাইছ নহয়, যি বুকু খুলি বহি থাকে। এয়া হ'ল সেই নিষ্ঠুৰ প্ৰান্ত, যি উদ্ভত লিগুৰিৱান সমুদ্ৰ-উপকূলৰ ধুমুহাৰ আঘাতত বিধ্বস্ত হৈ পৰে।

মন্তেলে সকলো সময়তে চেষ্টা কৰে কবিতাত তেওঁৰ অভিব্যক্তিক নতুন আংগিকত ফুটাই তোলাৰ বাবে, কবিতাত নতুন ধাৰাৰ সৃষ্টিৰ মাজেৰে কবিতাৰ অংগ সৌষ্ঠবত দূৰান্বয়ী সম্ভবনাকৰ সূত্ৰক আৱিষ্কাৰ কৰে কেৱল কবিতাত আংগিক আৰু বিষয়ৰ সুচাৰু অভিনিবেশ সাধনৰ প্ৰত্যয়ত। উল্লেখ্য, যে কোনো সৃষ্টি কৰ্মত নতুন ধাৰাৰ সন্ধান শিল্পীৰ অভীষ্ট লক্ষ্য-সেই ধৰা তথাকথিত ধাৰা নহয়, আমাৰ প্ৰাত্যহিকতাৰ মাজত, চাৰিওফালৰ নানা বিষয়ৰ মাজত সেই ধাৰাৰ অণু-পৰমাণুৰ সন্ধান পাব পৰা যায়। তেওঁ আৰম্ভণী যুগৰ 'দ্যা আনানজিৱান' ছন্দক প্ৰত্যাখ্যান কৰিছিল, কিন্তু দান্তে আৰু পেত্ৰাকৰ ধাৰাকলৈ ব্যাপক সৰৱ আছিল। পিকাছোৱে কৈছিল- I do not seek, I find ইয়াৰ প্ৰতিধ্বনি শুনা গৈছিল মন্তেলৰ I do not go in search of poetry. I wait for poetry to visit me প্ৰকৃততে কবিতা কেতিয়াওঁ লেখিম বুলি লেখিব নোৱাৰি। কবিতাৰ বাবে কবিয়ে অপেক্ষা কৰিব লাগে, এখ বিশেষ মুহূৰ্তত সেই মাহেন্দ্ৰক্ষণ অহাৰ আগতে যি কবিতা লেখিবলৈ বহে, তেওঁলোকে মূলত প্ৰকৃত কবিতাৰ সাক্ষাৎ লাভ নকৰে। সেয়ে কবিতা কবিৰ বিশেষ মুহূৰ্তত আবেগৰ শিল্পময় ফচল, এই ফচল ঘৰলৈ অনাৰ বাবে কবিয়ে অতিবাহিত কৰিব লগাত পৰে অজস্ৰ বিনিদ্ৰ ৰজনী জীবন আৰু জগতৰ এক নিৰ্জন প্ৰান্তত। ৰক্তাক্ত হৃদয়ৰ সিপাৰে উদিত কবিতাৰ সূৰ্য, সেই সূৰ্য ৰশ্মিৰ ৰেঙণিত জীবন আৰু জগতৰ নানাবিধ সংগীত অনুৰণিত হয়, যি সংগীতত থাকে কিমান যে লুপ্ত প্ৰান্তৰ নিয়তি , ফুল ফুলা বা সৰি পৰাৰ গোন্ধ, কেতিয়াবা কেতিয়াবা অসমাপ্ত ফচলৰ চিৎকাৰ অথবা ঘোৰ অন্ধকাৰৰ দিকচক্ৰ, বেদনাৰ ত্ৰিভূজ, নতুবা এটা এঢলীয়া পাহাৰৰ পৰা নামি যোৱা অৱকাশ, মৃত্যুৰ লগত যুদ্ধ-হয়তু এইবিলাকৰ উৰ্ধ্বত আন এক শূণ্যতা যি ঢৌ খেলি খেলি সজাই ৰাখে স্মৃতিৰ থুংপাক। মন্তেলে প্ৰাচীন শব্দ, দেশীয় বৈজ্ঞানিক অনুযঙ্গ আৰু প্ৰবাদবাক্যৰ সংমিশ্ৰণত এক অভিনৱ লেখনশৈলীৰ সৃষ্টি কৰিছিল। ইটালীৰ প্ৰখ্যাত লেখক ইটালো কেলভিনোৱে মন্তেলৰ সৰ্ম্পকত লেখিছে- 'Monatale was the poet of Exactness,of Justified lexical choices' একেদৰে কাৰ্লো বোৱে তেওঁৰ কবিতাৰ সৰ্ম্পকত লেখিছে- contradiction between a lucid and ruthless cruelty and a very pure feeling of love আধুনিক জীৱনৰ প্ৰতিখন দাপোনতেই মন্তেলে যেন নিজকে চোৱাৰ প্ৰয়াস কৰিছে, লগতে প্ৰত্যেক্ষ কৰিছে জীৱন সমুদ্ৰত উঠা প্ৰতি ঢৌ আৰু তাৰ মাৰ যোৱাৰ অৱস্থাৰ। ফেচিষ্ট ইটালীৰ প্ৰেক্ষাপটত তেওঁৰ নন্দনতত্ত্বৰ সীমনাত কবিতাবোৰক 'পোয়েট্ৰি অৱ ৰেজিষ্টেন্স' বুলি ক'ব লাগিব। অভিজ্ঞতাৰ পোহৰত আগবাঢ়িছে তেওঁৰ কবিতা। তেওঁ জীৱনক যিমান ভিতৰৰ পৰা পৰ্যাবেক্ষণ কৰিছে,তেনেকৈ ইতিহাসৰ প্ৰেক্ষাপটক আনিছে জীৱনৰ নতুন ব্যাখ্যাত। কবিৰ কবিতাৰ ভাষাৰ দৃঢ়তাত জটিল ছবিৰ প্ৰক্ষেপত ছিন্নভিন্ন হৈ যায় সপোনৰ জগত।

কবিতাৰ অন্যতম এক উদ্দেশ্য হ'ল সামজিক ক্ষেত্ৰত এটা চিন্তা আৰু অনুভূতিৰ বিকল্প পথ সৃষ্টি কৰা, এইক্ষেত্ৰত মন্তেলৰ কবিতা অনুপেক্ষণীয়। এয়া ঠিক যে প্ৰাথমিকভাবে তেওঁৰ কবিতাই কাৰোৰে জগত দৃষ্টিৰ সন্মুখা-সন্মুখীন হোৱা নাই, ক্ষমতাই কবিতাক কছমোপলিটান কৰি তুলিছে, কবিতাক উচ্চস্তৰত দাঙি ধৰিছে। কবিৰ কবিতাৰ নান্দনিক ভূবনত বিচাৰি পোৱা নাযায় কোনো সহজ- সৰল, কোমল আলোকেৰে আলোকিত স্বপ্ন সৌধৰ সন্ধান। মাথো দেখা যায় চপৰা চপৰ শুকান মাটিত খোজ পেলাই বিচাৰি পোৱা এখন গোলাপৰ বাগিচা।

মন্তেলৰ কবিতাৰ প্ৰভাৱ আৰু প্ৰতিগাত পৰৱৰ্তী প্ৰজন্মৰ কবিসকলৰ ওপৰত সুদূৰপ্ৰসাৰী হৈছিল। ইটালীৰ বাহিৰত বা বিদেশত দীৰ্ঘদিন ধৰি মন্তেল আছিল অপৰিচিত। মাত্ৰ দুই-এজন ইটালী ভাষা অৱগত কবি-শিল্পী বা গৱেষকৰ বাবে তেওঁ আছিল পৰিচিত। মন্তেলক বিশ্বৰ কবিসমাজৰ সন্মুখত পৰিচয় কৰি দিয়ে জোনাথন গলাছিৰ অনুবাদে, ইয়াৰ মন্তেল আছিল এটা বৃত্তৰ পৰিধিৰ মাজত। অতি জটিল শৈলীৰ মাজেৰে শব্দৰে ছন্দৰ মালাগাথা মন্তেলৰ কবিতা ইংৰাজীলৈ অনুবাদ কৰা কাৰ্য একেবাৰে সহজ নহয়। গলাছি ইটালীৰ ভাষাৰ এগৰাকী পণ্ডিত যদিও তেওঁ আছিল এগৰাকী কবি। তেওঁ লেখিছে- 'মন্তেলৰ কবিতা ইংৰাজীলৈ অনুবাদ কৰা কাৰ্যটো সিমান সহজ বুলি ক'ব পৰা নাযায়।' আনহাতে গলাছিৰ অনুবাদক কেন্দ্ৰ কৰি একাংশ সমালোচকে অভিমত ব্যক্ত কৰিছে- গলাছিৰ অনুবাদে প্ৰকৃততে মূলৰ সৈতে সংযোগ ছিন্ন । তেওঁৰ অনুবাদত নতুন এটা কবিতা সংকলিত হৈ উঠে।' অৱশ্যে এনেধৰণৰ অপবাদ পৃথিৱীৰ প্ৰতিজন অনুবাদকৰ ক্ষেত্ৰতে দেখা যায়। সমালোচকসকলে ৰবাৰ্ট ফ্ৰষ্টক মন্তেলৰ কবিতাৰ উপযুক্ত অনুবাদক হিচাপে স্বীকৃতি প্ৰদান কৰিছে। মন্তেলৰ কবিতা অনুবাদ কৰিবলৈ যাওঁতে ৰবাৰ্টে দেখিছে- মন্তেলেমূলত পাঠকক এক প্ৰকাৰৰ তাৎপৰ্যহীন কব্যিকতাৰ মুখামুখি কৰিছে। আনহাতে গলাছিয়ে বিশে,কৈ মন্তেলৰ ১৯২০-৫৪ চনলৈকে সংগ্ৰহ কৰা কবিতাসমূহ অনুবাদ কৰিবলৈ যাওঁতে যিমান কষ্ট স্বীকাৰ কৰিছে সাধাৰণতে অনুবাদকসকলে সিমান কষ্ট কৰা দেখা নাযায়। কবিতাসমূহৰ ঘটনাসমূহৰ কালানুক্ৰমিক বৰ্ণনা, মন্তেলৰ বিষয়ে এটা সুন্দৰ প্ৰবন্ধসহ কবিতাৰ নানা উল্লেখ- উদ্ধতি জি ১৭০পৃষ্ঠাৰ মল্যবান, পাণ্ডিত্যপূৰ্ণ টিকা-চিপ্পনি দি গলাছিয়ে যিমান দুৰ সম্ভৱ সিমানেই কবিতাবোৰ সহজ-সাধ্য কৰাৰ চেষ্টা কৰিছে।

মন্তেলৰ কবিতাৰ ক্ষেত্ৰত দ্ৰুত বা সহজ পাঠৰ বিষয়টো প্ৰযোজ্য হ'ব নোৱাৰে। তেওঁৰ কবিতাৰ সাগৰৰ বুকুত সাতুৰিবলৈ হ'লে মাজৰ সময়খিনিৰ পৰা আধুনিক যুগলৈকে ইটালী কবিতাৰ বৰ্ণ-বৈভৱক ভালদৰে মন্থন কৰিব লাগিব। ১২০-৫০চনলৈকে ৰচিত তেওঁৰ মূল তিনিখন কবিতাসংকলনতকৈ দ্বিতীয় স্তৰৰ কবিতাসমূহ নিৰস, নৈৰাশ্যবাদী। এয়া সম্ভৱ তেওঁৰ জীৱনবোধৰ এক গভীৰ অভিজ্ঞান। মানবজীবনৰ অধ্যায়বোৰ সময় নানামাত্ৰিক অভিজ্ঞতাত অভিযোজিত হয় আৰু সেই অভিযোজনাৰ ৰং-ৰূপ মিহলি হৈ পৰে সৃষ্টিৰ অনিবাৰ্যতাত। সেয়ে প্ৰকৃত শিল্পমাত্ৰই প্ৰকৃত ইতিহাস -যি ইতিহাস খুচৰি খুচৰি আৱিষ্কাৰ কৰিব পাৰি কোনো জাতিৰ ঐতিহ্যৰ আকাৰসমূহ।

সাধাৰণ বিষয়, সাধাৰণ ঘটনাৰ সমাগমে মন্তেলৰ কবিতাত দেখা নাযায়। মন্তেলৰ কবিতাত সেইবোৰ বিষয়ে ঠাই লাভ কৰে যিবোৰে কবিতাক কৰি তোলে মহীয়ান।তেওঁৰ সৃষ্টিশীলতাৰ মাজত বহুতো প্ৰান্তিক আৰু অকাব্যিক শব্দ আহিছে, যিবোৰ ইটালীৰ কবিতাৰ বাবে আছিল একেবাৰে নতুন বিষয়। যেনে- roads that leads to grassy/ ditches where boys/ scoop up a few starved/ eels out of half dry puddlesw আদি। অনুবাদৰ কৃপাত বিশ্বজুৰি পৰিচিত হৈ পৰা মন্তেলে ১৯৬১ চনত ৰোম বিশ্ববিদ্যালয়ৰ পৰা অনাৰৰি ডিগ্ৰী লাভ কৰে আৰু পিছত মিলান, কেমব্ৰিজ আৰু ব্ৰাছেল বিশ্ববিদ্যালয়ৰ পৰা ডিগ্ৰী লাভ কৰে। ১৯৬৭ চনত ৰাষ্ট্ৰপতি ছাৰাগতে সাহিত্য-শিল্পৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে আজীবন ছিনেটৰ হিচাপে নিয়োগ কৰিছিল। কবিতালৈ আগবঢ়োৱা বিশেষ অৱদানৰ বাবে ১৯৭৫ চনত মন্তেলক সাহিত্যত ন'বেল বঁটাৰে বিভূষিত কৰা হয়। ন'বেল জয় কৰাৰ পিছতেই এগৰাকী বিশ্বখ্যাত কবি হিচাপে সৰ্বত্ৰ খ্যাতি বিয়পি পৰে মন্তেলৰ আৰু অতিবাহিত কৰিব লগাত পৰে এক ব্যস্তময় সময়। ফ্লোৰেন্সত তেওঁ সন্মানীয় নাগৰিকত্ব প্ৰদান কৰা হৈছিল। ১৯৮১ চনৰ ১২ ছেপ্টেম্বৰত এই কালজয়ী কবি গৰাকীয়ে ইহলীলা ত্যাগ কৰে।

১২ পৃষ্ঠাৰ পৰা

## স্বাধীনোত্তৰ অসমত উচ্চশিক্ষা . . .

4 টা ষান্মাষিক থাকিব। গুত্ত্বপূৰ্ণ যে এই শিক্ষানীতিৰ জৰিয়তে শিক্ষাৰ অধিকাৰ আইন 14 বছৰলৈ বৃদ্ধি কৰা হৈছে। ইয়াৰ উপৰিও পাঠ্যক্ৰমৰ অধিক হেঁচা ৰোধ কৰাৰ লগতে শিক্ষাৰ্থীসকলৰ কলা, সংগীত, ক্ৰীড়া, হস্তকলা, যোগ বিষয়ত বিকাশ ঘটোৱাৰ উদ্দেশ্যেই এইসমূহ প্ৰত্যক্ষ পাঠাক্ৰমত অন্তৰ্ভূক্ত কৰাৰ বাবেও বিশেষ পদক্ষেপ লোৱা হৈছে এই শিক্ষানীতিত। উল্লেখনীয় যে এই শিক্ষানীতিত মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ব্যৱস্থা নাথাকিব। স্কুল পৰ্যায়ত তিনিটা- হিন্দী, ইংৰাজী আৰু আঞ্চলিক ভাষা থাকিব। শিক্ষক প্ৰশিক্ষণৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা লোৱাৰ লগতে বি এড জিগ্ৰী সকলো শিক্ষকৰ বাবে নূন্যতম অৰ্হতা হিচাপে ঘোষণা কৰিছে এই নীতিয়ে। উল্লেখনীয় যে এই শিক্ষা নীতিয়ে "ইউ জি চি"ক "হায়াৰ এডুকেশ্বন গ্ৰাণ্টছ কমিছন"ৰূপে গঠন কৰাৰ বাবে বিশেষ পদক্ষেপ হাতত লৈছে।

প্ৰকৃততে চাবলৈ গ'লে আজিৰ ছাত্ৰ-ছাত্ৰীক নম্বৰৰ পিছত দৌৰিবলৈ বৰ্তমান সময়ে বাধ্য কৰোৱা নাইনে ? জ্ঞান, যোগ্যতাতকৈ আজি সকলোতে নম্বৰক প্ৰধান্য দিয়া হৈছে। উচ্চ শিক্ষাৰ বাবে ভাল শিক্ষানুষ্ঠানখনত নামভৰ্তি কৰিবলৈ তাহানিৰ 60í এতিয়াৰ 100í লৈ বৃদ্ধি কৰা হ'ল। তেন্তে ছাত্ৰ-ছাত্ৰীৰ উপায় কি ? হাইস্কুলৰ পৰা বিশ্ববিদ্যালয়লৈকে ভাল নম্বৰ নাপালে আজি কলেজৰ শিক্ষকৰ চাকৰি লাভ কৰিব নোৱাৰা অৱস্থা হ'ল। উচ্চ শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰতিযোগিতাৰ নামত এনে এখন মহাৰণ আৰম্ভ কৰি দিছে যে সেই ৰণত পৰি বহুতে নিজকে শেষ কৰি দিবলৈ লৈছে। এই ৰণখন আৰম্ভ কৰিছে কেৱল আমাৰ প্ৰশাসনিক, সামাজিক, শৈক্ষিক ব্যৱস্থাৰ নীতি নিৰ্ধাৰক ব্যক্তিসকলেই। আজি সততে প্ৰশ্ন উত্থাপিত হৈছে আমাৰ চাৰিওফালে মানৱীয় প্ৰমূল্যবোধৰ অৱক্ষয় হৈছে। শিক্ষাৰ কাঠমাণ্ডুত ঘূণে ধৰিছে। নতুন প্ৰজন্ম বিপথে পৰিচালিত হৈছে। আজি উচ্চ শিক্ষানুষ্ঠানসমূহে সমাজ এখনৰ ভৱিষ্যত প্ৰজন্মৰ সন্মুখত এনে কি আদৰ্শ দাঙি ধৰিছে বা 'প্ৰমূল্যবোধ শিক্ষা' প্ৰদান কৰিছে যে উঠি অহা নতুন প্ৰজন্মই নিজকে চিনি পাবলৈ সক্ষম হৈছে।

জনসংখ্যা সম্পৰ্কীয় তথ্যই এই কথা প্ৰতিপন্ন কৰিছে যে অনাগত সময়ত উচ্চ শিক্ষাৰ প্ৰতি আগ্ৰহী মধ্যবিত্ত শ্ৰেণীৰ লোকৰ সংখ্যা অহা 10 বছৰত 500 নিযুত হোৱাৰ সম্ভাৱনা আছে। সাধাৰণতে উচ্চ বা উচ্চ মধ্যবিত্ত শ্ৰেণীৰ বাবে তৈয়াৰ কৰা উচ্চ শিক্ষা ব্যৱস্থাই এতিয়া সকলোকে সামৰি ল'ব লাগিব। সেয়েহে স্বাধীনোত্তৰ অসমৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত পৰিৱৰ্তন সময়ৰ আহ্বান আৰু সকলোৱে এই পৰিৱৰ্তন হৃদয়ংগম কৰা আৱশ্যক। তেতিয়া হয়তো অসমত উচ্চশিক্ষাৰ সম্ভাৱনা পূৰ্বতকৈ প্ৰচুৰভাৱে বৃদ্ধি পাব।

# বিবাহ উৎসৱত ‘জোৰা’ নাম

❑ *বন্দনা শইকীয়া*

‘বিয়া’ বা ‘বিবাহ’ মানুহৰ জীৱনৰ এটি স্মৰণীয় আনন্দপূৰ্ণ অনুষ্ঠান। অকলশৰীয়া জীৱনলৈ নতুন আলহী আহে। সৃষ্টিৰ পাতনি মেল খায়, যুৰীয়া জীৱনৰ আৰম্ভণি হয়। ‘বিয়া’ বা ‘বিবাহ’ অনুষ্ঠানৰ পৰা উৎসৱলৈ পৰিণত হৈছে আৰু আনন্দমুখৰতাই বিয়া উৎসৱক উজ্জ্বলাই তুলিছে।

‘বিবাহ’ শব্দটো শুনিলে প্ৰতিজন মানুহৰ অন্তৰ আনন্দত নাচি উঠে। আৱেগ-অনুৰাগেৰে ভৰা এই বিবাহ উৎসৱ প্ৰতিজনৰ অতি আপোন। অসমীয়া সমাজৰ এই বিবাহ উৎসৱ অতি ধুম-ধামেৰে পালন কৰা হয়। বিবাহ উৎসৱ অতি পুৰণি। যুগ যুগ পাৰ হৈ অহা এই বিবাহ উৎসৱ সৃষ্টি সত্যৰ নিচিনা চিৰন্তন সত্য। এই সত্যৰ ব্যতিক্ৰম আজিও হোৱা নাই। এনেকুৱা লৌকিক আচাৰ-অনুষ্ঠান আৰু শাস্ত্ৰৰ নীতি-নিয়মমতে অনুষ্ঠিত বিবাহ উৎসৱত আয়তীসকলে বিয়াৰ বিভিন্ন কামৰ লগত সম্পৰ্ক ৰাখি মাঙ্গলিক গীত গায়। মাঙ্গলিক গীতবোৰ বিয়াৰ বিভিন্ন ক্যৰ্য্য যেনে- জোৰোণ পিন্ধোৱা, পানী তোলা, দৰা-কইনাক নোওৱা গীত, কইনা সজোৱা গীত, দৰা অহা, হোম (যজ্ঞ) কৰা, আখৈ তোলা, কইনাৰ বিজায় আদি গীত গোৱা প্ৰথা অতীতৰ পৰাই আছে।

বিয়াৰ অন্যতম আকৰ্ষণীয় দিশ হ’ল ‘জোৰা নাম’। নামনি অসমত ইয়াক ‘খাচী’ গীত বুলি কোৱা হয়। এই ‘জোৰা’ সাধাৰণতে ব্যঙ্গ কৰি গোৱা হয়। বিয়া ঘৰৰ ব্যক্তি বিশেষকৈ খুড়াক, ককায়েক, মোমায়েক, ভিনদেৱেক আদিকে উদ্দেশ্য কৰি গোৱা হয়। পিছত দৰা-কইনা দুয়োপক্ষ প্ৰতিযোগিতাত নামি পৰে। ছন্দবদ্ধভাৱে সজোৱা এই জোৰা নামবোৰত নাৰীসকলৰ কবিত্ব প্ৰকাশ পোৱা যায় আৰু নাৰীসকলৰ বাক্-চপলতা সুন্দৰকৈ প্ৰকাশ পায়।এই নামে কোনো ৰাগ, খং, মান-অভিমানৰ সৃষ্টি নকৰে। ৰভাতলীত নামতীসকলে জোৰা নাম গাবলৈ তাত থকা প্ৰত্যেকজন ব্যক্তিক উদ্দেশ্য কৰি আৱেদন জনায়। কিন্তু আৱেদনৰ যথাযথ উত্তৰ সকলো সময়তে নাপায়। তেতিয়া অনুমতিলৈ অপেক্ষা নকৰি আৰম্ভ কৰে-

তাল পাতৰ বিচনী
দৰাঘৰৰ মানুবোৰৰ একেবাৰে ফুটনি।

ৰাতি দৰাই যেতিয়া কন্যাৰ ঘৰলৈ আহে তেতিয়াহে জোৰা নামৰ জাউৰি উঠে। দুয়োপক্ষৰ নামতিসকলে প্ৰথমতে দৰা-কইনাক উদ্দেশ্যে গায়-

বাৰীৰ পিছৰ শিলিখা
কইনাজনী টিলিকা
আমাৰ দৰা বহি আছে
সমাজতে জিলিকা।

লগে লগে কইনা পক্ষৰ আয়তীয়ে উত্তৰ দিয়ে-

চুবুক চুবুক জাকৈ বালো
তাতে উঠিল গাগল
হোমৰ গুৰিত বহি আছে
ভোৱোলা ছাগল।

এনেদৰে জোৰা নামেৰে ভাৱৰ আদান-প্ৰদান কৰাৰ পিছত দুয়োপক্ষই গীতেৰে সন্তৰ্পনে ক্ষমা খোজে-

ৰভাৰ খুটা বন্ধালো Û খীচা গীত জুৰিলো
বেয়া হ’লে নাপাবা Û ধেমালীহে কৰিলো।

এনেকৈ হাঁহি-ধেমালিৰে জোৰা নাম বা খীচা গীতবোৰ গাই অন্ত কৰে। আজিকালি বিয়া-সবাহত গীত প্ৰায় নোহোৱা হ’ল যদিও বহু অঞ্চলত এতিয়াও এই গীতৰ প্ৰচলন আছে। এই গীতসমূহ নাৰী সমাজৰ বৰ আপুৰুগীয়া সম্পদ। এই গীতসমূহ সংৰক্ষণ কৰি ৰক্ষা কৰাৰ দায়িত্ব নাৰীসমাজৰ একান্ত প্ৰয়োজন। লোক সাহিত্যৰ সম্পদ, এই গীতবোৰত এখন সুস্থ সমাজৰ চাক-চিকা প্ৰকাশ কৰে।

১২ পৃষ্ঠাৰ পৰা

অতি প্ৰতিক্ৰিয়াশীল হৈ পৰিছিল। ইউৰোপতো প্ৰথম শতিকাৰ পৰা প্ৰায় ১৫ শতিকালৈকে মধ্যযুগ চলিছিল। তাৰ পাছতহে বিজ্ঞানৰ উন্নতি আৰম্ভ হয়। আমাৰ অসমতো শ্ৰীমন্ত শংকৰদেৱৰ দিনৰ পৰা বৃটিছ অহালৈকে মধ্যযুগ চলিছিল। গতিকে এই সময়ছোৱাত অসমত বিজ্ঞান লুকাই থাকিব লগীয়া হৈছিল।

অদ্বৈত বেদান্ত খ্যাত জ্ঞানবাদে মায়াবাদৰ ধাৰণা দিলে। এই মায়াবাদে ব্যৱহাৰিক জগতৰ সকলোবোৰ কথাকে নস্যাৎ কৰি পেলালে। ব্যৱহাৰিক জগত প্ৰকৃতি নামৰ জড়বস্তুৰে তৈয়াৰী বুলি ভাবি প্ৰকৃতিৰ লগতে ব্যৱহাৰিক জগতক ধোঁৱা চাঙত তুলিলে। গতিকে মানুহে ব্যৱহাৰিক বা সাংসাৰিক জীৱনৰ প্ৰতি পিঠি দিবলৈ ধৰিলে। ফলত আমি বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাত পিছ পৰি গ’লো। আনকি আমি বেদৰ দিনত দেখা দিয়া বৈজ্ঞানিক মানসিকতাকো হেৰুৱালো।

কোৱা হয় যে মুছলমানৰ আগ্ৰাসনে ভাৰতত বিজ্ঞানৰ উন্নতিত বাধা প্ৰদান কৰিলে। এই কথা সঁচা নহয়। সঁচা কথাটো হ’ল ৰামানুজৰ ভক্তিবাদৰ পোষ্যপুত্ৰ বৈষ্ণৱবাদে এই কাম কৰিলে। বৈষ্ণৱবাদে বৈজ্ঞানিক মানসিকতাত শেষ গজালটো মাৰে। এই ভক্তিবাদৰ আধাৰতে ভাগৱত পুৰাণ ৰচিত হ’ল, যিখন বৈষ্ণৱ ধৰ্মৰ বাইবেল হৈ পৰিল। এই ভাগৱতৰ আধাৰতে শ্ৰীমন্ত শংকৰদেৱে অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিলে আৰু তাৰ আধাৰতে যুক্তিতৰ্কক দূৰতে বিদূৰ কৰিলে। সেয়ে অসমো বিজ্ঞানত আগবাঢ়িব নোৱাৰিলে। ‘বিশ্বাসে মিলয় হৰি / তৰ্কে বহুদূৰ’ - এনে ধৰণৰ কথাৰে মানুহৰ মন যুক্তি-তৰ্কৰ পৰা আঁতৰাই আনিলে। মাধৱদেৱে নামঘোষাত লিখিলে -

“তৰ্কশাস্ত্ৰ মহাব্যাঘ্ৰী তাহান নিপুণ পতি
তাৰ শিষ্য ভৈল পুত্ৰ প্ৰায়
সংসাৰ ৱনত পশি পতি পুত্ৰ সমন্বিতে
উপনিষৎ ধেনু ধৰি খায়।” (৪৩)

অৰ্থাৎ তৰ্কশাস্ত্ৰক মহাব্যাঘ্ৰী আখ্যা দিয়া হৈছে। এই মহাব্যঘ্ৰীয়ে পতি-পুত্ৰ সমন্বিতে উপনিষদ নামৰ গৰু ধৰি খায়। উপনিষদ হ’ল বেদান্তৰ আধাৰ। গতিকে তৰ্কশাস্ত্ৰই উপনিষদক ধ্বংস কৰা বাবে মাধৱদেৱে আক্ষেপ কৰিছে।

বেদান্তৰ পৰম সত্তা হ’ল ব্ৰহ্ম। এই ব্ৰহ্মক তৰ্কৰ অগোচৰ বুলি কোৱা হৈছে। কীৰ্ত্তনে কি কৈছে চাওক।

“যিটো ব্ৰহ্ম নোহে তৰ্ক গোচৰ
নাপাৰে ৱচন মনে ওচৰ।” (শিশুলীলা, ৬৭৫)

আকৌ এইদৰে কোৱা হৈছে -

“কুতৰ্কী পণ্ডিত যদি নামানে ইহাক
ঢোল কোবাই ঊৰ্দ্ধবাহু খণ্ডা তাৰ বাক।”

(উদ্ধৃত, যুতিকা দাস, ‘Epistemology’, The Philosophy of Sankaradeva : An Appraisal, ed. N. Sharma, পৃ. ৪৯)

মাধৱদেৱে নামঘোষাত বেদাগম আদি শাস্ত্ৰৰ কোনো প্ৰয়োজন নাই বুলি কৈছে। (দ্ৰ. ৬০৫) তেওঁ ওপৰৰ শ্লোকটোৰ দৰেই কৈছে, “ আক যি কুতৰ্কী নামানয় / তথা গৈয়া বায়ো বাদ্যচয়” (নামঘোষা, ৬০৭) এইদৰে যুক্তি তৰ্কক তলা মাৰি বাকচত ভৰাই থোৱা বাবে ভাৰতত বিজ্ঞানৰ উন্নতি নহ’ল। ড° ৰাধাকৃষ্ণণ, অৰবিন্দ, বিবেকানন্দ আদিয়েও বেদান্তৰ জয়গান গোৱাত ভাৰতীয় মানুহক আকৌ মধ্যযুগলৈ ওভতাই পঠাবলৈ চেষ্টা কৰা হ’ল।

**মন্তব্য ঃ** আজি আমি বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সকলো কথাৰ বাবে গণিতৰ ওপৰত নিৰ্ভৰ কৰিব লগা হৈছে। আমাৰ আভিযান্ত্ৰিক মহাবিদ্যালয়, প্ৰযুক্তিবিদ্যাৰ ভাৰতীয় প্ৰতিষ্ঠানবোৰত (IIT) যিবোৰ পাঠ্যক্ৰম চলিছে সেই সকলোবোৰ পাশ্চাত্য প্ৰযুক্তিবিদ্যাৰ আধাৰত লিখা। আমাৰ পুষ্পক ৰথৰ ধাৰণা কলৈ গ’ল? নে ই কেৱল বৈজ্ঞানিক কল্পনা (Scientific fiction) আছিল?

বিজ্ঞানৰ উন্নতিত বাধা দিয়া অন্যতম কাৰণ হ’ল ধৰ্ম। বস্তুবাদী সাংখ্য দৰ্শন, চাৰ্বাক দৰ্শন আদিৰ পুথিবোৰ পুৰি পেলোৱা হৈছিল। সেইবোৰত যি অলপ বৈজ্ঞানিক চিন্তা আছিল তাকো নাশ কৰা হ’ল। আমি শিল্পোদ্যোগত আগনাবাঢ়িলো বাবেই বিদেশীয়ে আমাৰ দেশ লৈ আমাক পৰাধীন কৰিলে। গতিকে ‘Old is Gold’ বুলি কৈ, বা আমাৰ সকলো আছিল - এইদৰে ভাবি হাত সাবটি বহি থাকিলে নহ’ব। আমি এক পৰিবেশ গঢ়ি তুলিব লাগিব য’ত বিজ্ঞান আৰু বৈজ্ঞানিক চিন্তাই পুনৰ পোখনি মেলে। আমাক ধৰ্মও লাগে। কিন্তু বিজ্ঞানক ধ্বংস কৰিবৰ বাবে ধৰ্ম নালাগে ; লাগে আধ্যাত্মিক আৰু নৈতিক উন্নতিৰ বাবে। ধৰ্ম আন্তৰিকতাতহে বিৰাজ কৰে ; বাহিৰত নহয়। ধৰ্মৰ সামাজিক ভূমিকা নথকাই মংগলজনক। ই ব্যক্তিগত বস্তু হৈ থকাই ভাল।

১২ পৃষ্ঠাৰ পৰা

# অসমৰ সেউজশিল্প চাহ বাগিছাৰ গৌৰৱ . . .

বাগিছাত ডাঙৰ দীঘল হৈছিল। তেখেত আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন চলছিত্ৰ নিৰ্ম্মাতা। তেখেতৰ চলচিত্ৰ ‘পাপৰি’, ‘বনানী’, ‘ফিৰিঙতি’, ‘অপৰূপা’, হালধীয়া চৰায়ে বাওঁধান খায়, ‘সাগৰলৈ বহুদূৰ’ উল্লেখযোগ্য। ‘অপৰূপা ছবিখন চাহ বাগিছাৰ পটভূমিত নিৰ্ম্মিত।

**পদ্মশ্ৰী দীপালী বৰঠাকুৰ ঃ** এসময়ত অসমৰ সংগীত জগতত আলোড়ন সৃষ্টি কৰা প্ৰসিদ্ধ কোকিল কণ্ঠী গায়িকা দীপালি বৰঠাকুৰ সোণাৰী নীলমণি চাহ বাগিছাত জন্ম গ্ৰহণ কৰে। চেনাই মই যাওঁ দেই, সোণৰ খাৰু নালাগে মোক, ডালে ডালে গায় কুলি বুল বুল বুলি, বন্ধু সময় পালে আমাৰ ফালে, কনমান বৰশীৰে চিপ, আদি গীত আজিও জনপ্ৰিয় হৈ আছে আৰু থাকিব। ভাৰত চৰকাৰে ১৯৯৮ চনৰ গণৰাজ্য দিৱসত পদ্মশ্ৰী উপাধি এইগৰাকী গায়িকাক প্ৰদান কৰে।

**ইন্দিৰা পি.পি বৰা ঃ** পাৰ্বতী প্ৰসাদ বৰুৱাৰ ভাতৃ আৰু বিমলাপুৰ চাহ বাগিছাৰ স্বত্বাধিকাৰ কামাখ্যা প্ৰসাদ বৰুৱাৰ জীয়ৰী। এগৰাকী বিখ্যাত নৃত্যশিল্পী। দেশ বিদেশত নৃত্য প্ৰদৰ্শন কৰি সুনাম ৰাখি থৈছে। তেওঁৰে জীয়াৰি মেনকাই নৃত্য প্ৰদৰ্শন কৰি সুনাম অৰ্জন কৰিছে।

**ৰাম চাচনি ঃ** সু গায়ক। তেখেত চেপন চাহ বাগিছাৰ। চাহ বাগিছাৰ ভৱিষ্যনিধিৰ উচ্চ বিষয়া আছিল। অনাতাঁৰ শিল্পী হিচাবে পৰিচিত।

**শংকৰ কিষাণ ঃ** সু গায়ক। মটক চাহ বাগিছাৰ কৰ্মচাৰী আছিল।

**চাৰু গোহাই ঃ** চৰাইদেউ চাহ বাগিছাৰ আছিল। অনাতাঁৰ শিল্পী চাৰু গোহাঁইৰ জনপ্ৰিয় গীত ৰাতি বাঁহী বায় কোনে কন্দুৱাই আদিকে কৰি বহুগীত আমাক দি গৈছে।

**জিতু-তপন ঃ** ল’ৰালি কাল কমলপুৰ চাহ বাগিচাত কটাইছিল। কবি, নাট্যকাৰ দুৰ্গেশ্বৰ শৰ্ম্মাৰ ভতিজাক, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ সংগীত পৰিচালক।

**তিলমিজুৰ ৰহমান ঃ** চৈকতা চাহ বাগিছাৰ কৰ্মচাৰী আছিল। অসমৰ বোলছবি জগতত এজন প্ৰভাৱশালী অভিনেতাৰূপে পৰিচিত।

**মুহিবুদ্দিন আহমেদ ঃ** তেখেতক তগৰ বুলি সকলোৱে জানে। গণশিল্পীৰূপে পৰিচিত। অসম চাহ নিগমৰ অভ্যন্তৰীণ পৰীক্ষক আছিল। তেখেতে অসমৰ বিভিন্ন অনুষ্ঠানত গীত পৰিৱেশন কৰি সমাদৰ লাভ কৰিছিল।

**নীপু শৰ্মা ঃ** শোণিতপুৰৰ জুলিয়া চাহ বাগিচাত জন্ম। সু গায়ক। বৰ্তমান সাংস্কৃতিক সঞ্চালকৰ ষ্টাফ আৰ্টিচ হিচাবে কৰ্ম্মৰত।

**দুলাল মানকী ঃ** ভাল ঝুমুৰ গায়ক, ঝুমইৰ সম্ৰাট উপাধী লাভ কৰা প্ৰথম ব্যক্তি। তেখেত বাদ্যযন্ত্ৰত সিদ্ধহস্ত অসমীয়া গীততো সমাদৃত।

**দিল বদন দাস ঃ** তেখেত মৰাণ চাহ বাগিছাৰ। নৃত্যশিল্পী, ভাল গায়ক লগতে ঢোল বাদক হিচাবে খ্যাতি অৰ্জন কৰিছে।

**হৰেন্দ্ৰ ৰাজোৱাৰ ঃ** তেখেত হনুমান চাহ বাগিছাৰ। ভাল ঝুমুৰ গায়ক, নাট্যকাৰ ও অভিনেতা।

**নীলেশ্বৰ চিক ঃ** মেকিপুৰ চাহ বাগিছাৰ। ভাল ঝুমুৰ গায়ক ও বাদ্যবাদক।

**মেটকা মুৰ্মু ঃ** তেখেত চিংৰীজান চাহ বাগিছাৰ। ভাল ঝুমুৰ গায়ক, নাট্যকাৰ আৰু অভিনেতা।

**দীননাথ চাওৱা ঃ** বৰফলং চাহ বাগিছাৰ। ভাল গায়ক।

**প্ৰাক্তন মন্ত্ৰী দিলেশ্বৰ তাঁতী ঃ** বৰহাপজান চাহ বাগিছাৰ। ভাল গায়ক।

**প্ৰাক্তন মন্ত্ৰী বাৰ্কী প্ৰসাদ তেলেঙ্গা ঃ** খঙিয়া চাহ বাগিচাৰ। ভাল গায়ক ও অভিনেতা

**গোলাপ তাঁতী ঃ** ঢেকিয়াল চাহ বাগিছাৰ। সুন্দৰ বাঁহী বাদক আৰু কৌতুক অভিনেতা আছিল।

১ পৃষ্ঠাৰ পৰা

# অসমৰ সেউজশিল্প চাহ বাগিছাৰ গৌৰৱ . . .

ৰাজ্যখনৰ শিক্ষা, সাহিত্য, সংস্কৃতি আৰু ৰাজনৈতিক জগতত যথেষ্ট অৰিহণা যোগাই আহিছে তাৰে কিছু ব্যক্তিৰ নাম আৰু কৰ্মৰাজিক পাঠক সমাজলৈ আগবঢ়াবলৈ প্ৰয়াস কৰা হ'ল।

**শিৱ প্ৰসাদ বৰুৱা ঃ** বৰুৱাদেৰ এগৰাকী প্ৰখ্যাত চাহ খেতিয়ক আছিল। তেখেতে ঠেঙালবাৰী বাগিচাৰ পৰা প্ৰথম অসমীয়া দৈনিক কাকত 'বাতৰি' উলিয়াইছিল।

**কৃষ্ণকান্ত সন্দিকৈ ঃ** তিৰুৱাল চাহ বাগিছাৰ স্বত্বাধিকাৰ দানবীৰ ৰাধাকান্ত সন্দিকৈৰ জ্যেষ্ঠ পুত্ৰ। এসময়ৰ জে.বি মহাবিদ্যালয়ৰ অধ্যক্ষ, গুৱাহাটী বিশ্ব বিদ্যালয়ৰ উপাচাৰ্য কৃষ্ণকান্ত সন্দিকৈয়ে বিলাতৰ পৰা উচ্চ শিক্ষা আহৰণ কৰি তিৰুৱাল চাহ বাগিচা পৰিচালনা কৰি বাগিচাখনৰ আৰ্থিক দিশ সবল কৰিছিল।

**নন্দেশ্বৰ চক্ৰৱৰ্তী ঃ** ডিব্ৰুগড়ৰ চাহ খেতিয়ক। তেখেতে অসমীয়া দৈনিক 'তৰুণ' কাকত উলিয়াইছিল।

**সোমেশ্বৰ বৰুৱা ঃ** তিনিচুকীয়াৰ চাহ খেতিয়ক। ইংৰাজী দৈনিক কাকত 'আসাম ট্ৰিবিউন' উলিওৱাত ৰাধাগোবিন্দ বৰুৱাক সহায় কৰিছিল।

**ইন্দ্ৰ কমল বেজবৰুৱা ঃ** বাগিছাৰ স্বত্বাধিকাৰ। তেখেতে দৈনিক 'নতুন অসমীয়া' কাকত উলিয়াইছিল। তেখেতৰ পৰিয়ালেই মাহেকীয়া আলোচনী 'ৰামধেনু' প্ৰকাশ কৰিছিল।

**চন্দ্ৰধৰ বৰুৱা ঃ** যোৰহাটৰ ৰবৈয়া বাগিছাৰ স্বত্বাধিকাৰ। তেখেত কবি, নাট্যকাৰ আছিল। তেখেতৰ কবিতা পুথি 'ৰঞ্জন' নাটক 'মেঘনাদ বধ', ভাগ্য পৰীক্ষা, তিলোত্তমা সম্ভৱ, ৰাজৰ্ষি আৰু কামৰূপ জীয়ৰী।

**দুৰ্গেশ্বৰ শৰ্ম্মা ঃ** যোৰহাটৰ কমলপুৰ চাহ বাগিছাৰ স্বত্বাধিকাৰ। কবি নাট্যকাৰ হিচাবে বিখ্যাত। তেখেতে ওৱৰ্ডচৱৰ্থৰ 'লুচি' অনুবাদ কৰি অসমৰ ওৱৰ্ডচৱৰ্থ নাম পাইছিল। শৰ্ম্মাদেৱ 'অঞ্জলিৰ কবি ৰূপে খ্যাত। 'নিবেদন' তেখেতৰ আন এক কবিতা পুথি। তেখেতৰ নাটক 'পাৰ্থ পৰাজয়' আৰু 'বালীবধ' 'চন্দ্ৰাৱলী' আৰু 'পদ্মাৱতী' ভাঙনি নাটক।

**হেৰম্ব প্ৰসাদ বৰুৱা ঃ** গোলাঘাটৰ শালমৰা বাগিছাৰ স্বত্তাধিকাৰ আছিল। অসম সাহিত্য সভাৰ এক বিশেষ অধিৱেশনত সভাপতিত্ব কৰিছিল।

**নকুল চন্দ্ৰ ভূঞা ঃ** চিনামৰা, বৰ চাপৰি, কাটনিবাৰীত চাকৰি কৰিছিল। আদিতে এই বাগিচা কেইখন পৃথিৱীৰ বৃহৎ দ্বিতীয় চাহ কোম্পানী যোৰহাট টি. কোম্পানীৰ অধীনত আছিল। তেখেতৰ 'চাহ বাগিছাৰ ৰণুৱা মূল্যবান পুথি তেখেতে 'বাৰভূঞাৰ বুৰঞ্জী', ৰাধাকান্ত সন্দিকৈৰ জীৱনী'ৰ উপৰিও সাতখন নাটক আৰু চাৰিখন গল্প গ্ৰন্থ লিখি থৈ গৈছে।

**হিতেশ্বৰ বৰবৰুৱা ঃ** গোলাঘাটৰ চকলাটিং বাগিছাৰ কৰ্মচাৰী আছিল। তেখেতৰ 'আহোমৰ দিন' মূল্যবান বুৰঞ্জী। তেখেতৰ কবিতাপুথি কমতাপুৰৰ ধ্বংস কাব্য, যুদ্ধক্ষেত্ৰত আহোমৰ ৰমনী, 'তিৰোতাৰ আত্মদান' আৰু 'বিৰহিনী বিলাপ কাব্য। 'মালিতা' উপন্যাস ৰচনা কৰিছিল তেখেতেই।

**দুৰ্গা প্ৰসাদ মজিন্দাৰ বৰুৱা ঃ** শিৱসাগৰৰ শুকান পুখুৰী বাগিছাৰ কৰ্মচাৰী আছিল। তেখেতৰ 'মহৰি' আৰু 'নিগ্ৰো' অসমীয়া নাট্য জগতত মূল্যবান সংযোজন। তেখেতৰ আন দুখন নাটক 'গুৰুদক্ষিণা' আৰু 'বৃষকেতু' উল্লেখযোগ্য।

**আনন্দ চন্দ্ৰ বৰুৱা ঃ** বকুল বনৰ কবি। জন্ম, দিহা চাহ বাগিছাত। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি। 'হাফিজুৰ মুৰ' চুফী কবিতাৰ অনুবাদ কৰি প্ৰতিষ্ঠা লাভ কৰে। তেখেতৰ কবিতাপুথি 'পৰাগ' আৰু 'ৰঞ্জন ৰশ্মি' নাটক 'বিসৰ্জন' আৰু 'কপৌ কুৱৰী।'

**বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য ঃ** তেখেতৰ জন্ম শিৱসাগৰৰ চাফ্ৰাই চাহ বাগিছাত। জ্ঞানপীঠ' বঁটা বিজয়ী। তেখেত সাহিত্য একাডেমীৰ সভাপতি আছিল। তেখেত একেধাৰে কবি, গল্পকাৰ, ঔপন্যাসিক আৰু চিন্তাশীল প্ৰৱন্ধকাৰ। 'কলং আজিও বয়', 'মৃত্যুঞ্জয়' প্ৰতিপদ', কাল হুমুনিয়াহ তেখেতৰ গল্প পুথি ও উপন্যাস।

**অধ্যাপক নলিনীধৰ ভট্টাচাৰ্য ঃ** তেখেতৰ জন্ম চাফ্ৰাই বাগিছাতে। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ ককায়েক। তেখেত এগৰাকী আগশাৰীৰ কবি আৰু সমালোচক। 'চেৰাশালীৰ মালিতা', এই কুৱলীতে, 'মাহুত সপোন' 'ননী আছেনে ঘৰত' তেখেতৰ কবিতা পুথি। 'কবিতাৰ কথা' 'কবিতা আৰু নেপথ্য,'' ফুল আৰু মূল'' সমালোচনা পুথি।

**নীলমণি ফুকন ঃ** গোলাঘাটৰ ৰঙাগড়া চাহ বাগিছাৰ কৰ্মচাৰীৰ পুত্ৰ। কবি ও কলা ৰখিক হিচাবে খ্যাত। তেখেত সাহিত্য একাডেমি বঁটা প্ৰাপ্ত। তেখেতৰ সৃষ্টি 'কাইট গোলাপ আৰু কাইট' 'ফুলি থকা সূৰ্যমুখী ফুলটোৰ ফালে'', ''সূৰ্য হেনো নামি আছে এই নদীয়েদি'', গোলাপী জামুৰ লগ্ন'', ''নৃত্যৰতা পৃথিৱী, ''জাপানী কবিতা'' আৰু ''চীনা কবিতা''।

**ডঃ নগেন শইকীয়া ঃ** গোলাঘাট জিলাৰ শালকাঠনি বাগিছাৰ কৰ্মচাৰীৰ সন্তান। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপক আছিল। দুবাৰকৈ সাহিত্য সভাৰ সভাপতি নিৰ্বাচিত হৈছিল। সাহিত্য একাডেমি বঁটা বিজয়ী। তেখেতৰ ছুটি গল্প সংকলন 'কুৱেৰ হাতীবৰুৱা, 'বন্ধকোঠাত ধুমুহা' আন্ধাৰত নিজৰ মুখ' ইত্যাদি।

**ডাঃ হীৰালাল দুৱৰা ঃ** মৰানৰ ৰাজগড় বাগিচাত জন্ম। তেখেত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আছিল।

**প্ৰমোদ কুমাৰ বৰদলৈ ঃ** তেখেত নখ্রাই চাহ বাগিছাৰ। তেখেতৰ উপন্যাস, ''প্ৰতিমাৰ পালা জানো প্ৰাণ'' অসমীয়া সাহিত্যলৈ এক উল্লেখযোগ্য অৱদান।

**পদ্মেশ্বৰ বৰঠাকুৰ ঃ** ডিব্ৰুগড় এথেলউদ চাহ বাগিচাৰ কৰ্মচাৰী আছিল। তেখেতৰ 'স্বাধীনতা ৰণৰ সংস্পৰ্শত' গ্ৰন্থখনত চাহ খেতিৰ পুৰণা ইতিবৃত্তি বৰ্ণনাৰ ওপৰিও স্বাধীনতা আন্দোলনৰ প্ৰভাৱ চাহ বাগিছা সমূহত কেনেদৰে পৰিছিল তাৰ বৰ্ণনা আছে।

**মহেন্দ্ৰ বৰঠাকুৰ ঃ** মাকুমৰ হেবেদা বগিছাৰ কৰ্মচাৰীৰ সন্তান। অসমৰ এগৰাকী আগশাৰীৰ নাট্যকাৰ, ব্যঙ্গ লিখক হিচাবে পৰিচিত। সাপ্তাহিক 'প্ৰত্যয়' কাকতৰ সম্পাদনা কাৰ্যত জড়িত থকাৰ লগতে এজন উপন্যাসিক হিচাবে খ্যাত।

**কবি ৰাম গোস্বামী ঃ** তেখেত বৰহাপজান বাগিছাৰ। তেখেত অসম সাহিত্য সভাৰ কবি সন্মিলনৰ এজন প্ৰাক্তন সভাপতি আছিল।

**দেবেন্দ্ৰ নাথ সোনোৱাল ঃ** লংছোৱাল বাগিছাৰ। প্ৰাক্তন ডি, আই, জি আৰু ৰামধেনু যুগৰ জনপ্ৰিয় গল্পকাৰ আছিল।

**ক্ষীৰোদ শইকীয়া ঃ** এখেতৰ জন্ম লংছোৱাল বাগিছাত। এজন আইনজীৱি আৰু ৰামধেনু যুগৰ জনপ্ৰিয় গল্পকাৰ আছিল।

**কবি হৰি বৰকাকতি ঃ** বিছাকুপি বাগিছাৰ কৰ্মচাৰীৰ সন্তান। তেখেতৰ 'কোনোবা শীতৰ এটি বগা সন্ধিয়াত' ৰামধেনু যুগৰ ভিন্নধাৰাৰ কবিতা সংকলন।

**ডা ঃ দীপালি দত্ত ঃ** বিছাকুপি বাগিছাৰ তেখেতৰ মনগহন'ৰ মনোবিশ্লেষণ ধৰ্ম্মী কাহিনী সমূহ বিশেষ উল্লেখযোগ্য।

**নিৰোদ চৌধুৰী ঃ** সদাশিৱ চাহ বাগিছাৰ কৰ্মচাৰীৰ সন্তান। তেখেত বিশিষ্ট লচিত্ৰ সাংবাদিক। 'অসম বা'' কাকতৰ প্ৰাক্তন সম্পাদক। গল্প লিখক, উপন্যাসিক হিচাবেও তেখেত জনপ্ৰিয়। ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত অসমীয়া বোলছবি 'চামেলি মেমচাহাব'ৰ কাহিনী আছিল তেখেতৰ।

**যদু বৰপূজাৰী ঃ** ৰাইদাং বাগিছাৰ। তেখেত এজন বিশিষ্ট গল্পকাৰ।

**নন্দ গোস্বামী ঃ** সদাশিৱ বাগিছাৰ কৰ্মচাৰী আছিল। তেখেত জীৱনীকাৰ আৰু সংবাদসেৱী আছিল।

**কবি অম্বেশ্বৰ চেতিয়া ফুকন ঃ** সোনাৰীৰ নাফুক বাগিছাৰ কৰ্মচাৰী আছিল। তেখেতক 'কবিতা কোঁৱৰ' ৰূপে জানিছিল। অসম সাহিত্য সভাৰ একনিষ্ঠ সেৱক আছিল।

**শ্ৰীমতী প্ৰণতি বৰুৱা ঃ** ধলা বাগিছাৰ কৰ্মচাৰীৰ কন্যা। এগৰাকী প্ৰসিদ্ধ কবি আৰু সুগায়িকা। তেখেত ধলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী।

**অধ্যাপিকা নীলিমা দত্ত ঃ** নগাঁৱৰ কলিয়াবৰ বাগিছাৰ কৰ্মচাৰীৰ কন্যা। তেখেত কবি, উপন্যাসিকা। তেখেতৰ 'আকাশবন্তি আৰু 'ধুমুহাৰ পিছত' উপন্যাসত চাহ বাগিছাৰ বৰ্ণনা আছে।

**যোগেশ দাস ঃ** তেখেতৰ জন্ম হাঁহচৰা বাগিছাত। ৰামধেনু যুগৰ পৰা বিভিন্ন গল্প, উপন্যাস, প্ৰৱন্ধৰ সৃষ্টিকৰ্ত্তা। তেখেতৰ 'ডাৱৰ আৰু নাই' উপন্যাসত চাহ বাগিছাৰ কথাই প্ৰাধান্য লাভ কৰিছে। 'ৰতনলাল' বোলছবিৰ কাহিনী তেখেতৰ।

**মহিম বৰা ঃ** সাবাৰু বাগিছাত জন্ম। তেখেতৰ গল্প সংকলন 'কাঠনি বাৰীৰ ঘাট।'' কবিতা সংকলন 'ৰঙাজিয়া'। তেখেত অসম সাহিত্য সভাৰ ডুমডুমা অধিৱেশনৰ সভাপতি আছিল।

**দেবেন আচাৰ্য ঃ** দিৰৈ বাগিছাৰ কৰ্মচাৰীৰ পুত্ৰ। তেখেত ইঞ্জিনীয়াৰ আছিল। তেখেতৰ উপন্যাস 'অন্য যুগ অন্য পুৰুষ' সংগম। কবিতা পুথি 'ৰামধেনু কাৰ ধেনু' অসমীয়া সাহিত্য জগতলৈ অনুপম অৱদান।

**সনন্ত তাঁতী ঃ** কৰিমগঞ্জৰ কালীনগৰ বাগিছাৰ সন্তান। চাহ বাগিছা ভৱিষ্যনিধিৰ গুৱাহাটী কাৰ্যালয়ৰ বিষয়া আছিল। তেখেতৰ কবিতা সংকলন 'উজ্জ্বল নক্ষত্ৰৰ সন্ধানত' 'মই মানুহৰ অমল উৎসৱ' 'নিজৰ বিৰুদ্ধে এক প্ৰস্তাৱ, শব্দ অথবা শব্দহীনতাত 'মৃত্যুৰ আগতে ষ্টপেজত, 'টোপনিতো কেতিয়াবা বাৰিষা আহে।

**সমীৰ তাঁতী ঃ** গোলাঘাটৰ বিহুৰা বাগিছাৰ সন্তান। তেখেত পৰ্য্যটন বিভাগৰ বিষয়া। তেখেত এজন চিত্ৰশিল্পী হিচাবেও পৰিচিত। তেখেতৰ প্ৰকাশিত কবিতা পুথি যুদ্ধভূমি', 'কৃষ্ণাঙ্গ কবিৰ কবিতা, 'শোকাকুল উপত্যকা' আৰু বিষয় দুৰ্ভিক্ষ। এগৰাকী গদ্য লিখকো।

**মেঘৰাজ কৰ্মকাৰ ঃ** জামিৰা চাহ বাগিছাৰ স্কুল শিক্ষক আছিল। তেখেত চাহ জনগোষ্ঠীৰ সাহিত্যিক পেঞ্‌তনাৰ। তেখেতৰ অৱদান 'শালুক বচন' 'খেলিমেলি, 'পানকে ডাঠি', চহৰাই পৰৱ' ইত্যাদি।

**দেউৰাম তাচা ঃ** যোৰহাট হাতীগড় বাগিছাৰ। তেখেতৰ লিখিত পুথিৰ ভিতৰত 'বাগিছাৰ প্ৰচলিত সাধু', 'চাহ বাগিছাৰ পূজা-পৰৱ' উল্লেখযোগ্য।

**প্ৰহলাদ চন্দ্ৰ তাচা ঃ** হাতীগড় বাগিছাৰ। তেখেত এজন কবি। তেখেতৰ কবিতা পুথি 'শতাব্দী 'গুৱাহাটীৰ ৰূপৰেখা।

**ৰঞ্জু হাজৰিকা ঃ** মোনাবাৰী চাহ বাগিছাত জন্ম। চপাই চাহ বাগিছাৰ স্কুল শিক্ষক আছিল। ৰহস্য উপন্যাস আৰু গল্প লিখক। বহু সংখ্যক ৰহস্য উপন্যাসৰ লিখক হিচাবে খ্যাতি অৰ্জন কৰিছে।

**গণেশ চন্দ্ৰ কুৰ্ম্মী ঃ** তেখেতৰ জন্ম বাগিছাত। তেখেত চাহ শ্ৰমিক কল্যাণ পৰিষদৰ আয়ুক্ত হৈ আছিল। তেখেতৰ প্ৰকাশিত পুথি 'কুৰ্মী জাতিৰ চমু পৰিচয়, 'কৰম পৰৱ আৰু ঝুমুৰ গীত,'' চাহ জনজাতি লোক সংস্কৃতিৰ একঝলক আৰু চাহ জনজাতিৰ কিম্বদন্তী।

**মানিকলাল মাহত্ব ঃ** মৰিয়নী অঞ্চলৰ নাগাজাংকা চাহ বাগিছাত জন্ম। তেখেত এগৰাকী চিন্তাশীল লিখক। তেখেতে পাঠক সমাজলৈ কেইবাখনো গ্ৰন্থ, হাতপুথি আগবঢ়াই সুনাম কঢ়িয়াইছে। তেখেতৰ গ্ৰন্থপুথি সমূহ হ'ল 'ছেলুলাৰ জেইলৰ ডায়েৰী, 'সফল কেনেকৈ হ'ব পাৰি,' সঞ্চয় আৰু সঞ্চয়ৰ অভিজ্ঞতা'', আধুনিক যুগৰ মানুহ আৰু চিন্তাগ্ৰস্ততা, 'পঞ্চায়ত আইন, পঞ্চায়তৰ বৃত্তীয় বিধি, পঞ্চায়তৰ কৰ্ম পদ্ধতি। তাৰোপৰি কিছু প্ৰৱন্ধ অনাতাঁৰ কেন্দ্ৰৰ দ্বাৰা প্ৰচাৰিত হৈছে।

**অৰুন্ধতী ৰয় ঃ** তেখেতৰ পিতৃ নগাঁৱৰ শালনা চাহ বাগিছাত কাম কৰিছিল। তেখেত 'বুকাৰ বঁটা বিজয়ী।

**সাংস্কৃতিৰ ক্ষেত্ৰত অৱদান ঃ**

**জ্যোতিপ্ৰসাদ আগৰৱালা ঃ** ভোলাগুৰি চাহ বাগিছাৰ স্বত্বাধিকাৰ হৈয়ো শ্ৰমিকৰ শ্ৰমৰ মূল্যবোধৰ বাৰে চিন্তা কৰি পুজিবাদীৰ শোষণৰ বিৰুদ্ধে যুঁজ দিছিল। বাগিছাতে 'ফিল্ম ষ্টুডিঅ' পাতি 'জয়মতী', ইন্দ্ৰমালতী' কথাছবি প্ৰস্তুত কৰি প্ৰখ্যাত হৈ পৰিছিল। তেখেতৰ 'শোণিত কুৱৰী', 'কাৰেঙৰ লিগিৰী, ৰূপালীম, লভিতা আদি নাট অসমীয়া নাট্যজগতত তথা অসমীয়া সাহিত্যলৈ অনবদ্য অৱদান।

**পাৰ্ব্বতী প্ৰসাদ বৰুৱা ঃ** সোনাৰী বাগিছাৰ স্বত্বাধিকাৰ। গীতি কবি নামে পৰিচিত তেখেতৰ অৱদান গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱন। শিৱসাগৰৰ ঘুৰণ ৰঙ্গমঞ্চ। তেখেতে ৰূপহী কথাছবি নিৰ্ম্মাণ কৰি গৈছিল।

**প্ৰফুল্ল চন্দ্ৰ বৰুৱা ঃ** অসমৰ এগৰাকী নামজ্বলা চাহ খেতিয়ক। কাকডোঙা, কুৱৰীবাৰী, আইদেউ পুখুৰী, সুন্দৰপুৰ, বৰুৱাগাঁও, ৰতনপুৰ, মহালক্ষ্মী বাগিছাৰ স্বত্বাধিকাৰী আছিল। তেখেত এগৰাকী বলিষ্ঠ অভিনেতা ও গায়ক আছিল। তেখেতে পোনপ্ৰথম অসমীয়া গীতৰ ৰেকৰ্ড বাণীবদ্ধ কৰে ১৯২৪ চনত। মুঠ চাৰিটা গানৰ এখনত 'অসমা নিৰুপমা জননী', কিয়নো পাহৰা হেৰা অসমীয়া চিৰকাল তুমি আছিলা স্বাধীন।' আনখনত আছিল 'ফুলো ফুলিলে জোনায়ে হাঁহিলে', 'হৃদয় বিদাৰি উঠে' উল্লেখযোগ্য।

**ৰোহিনী কুমাৰ বৰুৱা ঃ** ডিব্ৰুগড়ৰ চাহ খেতিয়ক। ৰজনীকান্ত বৰদলৈৰ মনোমতী উপন্যাসৰ আধাৰত একে নামেৰে কথাছবি নিৰ্মাণ কৰি সপত্নীক অভিনয় কৰিছিল।

**তফজ্জুল আলী ঃ** ভুটিয়াচাং চাহ বাগিছাত জন্ম। তেখেত গীতিকাৰ, সঙ্গীতজ্ঞ ও নাট্যকাৰ আছিল। তেখেতে গীতৰ পুথি 'মান্দাক্ৰান্তা' 'অনুষ্টুপ' আৰু 'অঘৰী ককাইদেউ''। নাটক 'বেড নংফ্ৰাই, কড়ি কোমল,'' 'বাসন্তীৰ বিয়া'' উল্লেখযোগ্য।

**জাহ্নু বৰুৱা ঃ** লাকুৱা চাহ বাগিছাত জন্ম। মৰাণৰ ঔ ফুলীয়া চাহ

১১ পৃষ্ঠাত...

# কবিতাৰ স্বৰূপ চিন্তণ

❑ *গোপাল চন্দ্ৰ বেজবৰুৱা*

সাহিত্যৰ কেউটা শাখাৰ ভিতৰত কবিতা লিখাটো বৰ জটিল কৰ্ম। অনুভূতিপ্ৰৱণ যিকোনো লোকে কবিতা বা পদ্য লিখিব পাৰিলেও, কাব্য কলাসন্মত কবিতা নিৰ্মাণ যথেষ্ট সমস্যাবহুল, কষ্টসাধ্য সেয়ে ই বহু শ্ৰমসাধ্য। কিয়নো ৰমনীয়াৰ্থং শব্দং কাব্যম সেয়ে কবিতা অনুভূতিৰ আধাৰত জাত মধুমঙ্গলময় শিল্পকলা।

**কবিতাৰ উৎস:** কবিতা যিহেতু তোৰো নহয়, মোৰো নহয়, তোৰ মোৰ সকলোৰে। সেয়ে কাব্যকৰ্মত প্ৰবৃত হোৱা যিকোনো ব্যক্তিৰ মনত যান্ত্ৰনা জন্মাই কি লিখিম? কালৈ লিখিম? কেনেকৈ লিখিম? ইত্যাদি বহু প্ৰশ্নবাণে। প্ৰকৃত কাব্য কৰ্মত প্ৰবৃত্ত কবিয়ে অধ্যয়ন, অধ্যাপনা, মনন, বিচাৰ, বিশ্লেষণেৰে এনেবোৰ দ্বন্দ্বাত্মক পৰিস্থিতি আগতিয়াকৈ সমাধান কৰি ল'ব লগা হয়।

সাম্প্ৰতিক কবিতা কঠিন বাস্তৱ জীৱন আৰু জগতৰ ওপৰত আধাৰিত। আনহাতে, কবি নিজেও সামাজিক প্ৰাণী। সেই হিচাপে ব্যক্তি, সামাজিক, সভ্যতা সংস্কৃতিৰ প্ৰতি কবি দায়বদ্ধ। এনে পটভূমিতে সমাজ আৰু ব্যক্তি জীৱনক সুপথে পৰিচালিত কৰি সমাজ সভ্যতাক সঠিক স্থানত উপনীত কৰাবৰ কাৰণেই হাতত শব্দৰ ধাৰাল তৰোৱাল লৈ, সদাজাগ্ৰত প্ৰহৰী হ'ব লগা হয়। কবিতাৰ জন্মৰ পৰা বৰ্ত্তমানলৈকে সকলো কবিৰ কাব্যকৰ্মত সমাজ তথা মানৱতা আৰু সংস্কৃতিৰ ৰক্ষনাবেক্ষনেৰে আগুৱাই নিয়া দেখা যায়।

কোনো এক চিত্ৰকল্প বা পটভূমিকলৈ লিখা একোটা কবিতাই সহৃদয় পাঠক শ্ৰোতাৰ ৰসভোগ্যতা অথবা ভাল লগা নলগাৰ মূল উপজীব্য হ'ল কবিৰ ভাৰ-অনুভূতিৰ জীৱতা, ধ্যান-ধাৰণা গ্ৰহণ, ক্ষমতা, বিচাৰ-বিশ্লেষণ, উপস্থাপন আৰু প্ৰকাশভঙ্গীৰ ওপৰত বহুলাংশে নিৰ্ভৰশীল একোজন ৰসভোক্তা সহৃদয়ৰ ওচৰত কবিৰ আবেদনময়ী সাৰ্বজনীনতা, শব্দ, ছন্দ, ৰস অলংকাৰ,ধ্বনি ব্যঞ্জনা, ভাৱ-অনুভূতিৰ গভীৰতা আৰু ৰমণীয়তা আদি বিষয়সমূহ বিচাৰলৈ আহে। ৰসযুক্ত শব্দৰ চাতুৰ্য্যময় লয়লাস গতিপ্ৰকৃতিয়ে সামান্য বিষয়বস্তু সম্বলিত একোটা কবিতাই ৰসভোক্তা সহৃদয়ক সন্মোহিত কৰিব পৰা যায়। সেয়েহে ইয়াকে ৰসো এৱ বৈঃ বোলা হয়।

**কবিতা আৰু শব্দ:** শব্দ অনন্ত শক্তিমন্ত, কলাত্মক আৰু অক্ষয় অব্যয়। এই কথা জানি বুজি কবিয়ে সঠিকভাৱে কাব্যগুণসমূহ স্ব-কাব্যকৃতিত আৰোপ কৰিব পাৰিলেহে কবিচাৰ আত্মা জাগ্ৰত হৈ ৰমণীয় হৈ উঠি ৰস ৰসিকক আহ্লাদিত কৰাৰ লগতে কব্য দেহৰ সকলো অঙ্গ প্ৰত্যঙ্গত সৰল সতেজতাৰে নিজৰ সন্মোহণী শক্তিৰে শ্ৰোতা পাঠকক অপাৰ ৰস সাগৰত ডুবাই ৰখাত সক্ষম হ'ব। ইয়াৰ বাবে কবিৰ অন্তৰ সৌন্দৰ্য্য সুষমমণ্ডিত, জ্ঞানৰ গভীৰতা আৰু তাৰ বিস্তৃতিৰ প্ৰয়োজন। ইয়াৰ অবিহনে কবিৰ সাৰ্থক সৃষ্টি সুদূৰ পৰাহত হৈ থাকে। এই তাৰণেই কবিক একাগ্ৰতা, গভীৰ সাধনাৰ প্ৰয়োজন।

কবিতাত ব্যৱহৃত শব্দ ধ্বনিগত মূল সাধাৰণতে তিনিটা স্তৰত পোৱা যায়। সেয়া হ'ল (1) অক্ষৰ ধ্বনি, (2) ধ্বনি গুচ্ছ আৰপ (3) ধ্বনি তৰঙ্গ ৰূপত। অৱশ্যে কাব্যৰ ৰস ভোগত উক্ত তিনিওটা স্তৰ স্বতন্ত্ৰভাৱে নাথাকি পৰস্পৰে অনুস্যুত হৈ সামগ্ৰিকভাৱে অভিজ্ঞতাৰ সৃষ্টি কৰে। আকৌ, শ্ৰৱণ শক্তিৰ বাবে সিবোৰ কেতিয়াবা কেতিয়াবা পৃথক যেন অনুভূত হ'লেও (1) শব্দৰ উচ্চাৰণ কাণেৰে শুনোতে প্ৰতিটো অক্ষৰ ধ্বনি স্বতন্ত্ৰ আৰু বৈচিত্ৰপূৰ্ণ বিশিষ্ট ধ্বনি ৰূপত প্ৰতিভাত হৈ উঠে, (2) এই অক্ষৰ ধ্বনিসমূহ প্ৰথমে শব্দৰ সমষ্টিৰূপত, কাব্যত ব্যৱহৃত পংক্তিৰূপত পাঠকৰ দ্বাৰা শ্ৰোতাৰ কৰ্ণপথেৰে প্ৰৱেশ কৰি মনৰ মাজত বিভিন্ন ভাৱৰ সৃষ্টি কৰি জোঁৱাৰ তোলে। সেয়েহে এই ধ্বনিবোৰৰ বিভিন্ন স্বৰূপৰ প্ৰতি লক্ষ্য কৰি মহাকবি ডাণ্টে ধ্বনিযুক্ত শব্দবোৰক কৰ্কশ. কঠিন, কোমল, গম্ভীৰ, লঘু, দ্ৰুত, মন্থৰ আদি বহুতো ভাগত ভাগ কৰে। শব্দৰ ধ্বনিসমূহৰ তৰঙ্গৰ প্ৰকৃতি আৰু প্ৰবৃত্তিৰ প্ৰতি লক্ষ্য ৰাখি বাংলা কাব্যৰ প্ৰখ্যাত আলোচক শিৱনাৰায়ণ ৰায়ে কৈছে- কাব্য দেহে কোন বিশুদ্ধ ধ্বনিই প্ৰকট হ'য়ে দেখা দেয় না, দিলে তা কাব্য সম্ভোগ ব্যহত কৰে। কিন্তু ধ্বনি সঙ্গমে যে বিচিত্ৰ ধ্বনিসুষমাৰ উদ্ভৱ হয় তাৰ সমগ্ৰ আবেদন এইসব ধ্বনি উপাদানেৰ চৰিত্ৰ দ্বাৰাই হয়ে থাকে (সাহিত্য চিন্তা, 150 পৃ)। কালিদাসৰ কুমাৰ সম্ভৱ, মেঘদূত, জয়দেৱৰ গীত গোবিন্দম আদিত এনে উদাহৰণ বহুতো ৰোৱা দেখা যায়। যথা-

ললিতলৱঙ্গলতাপৰিশীলনকোমলমলয়সমীৰে।

মধুকৰনিকৰকৰম্বিতকোকিলকূজিতকুঞ্জকটিৰে।। -গীত গোবিন্দম

ভাল আবৃত্তিকাৰৰ মুখত সংস্কৃতৰ অৰ্থ নজনা লোকে শুনিলেও অৰ্থ বোধগম্য হোৱাত অসুবিধা নাপাব। কবিতা পংক্তিয়ে প্ৰাকৃতিক পৰিবেশৰ এটা লঘু, কোনল মিঠা আমেজেৰে মিঠা ভাৱ প্ৰকাশ কৰিছে। ঠিক তেনেদৰে কালিদাসৰ কুমাৰ সম্ভৱমৰ তৃতীয় সৰ্গত একেটা কবিতাৰ মাজত ভাৱ পৰিৱৰ্তণৰ লগত পদৰ ধ্বনিগত চৰিত্ৰলৈ গভীৰ পৰিৱৰ্তণ অহাৰ সুন্দৰ উদাহৰণ পোৱা যায়।

**সাম্প্ৰতিক কবিতা আৰু বিচাৰ:** সাম্প্ৰতিক কালত মানুহৰ অমূল্য সম্পদ মানৱতাই বধ্যভীমিত প্ৰেতাত্মাৰ সৈতে সহবাস কৰিব লগা হৈছে। প্ৰতিটো আত্মা অহৰহ ক্ৰন্দনৰত। শিক্ষাই বহু সময়ত জ্ঞানক গলা টিপি মাৰিছে। সভ্যতা সংস্কৃতিয়ে কাকদাৰ ৰূপ ধাৰণ কৰি উলঙ্গ হৈ নাচিছে। এনে পৰিৱেশ পৰিস্থিতিৰ নিৰাকৰণৰৰ্থে মানৱতাৰ বাতৰ কঠিন মুঠিত শব্দৰ ধাৰাল কৃপাণ নাচিব লাগিব। তেহে আমাৰ সভ্যতা সংস্কৃতিয়ে এঙেৰুৱা গুছোৱা চাকিৰ পোহৰৰ দৰে উজ্জ্বল হৈ উঠিব।

কাব্য কৰ্ম ভাৱ আৰু ভাষা হাতত ধৰা ধৰিকৈ আহে। উপৰোক্ত পটভূমিৰ কবিতা এটা নিৰ্মাণত কবিৰ ভাৱ, অনুভূতি, পৰ্য্যাবেক্ষণ, শক্তি, শব্দ চয়ন, বয়ণ কৌশল যিমান প্ৰৱল আৰু গভীৰ হ'ব ভাষা যিমান সাৱলীল আৰু প্ৰাঞ্জল হৈ উঠিব। তেনে হ'লেহে একোজন সফল কবিৰ কাপৰ পৰা সহৃদয় পাঠক শ্ৰোতাই একোটা ৰসোতীৰ্ণ গুণ ধৰ্মবিশিষ্ট কবিতা লাভ কৰিব। একোজন সফল পাঠক বা আবৃত্তিকাৰৰ কণ্ঠই শ্ৰোতাক আপ্লুত কৰি কবিতা প্ৰাণ স্পন্দন ঘটায়। তেনে হ'লেহে কবিকৰ্মই সাৰ্থকতা লাভ কৰে। কিন্তু ইও এক বৰ জটিল কৰ্ম। সেয়ে সাধক, সাধ্য আৰু সাধনা একাগ্ৰতা অতি প্ৰয়োজনীয় উপাদানৰূপে স্বীকৃত।

কাব্যৰ দেহ বিচাৰত শব্দ, ছন্দ, অৰ্থ আৰু ভাৱ-অনুভূতিক মূল আধাৰৰূপে গ্ৰহণ কৰা হৈছে। সেয়েহে বহু আলংকাৰীকে শব্দত, বহুতে অৰ্থত, বহুতে ছন্দত আৰু এক শ্ৰেণীয়ে শব্দ আৰু অভিপ্ৰেত অৰ্থৰ ওপৰত গুৰুত্ব দি বিচাৰ কৰি আহিছে। এই পৰিপ্ৰেক্ষিতত শব্দাৰ্থৌ কাব্যম, (ৰূদ্ৰট), শব্দাৰ্থৌ নিৰ্দসৌ সগুনৌ প্ৰায়ঃ সাল সাঁৰৌ কাব্যম (বাণভট্ট), ৰমনীয়াৰ্থ প্ৰতি পাদকঃ শব্দঃ কাব্যম (ৰসগঙ্গাধৰ) বোলা হৈছে।

**কবিতাৰ আত্মাৰ বিচাৰ:** কাব্যৰ আত্মা কি, ই ক'ত থাকে, কেনেকৈ অনুভৱ হয়- ইত্যাদি বিচাৰ বিবেচনা কৰোতে (1) ৰীতিবোধ, (2) অলঙ্কাৰবাদ, (3) বক্ৰোক্তিবাদ, (4) ৰসবাদ আৰু (5) ধ্বনিবাদ এই পাঁছোটা মতৰ সৃষ্টি হয়। ভাৰতীয় কাব্য পৰম্পৰাৰ দীৰ্ঘ ইতিহাসত এই মতবাদসমূহ আজিও সক্ৰিয় হৈ আছে।

মানৱ ইতিহাসৰ শ্ৰেষ্ঠতম সম্পদ আৱিস্কাৰ হ'ল ভাষা আৰু ইয়াৰ সমৃদ্ধতম প্ৰয়োগ ঘটে কবিতাত। সেয়েহে কাব্যশ্ৰিত শব্দ আৰু অৰ্থৰ মাজৰ সম্পৰ্ক বিচাৰ কৰোতে শব্দোৰয়ং জ্যোতিঃ বোলাৰ উপৰিও দণ্ডিয়ে শব্দত জ্যোতি বিকিৰিত নহ'লে জগত পোহৰ নহয় বুলিয়েই অভিমত ব্যক্ত কৰিলে। কাজেই শব্দৰ দ্বাৰাই কাব্য, ইতিহাস, দৰ্শন আদি ৰচনা কৰা হৈছে- মনৰ ভাৱ প্ৰকাশৰ বাহন হৈ আহিছে। কাব্য আৰু ভাৱ- এই দুয়ো প্ৰকাশ ৰীতি অনুগামী হ'লে কাব্য সাহিত্যৰ সৃষ্টি হয়। কাব্যত শব্দক নিখুতভাৱে সংযোজনা কৰি সৌন্দৰ্য্যময় শিল্পমূৰ্ত্তি সৃষ্টি কৰিব পাৰিলেহে কাব্য কলা সৃষ্টিত চূড়ান্ত সাৰ্থকতা লাভ হয়। তেনে কাব্যকলা শিল্পৰ ৰস, ৰসিক চিত্তত সংক্ৰমিত কৰিবলৈ সক্ষম হ'লেহে শব্দ সংযোজনাই সেতুবন্ধৰ দৰে কাম কৰে। সংস্কৃত কাব্য সাহিত্য অধ্যয়ণ কৰিলে এই কথাবোৰ বুজা যায়। সেয়েহে কবিগুৰু ৰবিন্দ্ৰ নাথে কৈ গৈছে-

অন্তৰ হতে আহৰি বচন  
আনন্দলোক কৰি ৰচন,  
পীত ৰস ধাৰা কবি সিঞ্চন  
সংসাৰ ধুলি জালে।

বহুতো আলোচক সমালোচকে কয় পাঠত কবিতাই প্ৰাণ পাই উঠে, এই প্ৰাণেই হ'ল শব্দৰ কালকা। ইয়েই হ'ল কবিতাৰ আত্মা। ভতৃহৰিৰ মতে-

অনাদি নিধানং ব্ৰহ্ম শব্দতত্বং য়দৰম।  
ৰিৱভাৱেন প্ৰক্ৰিয়া জগত্যেততঃ।। ১৪ পৃষ্ঠালৈ...

১৩ পৃষ্ঠাৰ পৰা

# কবিতাৰ স্বৰূপ চিন্তণ. . .

ব্ৰহ্মাকাণ্ডত তেওঁ আৰু কৈছে-

আত্মাৰূপং যথা জ্ঞানে জ্ঞেয়ৰূপঞ্চ দৃশ্যতো
অৰ্থ ৰূপং তথা শব্দে স্বৰূপঞ্চ প্ৰকাশতে।।

অৰ্থাৎ জ্ঞানে জ্ঞেয় বস্তুৰ মাধ্যমেৰে নিজকে প্ৰকাশ কৰাৰ দৰে শব্দয়ো অৰ্থৰ মাজেদি নিজক প্ৰকাশ কৰে।

কবিতাৰ ছন্দ বিচাৰ এক জটিল প্ৰক্ৰিয়া আৰু কষ্টকৰ। কিয়নো কবিতাৰ জন্ম কবিৰ হৃদয়ৰ নিভৃত কোণৰ অটল তলিৰ পৰা আৰু আচ্ছাদন হ'ল বাস্তৱ জগতৰ কুহেলিকাময় স্বৰূপটো। কাজেই কবিতাৰ দেহবল্লৰী আৰু আন্তঃস্ৰাবী গতি প্ৰকৃতি ৰূপলাৱণ্য চিত্ৰ বিচিত্ৰ। সেয়ে বিশ্বকবি ৰবি ঠাকুৰে কৈছিল-

আমি চেয়ে আছি বিস্ময় মানি
ৰহস্য নিগমন
এ যে সঙ্গীত কোথা হতে উথে
এ যে লাৱণ্য কোথা হতে ফুটে
এ যে ক্ৰন্দন কোথা হতে টুটে
অন্তৰ বিদাৰন।

**কবিতাৰ ছন্দ ধ্বনি:** আদি কবি বাল্মীকিয়ে কোৱা পদবন্ধ বাক্য, সমাক্ষৰ যুক্ত প্ৰতিপদ ছন্দবন্ধ, তন্ত্ৰীলয়ত আন্দোলিত, শোকাৰ্ত হৈ উচ্চাৰণ কৰাৰ মূলবিন্দু হ'ল মৈথুনৰত ক্ৰৌঞ্চ বধ। এই পটভূমিৰ প্ৰকাশেই হ'ল কবিতাৰ স্বৰূপ। এনে স্থলত কবিতাত ধ্বনি সংগঠন কবিৰ প্ৰত্যক্ষ সংবেদনশালতাৰ উপৰিও সহৃদয়ৰ ৰস সম্ভোগত ধ্বনিৰ আন এটা নিগূঢ় সূক্ষ্ম অংশও থাকে। এই অংশটোৱে বাহক হ'ল ছন্দ। কবিতাৰ ছন্দ সত্তা একে নহয়। বিভিন্ন শিল্পকৰ্মত ছন্দই বিভিন্ন ৰূপ পৰিগ্ৰহ কৰি আত্মপ্ৰকাশ কৰে। ৰূপৰ পৰিমিতিৰ সৈতে প্ৰাণৰঅনিবেশ্যতাৰ সংযোগত ছন্দৰ জন্ম হয়। ছন্দই কবিকৰ্মৰ দ্বাৰা সহৃদয়ৰ মনত পুলক জগাই বাবে স্বাদ বা ৰসামুভূতি আনে। আনহাতে ছন্দই অনুভূতি শক্তিক মাৰ্জিত আৰু সূক্ষ্মতম কৰি তোলে। সেয়েহে কবিতাৰ ছন্দ গাঁঠনি নিয়ম নিৰ্ভৰশীল। কিয়নো ছবিত ছন্দৰ আশ্ৰয় হ'ল ৰেখা আৰু কাব্যকৰ্মত হ'ল ধ্বনি তৰঙ্গহৈ মূল আশ্ৰয়ৰস্থল। কবিতাৰ ধ্বনিগুচ্ছৰ আবেদন আৰু ধ্বনিকৰঙ্গৰ আবেদনৰ ভিন্ন প্ৰকৃতি আৰু ৰূপত প্ৰতিভাত হয়। কিয়নো ই ৰসভোক্তাৰ নিৰ্দিষ্ট ইন্দ্ৰিয়ত নহৈ সামগ্ৰিক অস্তিত্বতে বিৰাজমান হৈ থাকে। কবিতাৰ প্ৰতিচৰণৰ সামগ্ৰিক ৰূপৰ আত্মাই হ'ল ছন্দ। কবিতাৰ ভাষাৰ ভিন্নতা অনুসৰি এই ধ্বনিৰ তৰঙ্গ কেতিয়াবা বৰ্ণত, কেতিয়াবা চৰণত আৰু কেতিয়াবা পৰ্বৰ ওপৰত নিৰ্ভৰশীল হোৱা দেখা যায়। কাব্য ছন্দত কবিৰ সৃজন ক্ষমতা আৰু অভিজ্ঞতা প্ৰসুত আবেগ, অনুভূতি, অনুভৱবোৰ মুৰ্ত্ত হৈ উঠাৰ দৰেই, পাঠক শ্ৰোতাৰ অন্তৰতো আৱেগ অনুভূতি বিচাৰ আদিৰ সঞ্চাৰ কৰি কাব্যৰস সম্ভোগত সহায় কৰে। সেইবুলি সাহিত্যৰ অন্যান্য ক্ষেত্ৰৰ গল্প, উপন্যাস আদিৰ দৰে কবিতাত কেৱল বাক্যাৰ্থৰ মাধ্যমত এনে আৱেগ সঞ্চাৰৰ আশা কৰিলে বহু সময়ত বিফল হ'ব লগা হয়।

ছন্দই কবিৰ পৰা সহৃদয়ৰ মনলৈ শৈল্পিক আবেগ সঞ্চাৰ কৰাৰ লগতে বাক্যাৰ্থৰ অন্তৰ্নিহিত ব্যঞ্জনাও ফুটাই তোলে। এই অন্তৰ্নিহিত ব্যঞ্জণা প্ৰতিভাত হোৱাৰ লক্ষণো বিভিন্ন ধৰণে, বিভিন্ন পৰিচ্ছেৰ মাধ্যমত হ'ব পাৰে। সেয়েহে কাব্যকলাৰ আৰম্ভণিৰ পৰা বৰ্ত্তমানলৈকে বিভিন্ন ৰূপৰ সুদীৰ্ঘ ইতিহাসত অনুস্তুভ ত্ৰিষ্টুভ, জগতি, বৃহতি, মাত্ৰাবৃত্ত ইত্যাদি ছন্দ পৰিক্ৰমাৰে বৰ্ত্তমান মুক্তক ছন্দৰূপ পৰিগ্ৰহ কৰা দেখা পোৱা গৈছে। অৱশ্যে কাব্যিক ভাষাৰ ব্যঞ্জনা বাক্যাৰ্থ নিৰ্ভৰ আৰু এই ব্যঞ্জনা বিকাশত ধ্বনিগুচ্ছ আৰু তৰঙ্গৰ ভূমিকাই প্ৰধান। ছন্দৰ এনে নিগূঢ় ব্যঞ্জণা সামাৰ্থ্যৰ উদাহৰণ বিশ্বৰ বিভিন্ন ভাষাৰ সাৰ্থক কবিতাত পোৱা যায়। দুই এটা উদাহৰণ দিয়া প্ৰয়োজন নুই কৰা নাই। কবি নলিনীবালা দেৱীৰ অসম সংক্তিৰ কবিতা-

1। পৃথিৱীৰ মৰমৰ û গোপন বাতৰি Ô 8 ÙÂ 6
তোমাৰ সুৰতপৰে Ô 0 ÙÂ 8
নিজৰি নিজৰি Ô 0 ÙÂ 8
নিৰলে শুকাই যোৱা Ô 0 ÙÂ 8
কুসুম মাধুৰী Ô 0 ÙÂ 6
ফুলি উঠে û তোমাৰ সুৰত Ô 4 ÙÂ 6
ৰূপ ৰস গন্ধ ভৰা Ô 0 ÙÂ 8

(নলিনীবালা দেৱী)

2। নিজান চেলত û তুমি সাৰে আছ Ô 6 ÙÂ 6
সাৰে আছে û ক্ৰুৰ ইটাৰ দেৱাল Ô 4 ÙÂ 8
বন্দি তোমাৰ কণ্ঠৰ সুৰ Ô 0 ÙÂ 10
নাচোনৰ লয়লাস Ô 0 ÙÂ 8

(বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য)

3। হে ভুবন Ô 0 ÙÂ 4
আমি যতক্ষণ Ô 0 ÙÂ 6
তোমাৰে না বেসে ছিনু ভাল Ô 0 ÙÂ 10
ততক্ষণ তব আলো Ô 0 ÙÂ 8
খুঁজে খুঁজে পায় নাই Ô 0 ÙÂ 8
তাৰ সব ধন Ô 0 ÙÂ 6

(ৰবিন্দ্ৰ নাথ ঠাকুৰ)

**কবি প্ৰতিভা:** কাব্য কলাৰ বিচাৰত কবি প্ৰতিভা আন এক মূখ্য বিষয় ৰূপে প্ৰতিপন্ন হৈ আহিছে। প্ৰতিভাৰ অবিহনে কোনো কামেই স্নিগ্ধ হ'ব নোৱাৰে। ইংৰাজীত ইয়াক personality আখ্যা দিলেও দাৰ্শনিক ফেকনাৰে "মহাচৈতন্য" আখ্যা দিছে। ভাৰতীয় বিচাৰ ধাৰাত আলঙ্কাৰীসকলে ইয়াক আন্তঃপ্ৰেৰণা বা জন্মস্থ গুণৰূপে অভিহিত কৰিছে। ই জন্মস্থ গুণ হ'লেও পৰিৱেশ পৰিস্থিতিয়ে প্ৰকাশ বিকাশ ঘটাই পৰমমধুৰ স্বাদ গুণযুক্ত কৰি তোলে। সেয়েহে আচাৰ্য্য মহিমভট্টই তৃতীয় নেত্ৰৰূপত "সা হি চক্ষুৰ্ভগৱতাস্তীতৃয়মিতি গীয়তে" বৰ্ণনা কৰিছে। এই তৃতীয় নেত্ৰে জ্ঞানচক্ষুৰে সকলো দেখা যায় বাবে প্ৰজ্ঞেৰ প্ৰতিভা কৰেঃ হিচাপে ভাৰতীয় দৰ্শনে ব্যাখ্যা কৰিছে। ইংৰাজী সাহিত্যৰ ইতিহাসে poets are born not maide মতামত দিছে। এয়া হ'ল ভাৱবাদৰ লগত যুক্তিবাদৰ সমন্বয়াত্মক সিদ্ধান্ত। বিশ্ব ব্ৰহ্মাণ্ড পৰিব্যাপ্ত হৈ থকা বায়ু আমি দেখা নাপাও, কিন্তু কৰ্মৰ পৰিণতি আমাৰ সকলোৱে দৃষ্টিগোচৰ হোৱাৰ দৰেই প্ৰতিভাৰ ক্ৰিয়া কলাপসমূহ দেখা যায়। সেয়েহে সাধকৰ সাধ্যতত্ত্বৰ মূৰ্ত্তৰূপ কাব্য কলাৰ স্বৰূপ বিচাৰ কৰোতে ৰূপ, ৰস, আবয়ব বা দেহতত্বৰ বিচাৰ বিশ্লেষণ কৰি ধন্যালোকত কোৱা হৈছে।

অপাৰে কাব্য সংসাৰে কবিৰেকঃ প্ৰজাপতি।
য়থাস্মৈ ৰোচতে বিশ্বং তদৈৱ পৰিৱৰ্ত্ততে।।

ধন্যালোকৰ এই শ্লোকৰ লোচন টীকাত টীকাকাৰ মল্লীনাথে আলোচনা কৰি কৈছে- "ইচ্ছা কৰিলেই কোনো কবি হ'ব নোৱাৰে"। ইয়াৰ বাবে আন্তঃপেৰেৰণাৰ প্ৰয়োজন। ইয়ো এক পৰম বিস্ময় (মল্লিনাথ, লোচন টীকা)।

যোগী সাধকৰ প্ৰতিভা লোকোত্তৰ। দৃষ্টিভঙ্গী হ'ল নিৰ্বাণ লাভ। কবি আৰু যোগী উভয়েই ভিন্ন ধৰ্মীয় সাধক হৈও পৰস্পৰে সমধৰ্মীতা থকা দেখা যায়। সেয়ে কবি আৰু যোগী উভয়েই ঋষি তপস্বী সাধক। যোগী সাধকসকল আধ্যাত্ম জগতত বিচৰণকাৰী আৰু কাব্য সাধকসকল কাব্যকলা অনুভৱ অনুভূতি সৌন্দৰ্য্য সৃষ্টিৰে ভৰা বাস্তৱ জগতত বিচৰণকাৰী। সেয়ে কবিৰ সৃষ্টিৰ সৈতে সত্য, সুন্দৰ মঙ্গলময়তাৰ নিকট সম্পৰ্ক আছে। ইয়াকে উপনিষদত "আনন্দৰূপমমৃতং য়দ্বিভাতি" বোলা হৈছে।

**কবিতাত সাম্প্ৰতিক সময়:** মানৱ সভ্যতা সংস্কৃতিৰ অগ্ৰগতিয়ে সময়ৰ পৰিৱৰ্ত্তন সাধি মানুহৰ জীৱন ধাৰণ প্ৰণালী, চাল চলন, বেশভূষা, চিন্তাচৰ্চ্চা কৰ্ম পদ্ধতি আদি সকলোতে পৰিৱৰ্ত্তন আনিছে। ইতিহাসৰ বিচিত্ৰ বহু কেকুৰী অতিক্ৰম কৰি আহোতে বিভিন্ন পৰিৱেশ পৰিস্থিতিয়ে দিয়া অভিজ্ঞতাই কবিসকলৰো চিন্তা চৰ্চ্চা, আশা আকাঙ্খা, কৰ্ম পদ্ধতিৰো বিস্তৰ পৰিৱৰ্ত্তন সাধন হৈছে। সাম্প্ৰতিক কালৰ বিশ্বায়ৰৰ ধামখুমীয়াত বহু সময়ত পাশ্চাত্যৰ প্ৰভাৱত সামাজিক, ব্যক্তিগত জীৱন ধাৰণ প্ৰণীলীৰ আমূল পৰিৱৰ্ত্তন ঘটাই, ক্ৰমবৰ্দ্ধমান আকাৰত বিভিন্ন ধৰণৰ অপৰাধে বিভিন্ন ৰূপত শিশু কিশোৰৰ পৰা বয়স্কলোকলৈকে অপৰাধ জগতত জড়িত কৰাইছে। মানুহৰ আশা আকাঙ্খাই অতীতৰ আৰণ্যক জগতলৈ পশ্চাদ গতি কৰাৰো বহু সময়ত পৰিলক্ষিত হয়। বিশ্ব সভ্যতাৰ লগত তাল মিলাবলৈ গ'লেও সামাজিক আৰু ব্যক্তি জীৱন তথা আশা আকাঙ্খাক নিয়ন্ত্ৰণ কৰাৰ সময় সমাগত। এনে ধৰণৰ জাগতিক দন্দ্বাত্মক পৰিৱেশ পৰিস্থিতিৰ চাকনৈয়াত পৰি সাম্প্ৰতিক কাব্য কলাৰ উন্নত মানদণ্ডৰে কিমান পৰিমাণে জনপ্ৰিয় হৈ উঠিছে, কিমান পৰিমাণে কালজয়ী কাব্যকলাৰ সৃষ্টি হৈছে ই যথেষ্ট চিন্তনীয় হৈ উঠিছে। কাব্য কৰ্মত প্ৰকৃত সকলো কবিৰে সমাজ, সভ্যতা, সাহিত্য, সংস্কৃতিৰ প্ৰতি গভীৰ দায়বদ্ধতা আছে। আন্তৰিকতাৰে এনে দায়বদ্ধতা পালন কৰি কাব্যকৰ্মত আত্মনিয়োগ কৰিলেহে স্ব সৃষ্টিয়ে বিশ্ব সৃষ্টিৰ সমকক্ষ হৈ উঠিব পাৰিব।

১ পৃষ্ঠাৰ পৰা

# কিতাপ পঢ়াৰ আন্দোলনৰ . . .

আন্দোলনবিলাকৰ ন্যায্যতা আছে- সেই কথা সকলোৱে স্বীকাৰ কৰিব। প্ৰকৃততে ক'বলৈ গ'লে এই আন্দোলনবিলাক সফল হ'লেও ইয়াৰ ফল দীৰ্ঘম্যাদী নহয়। সাম্প্ৰতিক পৰিস্থিতিত অসমত এক দীৰ্ঘস্থায়ী আন্দোলনৰ প্ৰয়োজন। সেই আন্দোলন হৈছে কিতাপ পঢ়াৰ আন্দোলন। এই আন্দোলনত জড়িতসকলে ৰাজপথত ইনক্লাৱ-জিন্দাবাদ কৰিব নালাগে। অধ্যয়নত জড়িত আন্দোলনকাৰীয়ে চৰকাৰৰ ওচৰত কোনো দাবী-চনদ দিব নালাগে। এই আন্দোলনৰ লক্ষ্য হ'ল জ্ঞান আহৰণ কৰা।

সৌভাগ্যৰ কথা, অসমত উল্লেখিত আন্দোলনবিলাকৰ সৈতে সমান্তৰালভাৱে কিতাপ পঢ়াৰ আন্দোলন আৰম্ভ কৰিছে।এই আন্দোলনৰ বাটকটীয়া অসমৰ প্ৰাক্তন শিক্ষামন্ত্ৰী, কবি, নাট্যকাৰ, অভিনেতা লক্ষ্যধৰ চৌধুৰীৰ পুত্ৰ অমৰজ্যোতি চৌধুৰীয়ে। এটা জাতিৰ ভাষা-সাহিত্য-সংস্কৃতিক শক্তিশালী জাতিটোৰ অধ্যয়নশীল মনোবৃত্তিয়েহে। এটা জাতিৰ বিভিন্ন সমস্যা সমাধানৰ বাবে সময়ে সময়ে হোৱা আন্দোলন, বিপ্লৱ আদিক শক্তিশালী কৰে জাতিটোৰ বৌদ্ধিক আন্দোলনেহে। ১৭৮৯ চনৰ বিশ্ববিখ্যাত ফৰাচী বিপ্লৱৰ আগত ৰুছো, মনটেচকো, ভলটেয়াৰ আদি দাৰ্শনিকসকলে বিপ্লৱৰ আগত ফৰাচী দেশত শক্তিশালী বৌদ্ধিক পৰিৱেশ সৃষ্টি নোহোৱাহ'লে বিপ্লৱ নহ'লহেতেন। ফৰাচী বিপ্লৱৰ দৰে বিশ্বৰ অন্যান্য বিপ্লৱৰ বহু উদাহৰণ দিব পাৰি য'ত বৌদ্ধিক আন্দোলনে বিপ্লৱৰ গুটি সিঁচিছিল। এটা জাতি শক্তিশালী নে দুৰ্বল সেইটো নিৰ্ণয় কৰে জাতিটোৰ গুণগত মানদণ্ডৰ ওপৰত অৰ্থাৎ জাতিটোৰ ভাষা-সংস্কৃতি কিমান উন্নত তাৰ ওপৰত।

সংখ্যাত কম হ'লেও এসময়ত ইংৰাজ জাতিয়ে সমগ্ৰ বিশ্বত আধিপত্য বিস্তাৰ কৰিছিল। গতিকে মাথা গন্তিত এটা জাতি সংখ্যাধিক হ'লেই শক্তিশালী ৰূপে পৰিগণিত নহয়। জনসংখ্যা কম হ'লেও উৰ্ব্বৰ মগজু থকা সংখ্যাধিক হ'লে জাতটো বিশ্বত এটা শক্তিশালী জাতি হয়। কোৱা বাহুল্য, উৰ্ব্বৰ মগজুৰ সৃষ্টি কৰে শক্তিশালী অধ্যয়নৰ পৰিৱেশে।

অসমীয়া জাতিৰ ক্ষেত্ৰত শ্ৰীমন্ত শঙ্কৰদেৱৰ নেতৃত্বত নৱবৈষ্ণৱ আন্দোলনে যি ভাষা-সংস্কৃতিৰ আন্দোলন সৃষ্টি কৰিলে সেই আন্দোলন বৃটিছ শাসনৰ প্ৰথম অৱস্থাত ম্লান পৰিছিল। বৃটিছ ৰু বঙালী আমোলাৰ যড়যন্ত্ৰত অসমৰ অসমীয়া ভাষা হেৰাই গৈছিল। আনন্দৰাম ঢেকিয়াল ফুকন, লক্ষ্মীনাথ বেজবৰুৱা, গুণাভিৰাম বৰুৱা আদি কেইজনমানৰ প্ৰচেষ্টাত অসমীয়া ভাষা পুনৰুদ্ধাৰ হ'ল। তেওঁলোকে এটা সাংঘাতিক প্ৰতিকূল অৱস্থাক প্ৰত্যাহ্বান জনাই অসমৰ ভাষা-সংস্কৃতিক পুনৰ স্থাপিত কৰিছিল। আজি প্ৰায় দেৰশ বছৰৰ পাছত অসমীয়া ভাষা-সংস্কৃতিৰ ৰক্ষাৰ্থে ৰাজপথত আন্দোলন কৰাটো এক দুৰ্ভাগ্যজনক বিষয়। বিগত দেৰশ বছৰত আমাৰ ভাষা-সাহিত্যৰ একেবাৰে উন্নতি নাইহোৱা বুলি ক'লে গোকাট মিছা হ'ব। কিন্তু দেৰশ বছৰৰ তুলনাত বিশেষকৈ স্বাধীনোত্তৰ কালত আমাৰ ভাষা-সাহিত্যৰ যিমান উন্নতি হ'ব লাগিছিল, সিমান উন্নতি হোৱা নাই। ইয়াৰ বাবে বহু কাৰক থাকিলেও এটা প্ৰধান কাৰণ হ'ল প্ৰাক স্বাধীনতাৰ কালত অসমীয়া মধ্যবিত্তৰ যি বিপ্লৱী চৰিত্ৰ আৰু অধ্যয়নপুষ্ট পৰিৱেশ আছিল স্বাধীনোত্তৰ কালত বেছিসংখ্যক মধ্যবিত্তই সুবিধাবাদী চৰিত্ৰ গ্ৰহণ কৰিলে। প্ৰাক স্বাধীনতাৰ কালত যিসময়ত আমাৰ ভাষা-সংস্কৃতিৰ সংকট হৈছিল সেই সময়ত অসমত আঙুলিৰ মূৰত লেখিব পৰা কেইখনমান প্ৰাইমেৰী স্কুল আৰু হাইস্কুলহে আছিল। অসমত মুষ্টিমেয় কেইজনমান ব্যক্তিয়েহে কলিকতাৰ উচ্চশিক্ষাৰে শিক্ষিত হৈ অসমৰ ভাষা-সংস্কৃতিৰ ৰক্ষাৰ্থে সংগ্ৰামত লিপ্ত হৈছিল। প্ৰাক স্বাধীনতাৰ কালত অসমত দুই-চাৰিখন কলেজ স্থাপন হোৱাৰ বাদে বিশ্ববিদ্যালয় স্থাপিত হোৱাই নাছিল। স্বাধীনতাৰ পাছতহে উত্তৰ-পূৰ্বাঞ্চলত একমাত্ৰ গুৱাহাটী বিশ্ববিদ্যালয় স্থাপিত হৈছিল। কিন্তু আজিৰ অসমত (পূৰ্বৰ অসম ভাগ হোৱাৰ পাছত) কেইবাখনো বিশ্ববিদ্যালয়, কেইবাশ কলেজ, হাজাৰ হাজাৰ হাইস্কুল, প্ৰাথমিক বিদ্যালয়। ক'বলৈ গ'লে জ্ঞান বিস্তাৰৰ ক্ষেত্ৰবোৰ অসমৰ সকলো অঞ্চললৈ বিস্তাৰিত হৈছে। কিন্তু জ্ঞান বিস্তাৰ পূৰ্বতকৈ অধিক ৰূপত দ্ৰুতগতিত বিস্তাৰিত হৈছেনে? বিশ্বায়নৰ যুগত সকলো দেশ আৰু জাতিৰ মাজত জ্ঞান আহৰণৰ প্ৰতিযোগিতা চলিছে। গতিকে কিতাপ পঢ়ি জ্ঞান অৰ্জনৰ আন্দোলন যিমানে শক্তিশালী হ'ব, সিমানে জাতিটো আগুৱাই যাব।

অসমত সাম্প্ৰতিক 'কা' বিৰোধী আন্দোলন অসমীয়া জাতিৰ স্বাৰ্থতে পৰিসমাপ্তি ঘটিব বুলি আমাৰ দৃঢ়বিশ্বাস। গতিকে অসমত নতুন প্ৰজন্মৰ মাজত দীৰ্ঘম্যাদী আঁচনি লৈ গাঁৱে-ভূঞে, নগৰে-চহৰে কিতাপ পঢ়াৰ আন্দোলন শক্তিশালী কৰিব লাগিব। জাতিটো শক্তিশালী কৰাৰ ক্ষেত্ৰত অন্যান্য আন্দোলনৰ ফল ক্ষণস্থায়ী। কিতাপ পঢ়াৰ দীৰ্ঘস্থায়ী আন্দোলনেহে এটা জাতিক বিশ্বত বিশ্বায়নৰ যুগত শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰিব পাৰিব। অসমীয়া জাতিৰ শুভ চিন্তকসকলে যিমান সোনকালে উপলব্ধি কৰিব পাৰে, জাতিটোৰ বাবে সিমানেই মঙ্গল।

ভ্ৰাম্যভাষ- ৯৪৩৫০১০১৬৭

# বিশ্ব এথলেটিকচ্ চেম্পিয়নশ্বিপ ২০১৯ . . .

ফেডাৰেশ্বনচ বা IAAF)ৰ উদ্যোগত অনুস্থিত হোৱা তথা 1991 চন পৰ্য্যন্ত প্ৰতি চাৰি বছৰৰ ব্যৱধানত অনুস্থিত হোৱা এই প্ৰতিযোগিতাৰ পৰৱৰ্ত্তী সংস্কৰণসমূহ প্ৰতি দুই বছৰৰ ব্যৱধানত অনুস্থিত হৈ আহিছে। ট্ৰেক এণ্ড ফিল্ড, ক্ৰছ কাণ্ট্ৰি ৰানিং, ৰ'ড ৰানিং, ৰেচৱাকিং, মাউণ্টেইন ৰানিং আৰু আল্ট্ৰাৰানিং এই ক্ৰীড়াসমূহ ৱৰ্ল্ড এথলেটিচে সামৰি লয়। ইয়াৰোপৰি, উক্ত ক্ৰীড়াসমূহৰ নীতি-নিয়মৰ মান নিৰ্দ্ধাৰণ, বিশ্বাভিলেখৰ স্বীকৃতি তথা তদাৰককৰণ, ৱৰ্ল্ড এথলেটিকচ চেম্পিয়নশ্বিপকে ধৰি অন্যান্য প্ৰতিযোগিতাসমূহৰ মান্যতা প্ৰদান আদিও এই সংস্থাৰ অন্যতম দায়িত্ব।

বিশ্ব এথলেটিকচ চেম্পিয়নশ্বিপৰ প্ৰথম সংস্কৰণ অনুস্থিত হৈছিল 1983 চনত। হেলছিঙ্কি অলিম্পিক ষ্টেডিয়াম, হেলছিঙ্কি (ফিনলেণ্ড)ত 7–15 আগষ্টত অনুস্থিত অংশগ্ৰহণকাৰী দেশ আৰু প্ৰতিযোগীৰ সংখ্যা আছিল ক্ৰমে 153 আৰু 1,355।পদক অৰ্জ্জনকাৰী শীৰ্ষৰ তিনিখন দেশ হৈছে, পূব জাৰ্মানী: (10, 7, 5 Ô 22), আমেৰিকা যুক্তৰাষ্ট্ৰ: (8, 9, 7 Ô 24) আৰু চোভিয়েট সংঘ (6, 6, 11 Ô 23)। প্ৰতিযোগিতাখনৰ পৰৱৰ্তী সংস্কৰণসমূহৰ বিষয়ে অতিকে চমুকৈ তলত উল্লেখ কৰিলোঁ।

1987: ষ্টেডিঅ' অলিম্পিক' ৰোম (ইটালী), 28 আগষ্ট - 6 চেপ্তেম্বৰ, অংশগ্ৰহণকাৰী দেশ- 159 আৰু প্ৰতিযোগী- 1,451। পদক অৰ্জ্জনকাৰী শীৰ্ষৰ তিনিখন দেশ- পূব জাৰ্মানী: (10, 11, 10 Ô 31), আমেৰিকা যুক্তৰাষ্ট্ৰ: (10, 4, 6 Ô 20) আৰু চোভিয়েট সংঘ: (7, 12, 6 Ô 25)।

1991: অলিম্পিক ষ্টেডিয়াম, টকিয় (জাপান), 23 আগষ্ট - 1 চেপ্তেম্বৰ, অংশগ্ৰহণকাৰী দেশ- 167 আৰু প্ৰতিযোগী- 1,517। পদক অৰ্জ্জনকাৰী শীৰ্ষৰ তিনিখন দেশ- আমেৰিকা যুক্তৰাষ্ট্ৰ: (10, 8, 8 Ô 26), চোভিয়েট সংঘ: (9, 9, 11 Ô 29) আৰু জাৰ্মানী: (5, 4, 8 Ô 17)।

1993: গট্টলিব ডেইমলাৰ ষ্টেডিয়াম, ষ্টুটগাৰ্ট (জাৰ্মানী), 13–22 আগষ্ট, অংশগ্ৰহণকাৰী দেশ- 187 আৰু প্ৰতিযোগী- 1,689। পদক অৰ্জ্জনকাৰী শীৰ্ষৰ তিনিখন দেশ- আমেৰিকা যুক্তৰাষ্ট্ৰ: (13, 7, 5 Ô 25), চীন: (4, 2, 2 Ô 8) আৰু ৰাচিয়া: (3, 8, 5 Ô 16)।

1995: উল্লেভি ষ্টেডিয়াম, গুটেনবাৰ্গ (চুইডেন), 5–13 আগষ্ট, অংশগ্ৰহণকাৰী দেশ- 191 আৰু প্ৰতিযোগী- 1,804। পদক অৰ্জ্জনকাৰী শীৰ্ষৰ তিনিখন দেশ- আমেৰিকা যুক্তৰাষ্ট্ৰ: (12, 2, 5 Ô 19), বেলাৰুছ: (2, 3, 2 Ô 7), জাৰ্মানী: (2, 2, 2 Ô 6) আৰু ইটালী: (2, 2, 2 Ô 6)।

1997: অলিম্পিক ষ্টেডিয়াম, এথেন্স (গ্ৰীচ), 1–10 আগষ্ট, অংশগ্ৰহণকাৰী দেশ- 198 আৰু প্ৰতিযোগী- 1,882। পদক অৰ্জ্জনকাৰী শীৰ্ষৰ তিনিখন দেশ- আমেৰিকা যুক্তৰাষ্ট্ৰ: (6, 3, 8 Ô 17), জাৰ্মানী: (5, 1, 4 Ô 10) আৰু কিউবা: (4, 1, 1 Ô 6)।

1999: ইষ্টেডিঅ' অলিম্পিক', চেভিল (স্পেইন), 20–29 আগষ্ট, অংশগ্ৰহণকাৰী দেশ- 201 আৰু প্ৰতিযোগী- 1,821।পদক অৰ্জ্জনকাৰী শীৰ্ষৰ তিনিখন দেশ- আমেৰিকা যুক্তৰাষ্ট্ৰ: (10, 3, 4 Ô 17), ৰাচিয়া: (5, 4, 3 Ô 12) আৰু জাৰ্মানী: (4, 4, 4 Ô 12)।

2001: কমনৱেল্থ ষ্টেডিয়াম, এডমণ্টচ (কানাডা), 3–12 আগষ্ট, অংশগ্ৰহণকাৰী দেশ- 189 আৰু প্ৰতিযোগী- 1,677।পদক অৰ্জ্জনকাৰী শীৰ্ষৰ তিনিখন দেশ- ৰাচিয়া: (5, 7, 6 Ô 18), আমেৰিকা যুক্তৰাষ্ট্ৰ: (5, 5, 3 Ô 13) আৰু কেনিয়া: (3, 3, 2 Ô 8)।

2003: ষ্টেড ডে ফ্ৰান্স, টেইণ্ট ডেনিচ (ফ্ৰান্স), 23–31 আগষ্ট, অংশগ্ৰহণকাৰী দেশ- 198 আৰু প্ৰতিযোগী- 1,679। পদক অৰ্জ্জনকাৰী শীৰ্ষৰ তিনিখন দেশ- আমেৰিকা যুক্তৰাষ্ট্ৰ: (8, 7, 1 Ô 16), ৰাচিয়া: (7, 7, 5 Ô 19) আৰু ফ্ৰান্স: (3, 3, 2 Ô 8)।

2005: ষ্টেডিঅ' অলিম্পিক' ৰোম (ইটালী), 6–14 আগষ্ট, অংশগ্ৰহণকাৰী দেশ- 196 আৰু প্ৰতিযোগী- 1,891। পদক অৰ্জ্জনকাৰী শীৰ্ষৰ তিনিখন দেশ- আমেৰিকা যুক্তৰাষ্ট্ৰ: (14, 8, 3 Ô 25), ৰাচিয়া: (7, 7, 4 Ô 18) আৰু ইথিওপিয়া: (3, 4, 2 Ô 9)।

2007: নাগাই ষ্টেডিয়াম, ওচাকা (জাপান), 24 আগষ্ট - 2 চেপ্তেম্বৰ, অংশগ্ৰহণকাৰী দেশ- 200 আৰু প্ৰতিযোগী- 1,978। পদক অৰ্জ্জনকাৰী শীৰ্ষৰ তিনিখন দেশ- আমেৰিকা যুক্তৰাষ্ট্ৰ: (14, 5, 7 Ô 16), কেনিয়া: (5, 3, 5 Ô 13) আৰু ৰাচিয়া: (4, 7, 3 Ô 14)।

2009: অলিম্পিয়াষ্টেডিয়ন, বাৰ্লিন (জাৰ্মানী), 15–23 আগষ্ট, অংশগ্ৰহণকাৰী দেশ- 202 আৰু প্ৰতিযোগী- 2,101। পদক অৰ্জ্জনকাৰী শীৰ্ষৰ তিনিখন দেশ- আমেৰিকা যুক্তৰাষ্ট্ৰ: (10, 6, 6 Ô 22), জামাইকা: (7, 4, 2 Ô 13) আৰু কেনিয়া: (4, 6, 1 Ô 11)।

2011: ডেইগু ষ্টেডিয়াম, ডেইগু (দক্ষিণ কোৰিয়া), 27 আগষ্ট - 4 চেপ্তেম্বৰ, অংশগ্ৰহণকাৰী দেশ- 204 আৰু প্ৰতিযোগী- 1,848। পদক অৰ্জ্জনকাৰী শীৰ্ষৰ তিনিখন দেশ- আমেৰিকা যুক্তৰাষ্ট্ৰ: (12, 8, 8 Ô 28), কেনিয়া: (7, 8, 3 Ô 18) আৰু জামাইকা: (4, 4, 1 Ô 9)।

2013: লুজনিকি ষ্টেডিয়াম, মস্কো (ৰাছিয়া), 10–18 আগষ্ট, অংশগ্ৰহণকাৰী দেশ- 203 আৰু প্ৰতিযোগী- 1,784। পদক অৰ্জ্জনকাৰী শীৰ্ষৰ তিনিখন দেশ- আমেৰিকা যুক্তৰাষ্ট্ৰ: (7, 14, 5 Ô 26), ৰাচিয়া: (6, 3, 5 Ô 14) আৰু জামাইকা: (6, 2, 2 Ô 10)।

2015: বেইজিং নেশ্বনেল ষ্টেডিয়াম, বেইজিং (চীন), 22–30 আগষ্ট, অংশগ্ৰহণকাৰী দেশ- 205 আৰু প্ৰতিযোগী- 1,781। পদক অৰ্জ্জনকাৰী শীৰ্ষৰ তিনিখন দেশ- কেনিয়া: (7, 6, 3 Ô 16), জামাইকা: (7, 2, 3 Ô 12) আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ: (6, 6, 6 Ô 18)।

এই বাৰৰ প্ৰতিযোগিতাত স্থাপিত হোৱা বিশ্ব এথলেটিকচ্ চেম্পিয়নশ্বিপ অভিলেখ আৰু বিশ্ব অভিলেখসমূহ ক্ৰমে ইভেণ্ট, অভিলেখ, এথলীটৰ নাম আৰু বন্ধনীৰ ভিতৰত দেশৰ নাম তলত উল্লেখ কৰিলো।

মহিলাৰ শাখাত: 1500 মিটাৰ- 3:51.95 মিনিট, চিফান হাছান (নেডাৰলেণ্ডচ), 5000 মিটাৰ- 14:20.72 মিনিট, হেলেন অ'বিৰি (কেনিয়া), 400 মিটাৰ হাৰ্ডল্চ- 52.16 চেকেণ্ড বিশ্বাভিলেখ, ডালিলা মুহম্মদ (আমেৰিকা যুক্তৰাষ্ট্ৰ) আৰু 3000 মিটাৰ ষ্টিপলছেজ- 8åÃ57.84 মিনিট, বিয়েট্ৰিচ ছেপক'ইছ (কেনিয়া)।

পুৰুষৰ শাখাত: 800 মিটাৰ- 1:42.34 মিনিট, ডোনাভান ব্ৰাজিয়াৰ (আমেৰিকা যুক্তৰাষ্ট্ৰ) আৰু শ্বট পুট- 22.91 মিটাৰ, জ' ক'ভেক্চ (আমেৰিকা যুক্তৰাষ্ট্ৰ)।

2021 চনৰ প্ৰতিযোগিতা আমেৰিকা যুক্তৰাষ্ট্ৰৰ ইউজিনত 6-15 আগষ্টত অনুস্থিত হ'ব।

ভ্ৰাম্যভাষ: 9854259486

# চিনামৰা মহাবিদ্যালয়ৰ এনএছএছ কেডেটলৈ শ্ৰেষ্ঠ স্বেচ্ছাসেৱকৰ সন্মান

গুৱাহাটী বিশ্ববিদ্যালয়ত ৮ জানুৱাৰীৰপৰা ১২ জানুৱাৰীলৈ অনুষ্ঠিত হোৱা অসম ভিত্তিত বিভিন্ন শিক্ষানুষ্ঠানবিলাকৰ এন এছ এছ শিবিৰত চিনামৰা মহাবদ্যালয়ৰ ছাত্ৰ হিমাংশুৰাজ শইকীয়াই শ্ৰেষ্ঠ স্বেচ্ছাসেৱকৰ সন্মান লাভ কৰি গৌৰৱ কঢ়িয়াই আনিছে। (সন্মুখৰ শাৰীৰ বাওঁফালৰপৰা তৃতীয়জন)



## কৃতিত্ব




গুঞ্জন শইকীয়াই গুৱাহাটীত ১৮, ১৯ আৰু ২০ অক্টোবৰ তাৰিখে অনুষ্ঠিত হৈ যোৱা সদৌ অসম আন্তঃজিলা কেৰম প্ৰতিযোগিতাত যোৰহাট জিলাৰ হৈ চাব-জুনিয়ৰ শাখাত (১৪ বছৰ অনূৰ্ধ) খেলি অসমৰ ভিতৰত দ্বিতীয় স্থান দখল কৰিবলৈ সক্ষম হৈছে। গুঞ্জন শইকীয়াই বহুকেইখন জিলাৰ খেলুৱৈক পৰাজিত কৰি গুৱাহাটীৰ খেলুৱৈৰ লগত প্ৰতিযোগিতাৰ চূড়ান্ত খেলত দ্বিতীয় স্থান লাভ কৰি অসম দলত নিৰ্বাচিত হৈছে আৰু আগন্তুক ৩১ মাৰ্চৰপৰা ৩ এপ্ৰিললৈ বাৰাণসীত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় খেলত অংশগ্ৰহণ কৰিবলৈ পোৱাত যোৰহাট জিলাৰ লগতে এই অঞ্চললৈ সুনাম কঢ়িয়াই আনিছে। চিনামৰাৰ চেইণ্ট যোচেফ হাইস্কুলৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ গুঞ্জন শইকীয়া বাঘধৰাৰ নিবাসী হেমন্ত কুমাৰ শইকীয়া আৰু দীনামনি শইকীয়াৰ একমাত্ৰ পুত্ৰ। উল্লেখ্য, দীনামনি শইকীয়ায়ো যোৰহাট জিলা মহিলা দলৰ হৈ খেলি এই অঞ্চললৈ সুনাম কঢ়িয়াই আনিছে আৰু যোৰহাট জিলা পুৰুষ কেৰম দলে প্ৰতিযোগিতাৰ অসমৰ ভিতৰত শ্ৰেষ্ঠ দলৰ খিতাপ দখল কৰিবলৈ সক্ষম হৈছে।


**DIBRUGARH UNIVERSITY**
**DODL**
**CINNAMARA COLLEGE STUDY CENTRE**
**Courses Offered:**

- **BA** (Major course): Assamese, Political Science, Sociology, Economics
- **BA** (Pass Course): Education, Economics, Political Science, Economics
- **MA** (Economics, Education, English, Political Science, Sociology)

**Contact No: 90853 39300 / 81348 15096**

**KRISHNA KANTA HANDIQUI STATE OPEN UNIVERSITY**
**কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়**
**CINNAMARA COLLEGE STUDY CENTRE**
**চিনামৰা মহাবিদ্যালয় অধ্যয়ন কেন্দ্ৰ**
**তলত দিয়া পাঠ্যক্ৰমসমূহ চিনামৰা মহাবিদ্যালয়ত উপলব্ধ**

- **BA** (Pass course and Major course) (6 Semesters),
- **BA** in Journalism and Mass Communication (6 Semesters),
- **BBA** (6 Semesters),
- **BCA** (6 Semesters)
- **BCom** (6 Semesters),
- Bachelor of Social Works (**BSW**) (6 Semesters)
- **MA** (Assamese, English, Political Science, Sociology) (4 Semesters)
- **MBA** (4 Semesters),
- **MCom** (4 Semesters)
- Post Graduate Diploma in Computer Application (**PGDCA**)
- Post Graduate Diploma in Business Management (**PGDBM**)
- Post Graduate Diploma in Human Resource Management (**PGDHRM**)
- Diploma in Journalism & Mass Communication (**DJMC**)(1 Year)
- Diploma in Creative Writing (1 Year)

**Contact No: 9435247949 / 8638245341**



মুখ্য উপদেষ্টা ঃ আনন্দ শইকীয়া

ড° অঞ্জন শইকীয়াৰ ব্যৱস্থাপনাত চিনামৰা মহাবিদ্যালয় প্ৰকাশনৰ হৈ আনন্দ শইকীয়াৰ দ্বাৰা প্ৰকাশিত আৰু পি, জি, ইণ্ডিয়া প্ৰাইভেট লিমিটেড, পুলিবৰ, যোৰহাট-৬ মুদ্ৰিত ঃ মুখ্য কাৰ্যালয় ঃ চিনামৰা মহাবিদ্যালয়, চিনামৰা, যোৰহাট-৮,
ফোন ঃ ৭৫৭৬৮৬৫৯০৮, ৯৪৩৫৭৩৮৬৪৫, ৮৬৩৮০৭৯৮৩২, ৯৪৩৫২৪৭৯৪৯
E-mail : editoryogabarta@gmail.com.

সম্পাদক ঃ ড° দ্বীপেন নাথ (অবৈতনিক)
কাৰ্যবাহী সম্পাদক ঃ তৰুণ শইকীয়া (অবৈতনিক)
সীমান্ত বৰা (অবৈতনিক)
সহঃ সম্পাদক ঃ তাপস কুমাৰ বৰুৱা, মনোজ কুমাৰ শৰ্মা, প্ৰতাপ চন্দ্ৰ শৰ্মা, বিপিন বড়া, (অবৈতনিক)